দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৫ মাৰ্চ, ২০২১ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## ৰাষ্ট্ৰীয়তাবাদৰ কু-শাসনৰ যৱনিকা পেলাবলৈ হ'লে জাতীয়তাবাদ প্ৰতিষ্ঠা কৰিব লাগিব

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৪ মাৰ্চ ঃ** 'ৰাষ্ট্ৰীয়তাবাদৰ শোষণ, নিৰ্যাতন আৰু কুশাসনৰ যৱনিকা পেলাবলৈ হ'লে জাতীয়তাবাদ প্ৰতিষ্ঠা কৰিব লাগিব। দেশ স্বাধীন হোৱাৰ পাছৰে পৰা অসমক ৰাষ্ট্ৰীয় দলসমূহে কেৱল লুণ্ঠনৰাজ চলাই আহিছে।' প্ৰকৃত খিলঞ্জীয়া জনসাধাৰণৰ মাজত সন্ত্ৰাস, নিৰ্যাতন চলাই জাতীয়তাবাদৰ আদৰ্শক অতি পৰিকল্পিতভাৱে হত্যা কৰি আহিছে। কিন্তু আজি সমগ্ৰ অসমবাসীয়ে এই ৰাষ্ট্ৰীয়তাবাদৰ পৰা মুক্ত হ'বলৈ ছয় পৃষ্ঠাত চাওক

## পশ্চিম কাৰ্বি আংলঙত ৰাইজে খেদিলে পৰিষদীয় সদস্যক



বিশেষ সংবাদদাতা

**খেৰণি, ২৪ মাৰ্চ ঃ** নিৰ্বাচনৰ বতৰতে পশ্চিম কাৰ্বি আংলং জিলাত উঠিল 'নো ৰোড-নো ভোট' ধ্বনি। এই ধ্বনিৰেই পাহাৰীয়া জিলাখনৰ নৱাইবিল অঞ্চলৰ বাসিন্দাসকলে আজি এজন পৰিষদীয় ছয় পৃষ্ঠাত চাওক

## বিজেপিৰ এশ প্লাছৰ সপোন সপোন হৈয়ে ৰ'ব ঃ মহিলাৰী

**দেৰগাঁও, ২৪ মাৰ্চ ঃ** 'ৰাজ্যখনত বিজেপিৰ অপশাসনত ৰাইজ অতিষ্ঠ হৈছে। অগপ-বিজেপি মিত্ৰজোঁটৰ বিৰুদ্ধে এতিয়া সৰ্বস্তৰৰ ৰাইজ স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছে। এইবাৰ অসমত কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটৰ চৰকাৰ হোৱাটো নিশ্চিত হৈ দেখা দিছে।' এই মন্তব্য প্ৰাক্তন কংগ্ৰেছ মন্ত্ৰী তথা নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ। খুমটাই সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী বিস্মিতা গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি ৰাঙলীটিং বাগিচা খেলপথাৰত এখন জনাকীৰ্ণ সভাত ভাষণ দি বৰদলৈয়ে শাসকীয় বিজেপিক

বিধানসভা নিৰ্বাচন ২০২১

তীব্ৰ সমালোচনা কৰে আৰু দলৰ পাঁচটা গেৰাণ্টিৰ কথা উল্লেখ কৰি কংগ্ৰেছ চৰকাৰ আহি আছে বুলি মন্তব্য কৰে। বিস্মিতা গগৈ এইবাৰ কেবিনেট মন্ত্ৰী হ'ব বুলি ব্যক্ত কৰি তেওঁ খুমটাইৰ বিজেপি বিধায়কজনে পৰাজয়ৰ আগজাননী পায়ে সমষ্টিটোত গুণ্ডাৰাজ তথা সন্ত্ৰাস চলোৱাৰ অভিযোগ তোলে। জিলা কংগ্ৰেছৰ মুখপাত্ৰ দিগন্ত বাইলুং আৰু নৰ্থ ব্লক কংগ্ৰেছৰ সম্পাদক লাচিত বৰাই আঁত ধৰা সভাত বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে ভাষণ দি বিজেপিক তুলাধুনা দি কয়, 'বিজেপি-এজিপিয়ে হানড্ৰেড ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



# ওদালগুৰিৰ মাজবাটত বিপিএফ প্ৰাৰ্থীৰ প্ৰচাৰ সভাত আজমল

# হিমন্ত-সৰ্বানন্দৰ দৰে সাম্প্ৰদায়িক মানুহ নালাগে



মন্ত্ৰী তথা প্ৰাৰ্থী নৱ কুমাৰ দলেৰ সমৰ্থনত ঢকুৱাখনাত আত্মসহায়ক গোটৰ সদস্যৰ বিজেপিত যোগদান, বুধবাৰে।

বিশেষ সংবাদদাতা

**ওদালগুৰি, ২৪ মাৰ্চ ঃ** 'এইবাৰ আমি সকলো এক হৈছো। গতিকে বিজেপিৰ দৰে সাম্প্ৰদায়িক দলৰ এইবাৰ স্থান নাই। বিজেপি এইবাৰ আউট হৈ যাব। আমাক শান্তি-প্ৰগতিৰে ভৰা এখন সুস্থিৰ অহিংস সমাজ লাগে। হিমন্ত-সৰ্বানন্দৰ দৰে সাম্প্ৰদায়িক মানুহ আমাক নালাগে।' এই মন্তব্য বদৰুদ্দিন আজমলৰ। এআইইউডিএফৰ সভাপতিজনে আজি ওদালগুৰি জিলাৰ মাজবাট বিধানসভা সমষ্টিৰ মহাজোঁটৰ বিপিএফ প্ৰাৰ্থী চৰণ বড়োৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। সমষ্টিটোৰ বালুচন্দা খেলপথাৰত আয়োজিত সভাখনত আজমলে মহাজোঁটৰ প্ৰাৰ্থী বড়োক ভোটদান কৰিবলৈ আহ্বান জনাই কয় যে এইবাৰ কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটেই চৰকাৰ গঠন কৰিব। বিয়লি অনুষ্ঠিত সভাখনত বিপিএফৰ প্ৰাৰ্থী বড়োৱে কয়, 'পূৰ্বৰ তুলনাত এইবাৰ ৰাইজৰ উছাহ অধিক হৈছে। ৰাইজে মহাজোঁটৰ প্ৰাৰ্থীক ভোটদান কৰাৰ বাবে অপেক্ষা কৰি আছে। বিগত দিনবোৰত সমষ্টিটোত বিপিএফ বিধায়ক হৈ মই ৰাইজৰ যথেষ্ট আশা-আকাংক্ষা পূৰণ কৰিবলৈ সক্ষম হৈছো। অনাগত দিনত আমি পুনৰ ৰাইজৰ হৈ কাম কৰি যাম।' এআইইউডিএফৰ নেতা আদিত্য লাংথাছাই নিজৰ ভাষণত কয়, 'বিজেপি দলটোৱে ছয় পৃষ্ঠাত চাওক

## মৰাণ, মাহমৰা, থাওৰা, টিংখঙত কংগ্ৰেছৰ জয়ৰ দাবী চাহ মজদুৰ সংঘৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৪ মাৰ্চ ঃ** অহা ২৭ মাৰ্চত হ'বলগীয়া বিধানসভা সমষ্টি নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত অসম চাহ মজদুৰ সংঘই দাবী কৰিছে যে চাহ বাগিচাৰ শ্ৰমিকসকল এতিয়া কংগ্ৰেছ দললৈ বিপুল সঁহাৰি জনাইছে। অসম চাহ মজদুৰ সংঘৰ কোষাধ্যক্ষ তথা মৰাণ শাখা চাহ মজদুৰ সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে এক প্ৰেছ বাৰ্তা যোগে জনোৱা মতে, ২০১৬ত

বিধানসভা নিৰ্বাচন ২০২১

পৰিৱৰ্তনৰ দোহাই দি বিজেপি দলে চাহ শ্ৰমিকসকলক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰা, চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰি ৩৫১ টকালৈ বৃদ্ধি কৰা আৰু চাহ শ্ৰমিক ৰাইজক ভূমি পট্টা প্ৰদান কৰাৰ প্ৰতিশ্ৰুতিৰে চাহ শ্ৰমিকসকলৰ ভোট হস্তগত কৰি চৰকাৰ গঠন কৰিছিল। কিন্তু চৰকাৰখনৰ কাৰ্যকালৰ পাঁচ বছৰতো এটাও প্ৰতিশ্ৰুতি পূৰণ ছয় পৃষ্ঠাত চাওক

## টিহুত বিজেপি মিত্ৰজোঁটৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

অগ্ৰদূত বাৰ্তা

**টিহু, ২৪ মাৰ্চ ঃ** 'বিজেপিয়ে ক্ষমতা লাভৰ বাবে ৰাজনীতি নকৰে, বৰঞ্চ উন্নয়নতহে গুৰুত্ব দিয়ে।' ভাৰতীয় যুৱ মৰ্চাৰ অসম ৰাজ্যিক সমিতিৰ সভাপতি অনুপ বৰ্মনে আজি টিহুত এইদৰে কয়। আজি টিহু নগৰত বিজেপি মিত্ৰজোঁটৰ এটি নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি পাটাছাৰকুছি সমষ্টিৰ বিজেপিৰ প্ৰভাৰী বৰ্মনে আক্ষেপেৰে কয় যে ভাৰতবৰ্ষৰ স্বাধীনতাৰ পাছৰে পৰাই পাটাছাৰকুছি সমষ্টি উন্নয়নৰ দিশত পিছপৰি আছে। এই ক্ষেত্ৰত তেওঁ পূৰ্বৰ ছয় পৃষ্ঠাত চাওক

## পাটাছাৰকুছি সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থীৰ প্ৰচাৰ

বিশেষ সংবাদদাতা

**পাঠশাল, ২৪ মাৰ্চ ঃ** পাটাছাৰকুছি সমষ্টিত আজি কংগ্ৰেছ প্ৰাৰ্থী শান্তনু শৰ্মাই ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। আজি তেওঁ সমষ্টিটোৰ কাঠলমুৰী, বৈটামাৰী, ভোটেপোৰাবড়ী, নিত্যানন্দ আদিত কে'বাখনো ছয় পৃষ্ঠাত চাওক

## ১০ খন পথ সভাত অংশগ্ৰহণ কংগ্ৰেছ প্ৰাৰ্থীৰ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট/ঘগ্ৰাপাৰ, ২৪ মাৰ্চ ঃ** নলবাৰী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুত ভূঞাই আজি সমষ্টিটোৰ অন্তৰ্গত ঘগ্ৰাপাৰ ব্লকৰ দেহাৰকুছি গাঁও পঞ্চায়তত ১০ খন পথ সভাত অংশগ্ৰহণৰ লগতে মটৰ চাইকেল সমদল উলিয়ায়। এই পথ সভাসমূহৰ মাজতে প্ৰাৰ্থীজনে বিভিন্ন পৰিয়ালৰ গৃহলৈ গৈ জ্যেষ্ঠসকলৰ স'তে মত-বিনিময় কৰাৰ লগতে আশীৰ্বাদ লয়। তেওঁ আজি পূৰ্ণ কামদেৱ, দেহাৰকুছি মনসা মন্দিৰ, লৰমা বটাকুছি অঞ্চলৰ বিভিন্ন ঠাইৰ কে'বাখনো পথসভাত অংশগ্ৰহণ কৰে। তেওঁ কয় যে বিজেপিয়ে ভাল দিনৰ, পৰিৱৰ্তনৰ, জাতি-মাটি-ভেটিৰ কথা কৈছিল যদিও এটাও প্ৰতিশ্ৰুতি পূৰণ কৰিব নোৱাৰিলে।

## আজিৰে পৰা বজালীৰ দুই সমষ্টিত পোষ্টেল বেলট যোগে ভোট গ্ৰহণ

বিশেষ সংবাদদাতা

**পাঠশালা, ২৪ মাৰ্চ ঃ** নৱগঠিত বজালী জিলাৰ পাটাছাৰকুছি আৰু ভৱানীপুৰ সমষ্টিত কাইলৈৰ পৰা জৰুৰী সেৱাৰ স'তে জৰিত, ৮০ বছৰৰ ঊৰ্দ্ধৰ নাগৰিক আৰু অন্যধৰণে সক্ষম লোকৰ বাবে ঘৰে ঘৰে গৈ নিৰ্বাচনী বিষয়াই গঠন কৰি দিয়া গোটে পোষ্টল বেলট যোগে ভোট গ্ৰহণ কৰিলে। আজি জিলা উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই এই কথা সদৰী কৰি কয় যে ভৱানীপুৰ সমষ্টিৰ বাবে ছটা আৰু পাটাছাৰকুছি সমষ্টিৰ বাবে পাঁচটা গোট গঠন কৰা হৈছে। কাইলৈৰ পৰা ছয় পৃষ্ঠাত চাওক

## অসমত শান্তি-সম্প্ৰীতি বজাই ৰখাটোৱে কংগ্ৰেছৰ লক্ষ্য ঃ গৌৰৱ

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২৪ মাৰ্চ ঃ** নিৰ্বাচনলৈ মাজত মাত্ৰ দুটা দিন থকাৰ সময়তে ৰাজ্যত আৰু বেছি তুংগত হৈ পৰিছে নিৰ্বাচনী প্ৰচাৰ। দেৰগাঁও সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী বাণী হাজৰিকাৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে সাংসদ গৌৰৱ গগৈয়ে। পশ্চিম যোৰহাটৰ ঢেকেলীয়া খেলপথাৰত অনুষ্ঠিত সভাখনত সাংসদ গগৈয়ে কয়, 'মানুহে এতিয়াৰ পৰাই কংগ্ৰেছে চৰকাৰ গঠন কৰিব বুলি ক'বলৈ আৰম্ভ কৰিছে। লগতে যোৰহাট, তিতাবৰ, টীয়ক, মৰিয়নি, দেৰগাঁও তথা যোৰহাট জিলাৰ সকলো সমষ্টিতে কংগ্ৰেছ দল জয়ী হ'ব বুলি কয়।' প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ অবিহনে কংগ্ৰেছ দল দুৰ্বল হোৱা নাই বুলি উল্লেখ কৰি তেওঁ কয়, 'অসমত শান্তি-সম্প্ৰীতি, ঐক্য বৰ্তাই ৰখাই এই দলটোৰ মূল লক্ষ্য। তৰুণ গগৈৰ দিনৰ ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ পুনৰ কাৰ্যকৰী হ'ব।' কংগ্ৰেছ চৰকাৰ গঠন হ'লে পুনৰ যুৱক-যুৱতীসকলক লেপটপ প্ৰদান কৰা হ'ব আৰু মাইক্ৰ'ফাইনেন্সৰ ঋণমুক্ত কৰিব, গাঁৱৰ মহিলাসকলক বিনামূলীয়া সূতা, তাঁতশাল দিয়া হ'ব বুলি তেওঁ কয়। প্ৰতি মাহে দুহেজাৰ টকা গৃহিণী মহিলাসকলে, বিনামূলীয়া ছয় পৃষ্ঠাত চাওক

## নগাঁও সমষ্টিত বিজেপি-কংগ্ৰেছৰ প্ৰচাৰ তুংগত

বিশেষ সংবাদদাতা

**নগাঁও, ২৪ মাৰ্চ ঃ** নগাঁও সদৰ সমষ্টিত বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তুংগত তুলিছে। বিজেপিৰ প্ৰাৰ্থী ৰূপক শৰ্মা আৰু কংগ্ৰেছৰ শান্তনু শৰ্মাই আজি সমষ্টিটোৰ বিভিন্ন ঠাইত প্ৰচাৰ অভিযান চলায়। বিজেপিৰ প্ৰাৰ্থীজনে আজি সমষ্টিটোৰ অন্তৰ্গত তুলসী দেউৰী, বুঢ়া গোসাঁই থান আৰু মহমৰীয়া অঞ্চলত প্ৰচাৰ চলায়। উক্ত প্ৰচাৰ অভিযানত প্ৰাৰ্থীজনক সংগ দিয়ে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁই, অভিনেতা যতীন বৰা, অনুসূচীত জাতি মৰ্চাৰ ৰাজ্যিক সভাপতি নৰাৰুণ মেধি আদিয়ে। প্ৰতিখন নিৰ্বাচনী সভাতে শৰ্মাই কয় যে কোনো অপশক্তিয়ে যাতে অসমৰ সভ্যতা, সংস্কৃতি ধ্বংস কৰিব নোৱাৰে তাৰ বাবে বিজেপি চৰকাৰে ব্যৱস্থা কৰিছে। মহিলাসকল যাতে অৰ্থনৈতিকভাৱে সবল হ'ব পাৰে তাৰ বাবে বিজেপিয়ে পদক্ষেপ গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। ভাষণ প্ৰসংগত এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমলৰ দৰে ব্যক্তিয়ে যাতে ছয় পৃষ্ঠাত চাওক

## দুধনৈত আঠ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ২,০৬,১৯৮ ভোটাৰে



অগ্ৰদূত বাৰ্তা

**দুধনৈ, ২৪ মাৰ্চ ঃ** অহা ছয় এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে গোৱালপাৰা জিলাৰ দুধনৈ বিধানসভা সমষ্টিত এইবেলি আঠগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। এই আঠগৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ২,০৬,১৯৮গৰাকী ভোটাৰে। ইয়াৰে ৰাভা জনগোষ্ঠীৰ ভোটাৰ আছে প্ৰায় ৫১ হেজাৰ, বড়ো জনগোষ্ঠীৰ ভোটাৰ প্ৰায় ৪৭ হেজাৰ, মুছলিম ভোটাৰ প্ৰায় ৪০ হেজাৰ, গাৰো ভোটাৰ প্ৰায় ২৭ হেজাৰ আৰু অন্যান্য ভোটাৰ আছে প্ৰায় ৪৪ হেজাৰ। এইবেলি নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীকেইগৰাকী হ'ল ক্ৰমে বিজেপিৰ শ্যামজিৎ ৰাভা, কংগ্ৰেছৰ প্ৰাৰ্থী যাদৱ স্বৰ্গীয়াৰী, জনতা দল ইউনাইটেডৰ দিগন্ত কুমাৰ ৰাভা, এন পি পিৰ মনোজ বসুমতাৰী, অসম ভূমিপুত্ৰ ঐক্যমঞ্চৰ অনিল ৰাভা, ভোটাৰ্ছ পাৰ্টি ইণ্টাৰনেছনেলৰ বৰজিৎ বড়ো, নিৰ্দলীয় প্ৰাৰ্থী দীপক কুমাৰ ৰাভা আৰু বাটছাৰাং জি মোমিন। এই আঠগৰাকী প্ৰাৰ্থীয়ে বৰ্তমান ব্যাপক ছয় পৃষ্ঠাত চাওক

## চাপত মিত্ৰজোঁট আৰু মহাজোঁট

## বটদ্ৰৱাত আঙুৰলতা-শিৱামণিৰ যুঁজৰ সম্ভাৱনা

বিশেষ সংবাদদাতা

**নগাঁও, ২৪ মাৰ্চ ঃ** অহা ২৭ মাৰ্চত প্ৰথম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিতব্য নগাঁও জিলাৰ ৮৪ নম্বৰ বটদ্ৰৱা বিধানসভা সমষ্টিত নিৰ্বাচনী যুঁজখন অতি আকৰ্ষণীয় হৈ পৰিছে। সমষ্টিটোত এইবাৰ বিজেপি প্ৰাৰ্থী বিধায়িকা আঙুৰলতা ডেকা আৰু কংগ্ৰেছৰ প্ৰাৰ্থী শিৱামণি বৰাৰ মাজত যুঁজ হোৱাৰ সম্ভাৱনা আছে। মুঠ ১,৬৫,৮০৮ গৰাকী ভোটাৰ থকা সমষ্টিটোত ৬০ শতাংশ মুছলমান ভোটাৰ আছে। এই ভোটাৰসকলেই সমষ্টিটোত একোগৰাকী প্ৰাৰ্থীৰ জয়-পৰাজয়ৰ নিৰ্ণায়ক ভূমিকা লৈ আহিছে। সংখ্যালঘু অধ্যুষিত বটদ্ৰৱা সমষ্টিত এইবাৰ এআইইউডিএফে দলীয় প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ পৰিৱৰ্তে কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটত চামিল হৈছে। এনে প্ৰেক্ষাপটত সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা বটদ্ৰৱাত বিজেপিৰ বাবে হৈ পৰিছে প্ৰত্যাহ্বান স্বৰূপ। কিন্তু বটদ্ৰৱা সমষ্টিটো কংগ্ৰেছক এৰি



দিয়া হেতুকে এআইইউডিএফ দলৰ প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱাৰ ক্ষোভতে দলটোৰ নেতা মতিউৰ ৰহমানে নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাত ধৰ্মীয় সংখ্যালঘু ভোটৰ বিভাজনৰ আশংকাত ভুগিছে কংগ্ৰেছ। ইপিনে, কংগ্ৰেছৰ পৰা টিকট নাপাই ক্ষুব্ধ হৈ পৰা সমষ্টিটোৰ প্ৰাক্তন বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী গৌতম বৰাই এইবাৰ কংগ্ৰেছৰ বিৰুদ্ধে মুকলিকৈ বিদ্ৰোহ কৰি দল ত্যাগ কৰাই নহয় কেবা হেজাৰ সমৰ্থকসহ বিজেপিত যোগদান কৰাত স্বাভাৱিকতেই কংগ্ৰেছ শিবিৰ দুশ্চিন্তাত ভুগিব লগা হৈছে। তৎসত্ত্বেও কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটে এইবাৰ যিকোনো প্ৰকাৰে বটদ্ৰৱা সমষ্টিটো নিজৰ দখললৈ আনিবলৈ সকলো ৰাজনৈতিক কৌশলেই অৱলম্বন কৰা পৰিলক্ষিত হৈছে। কংগ্ৰেছ প্ৰাৰ্থী শিৱামণি বৰাই সংখ্যালঘু ভোটাৰক আকৰ্ষিত কৰিবলৈ আপ্ৰাণ চেষ্টা চলোৱাৰ লগতে তেওঁৰ হৈ সংখ্যালঘু অধ্যুষিত অঞ্চলসমূহত সঘনাই নিৰ্বাচনী প্ৰচাৰ চলাই আছে। শিৱামণিৰ হৈ সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰ চলাইছে এআইচিচিৰ সাধাৰণ সম্পাদিকা তথা কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধী, এআইচিচিৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিং, এআইইউডিএফৰ ছয় পৃষ্ঠাত চাওক

Furthering Sustainable Business Environment For Enterprises

Emergency Credit Line Guarantee Scheme

An Aatmanirbhar Bharat Initiative



Scheme Amended For Maximising Coverage

Turnover limit removed

Borrowers with loan outstanding above ₹50 crore & up to ₹500 crore, in select sectors, with up to 30 Days Past Due, made eligible under the scheme, both fund based and non-fund based allowed

Validity date extended up to 31st March, 2021

davp 15423/13/0002/2021

MSMEs/Business Enterprises and MUDRA/Individual beneficiaries can seek help by visiting their Banks/NBFCs or log in to www.ncgtc.in

Department of Financial Services
Government of India

NCGTC

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ১১ চ'ত ১৪২৭ভাস্কৰাব্দ ২৫ মাৰ্চ ২০২১

# নিয়ন্ত্ৰণ কেতিয়া ?

যোৱা ১৮ মাৰ্চত সংবাদ মাধ্যমত প্ৰকাশ পোৱা অনুসৰি বিশ্বৰ সৰ্বাধিক প্ৰদূষিত ৩০ খন মহানগৰৰ ভিতৰত ২২ খনেই ভাৰতৰ। ৱৰ্ল্ড এয়াৰ কোৱালিটী ৰিপ'ৰ্ট (২০২০)ত প্ৰকাশিত তথ্য অনুসৰি ভাৰতত সৰ্বাধিক প্ৰদূষিত মহানগৰ পোৱা গৈছে। যোৱা কিছু বছৰ ধৰি ৰাজধানী দিল্লী বিশ্বৰ সৰ্বাধিক প্ৰদূষিত মহানগৰ হিচাপে অধ্যয়ন তথা সমীক্ষাসমূহত প্ৰকাশ পাই আহিছে। ছুইজাৰলেণ্ডৰ এটা সংস্থাই বিশ্বৰ ১০৬ খন দেশত চলোৱা সমীক্ষাত যি ৩০ খন সৰ্বাধিক প্ৰদূষিত মহানগৰৰ নাম উল্লেখ কৰা হৈছে, তাৰে ২২ খন মহানগৰ ভাৰতৰ। ইতিমধ্যে বায়ু প্ৰদূষণৰ ফলত ভাৰততেই সৰ্বাধিক সংখ্যক লোক ৰোগাক্ৰান্ত আৰু মৃত্যু হোৱা বুলিও প্ৰকাশ পাইছে। ভাৰতত প্ৰতি বছৰে ১৭ লাখ লোকৰ বায়ু প্ৰদূষণৰ বাবে হোৱা বিভিন্ন জটিল ৰোগত অকাল মৃত্যু হোৱাটো দেশবাসীৰ বাবে উদ্বেগজনক ঘটনা। বায়ু প্ৰদূষণৰ ফলত নগৰ-মহানগৰসমূহৰ বায়ু বিষাক্ত হৈ পৰে। উল্লেখ্য যে এখন মহানগৰৰ এয়াৰ কোৱালিটী ইণ্ডেক্স (এ কিউ আই) যদি এশৰ অধিক হয়, তেন্তে সেয়া ক্ষতিকাৰক; কিন্তু দিল্লী আদি মহানগৰসমূহৰ এ কিউ আই দুশ-তিনিশ হৈ থাকে আৰু সেয়ে ই অতি মাৰাত্মক। প্ৰদূষিত বায়ু সেৱনৰ ফলত সকলো বয়সৰে লোকৰ হাওঁফাওঁৰ ক্ষতি হয় আৰু ই হাওঁফাওঁৰ স্থায়ীভাৱে ক্ষতি কৰে। ইয়াৰ ফলত প্ৰদূষিত নগৰ-মহানগৰৰ বাসিন্দাসকল নানান ৰোগত আক্ৰান্ত হয়। আনকি সুস্বাস্থ্যৰ অধিকাৰী সকলো ৰোগাক্ৰান্ত হৈ পৰে। ধূমপান নকৰা লোকৰো প্ৰতিদিনে কে'বা ডজন চিগাৰেট সেৱন কৰাৰ সমানেই হাওঁফাওঁৰ ক্ষতি হয়। প্ৰদূষিত বায়ুৰে হাওঁফাওঁত যিসমূহ ৰোগ সৃষ্টি কৰে, সেইসমূহৰ ভিতৰত আনকি কৰ্কট ৰোগৰ দৰে জটিল ৰোগো আছে। অতি সহজে বিভিন্ন ভাইৰাছে হাওঁফাওঁত আক্ৰমণ কৰে। প্ৰদূষিত বায়ু সেৱন কৰি থকাসকল সহজেই নিউমোনিয়াৰ দৰে জটিল ৰোগৰ চিকাৰ হ'বলগীয়া হয়। ভাৰতৰ মহানগৰসমূহৰ বায়ু প্ৰদূষণ সৰ্বাধিক হোৱাৰ কাৰণ কি? বিশেষকৈ যান-বাহনৰ সংখ্যা বৃদ্ধি, যান-বাহনসমূহত পেট্ৰ'ল-ডিজেলৰ ব্যৱহাৰ, চি এন জিৰ প্ৰচলন কম হোৱা, পুৰণি গাড়ী বা যান-বাহন চলাই থকা, পুৰণি প্ৰযুক্তিৰে নিৰ্মিত যান-বাহন, বায়ু প্ৰদূষণৰ সন্দৰ্ভত জনসাধাৰণৰ সজাগতাৰ অভাৱ নাইবা জানিও প্ৰদূষণ হ্ৰাস বা নিয়ন্ত্ৰণত গুৰুত্ব নিদিয়া, পুৰণি প্ৰযুক্তিৰ কল-কাৰখানা, ইটা ভাটা, নৰা বা খেৰ জ্বলোৱা, বিভিন্ন ক্ষেত্ৰত কয়লাৰ ব্যাপক ব্যৱহাৰ আদিৰ বাবে ভাৰতত বায়ু প্ৰদূষণ সৰ্বাধিক হোৱা বুলি ক'ব পাৰি। ভাৰতত গ্ৰীণ এনাৰ্জী বা সেউজ ইন্ধনৰ ব্যৱহাৰ অতি সামান্য। আনকি তুলনামূলকভাৱে কম প্ৰদূষণকাৰী চি এন জিৰ ব্যৱহাৰ অতি কম দেখা যায়। নগৰ-মহানগৰসমূহত মেট্ৰ' ৰেলৰ ব্যৱস্থা গঢ়ি উঠা নাই। মেট্ৰ' ৰেলৰ ব্যৱহাৰে বায়ু প্ৰদূষণ বহুখিনি হ্ৰাস কৰিব পাৰে। বিদ্যুৎ চালিত বাছ, যান-বাহনৰ প্ৰচলন অতি কম। চৰকাৰে বিদ্যুৎ চালিত যান-বাহন নিৰ্মাণত সময়মতে গুৰুত্ব দিয়া হ'লে বৰ্তমানৰ পৰিস্থিতি সৃষ্টি নহ'লহেঁতেন। সৌৰ শক্তিৰ ব্যৱহাৰ, বায়ুক বিদ্যুৎ উৎপাদনৰ বাবে ব্যৱহাৰৰ ক্ষেত্ৰতো ভাৰত অতি পিছপৰি আছে। গ্ৰীণ এনাৰ্জীৰ ভিতৰত অন্যতম হ'ল পৰমাণু শক্তিৰ সহায়েৰে শক্তি উৎপাদন। এই ক্ষেত্ৰত ভাৰতে ৰাছিয়াৰ সহায়ত তামিলনাডুৰ কাঞ্চিপুৰমত কল্পকামত পৰমাণু শক্তি উৎপাদন কেন্দ্ৰ স্থাপন কৰিছে। পৰমাণু শক্তিৰ ব্যৱহাৰ কৰি বিদ্যুৎ উৎপাদনৰ ফলত প্ৰদূষণ সৃষ্টি হ'ব নোৱাৰে; কিন্তু প্ৰদূষণ সৃষ্টি নহ'লেও পৰমাণু শক্তি কেন্দ্ৰক লৈ বহুতে বিপদৰ আশংকাও কৰে। সেয়ে ইয়াৰ ব্যাপক ব্যৱহাৰ কাম্য নহয়; কিন্তু সৌৰ শক্তি, বায়ু আদিৰ ব্যৱহাৰ প্ৰদূষণমুক্ত আৰু বিপদমুক্ত। ইতিমধ্যে বিশ্বৰ উন্নত দেশসমূহে প্ৰধানকৈ বিদ্যুৎচালিত যান-বাহন নিৰ্মাণত গুৰুত্ব দিছে আৰু এই যান-বাহনসমূহৰ বহুল ব্যৱহাৰ দেখা গৈছে। অহা ১৫-২০ বছৰৰ ভিতৰত প্ৰদূষণকাৰী পেট্ৰ'ল-ডিজেলৰ ঠাইত বিদ্যুৎ চালিত যান-বাহনহে এই দেশসমূহত দেখা যাব।

প্ৰদূষণমুক্ত ইন্ধনৰ ব্যৱহাৰ, প্ৰদূষণমুক্ত যান-বাহন নিৰ্মাণ, বিদ্যুৎ চালিত যান-বাহন নিৰ্মাণ আদিৰ ক্ষেত্ৰত ভাৰত আজিও বহুদূৰ পিছুৱাই আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিদ্যুৎ চালিত যান-বাহন নিৰ্মাণ আৰু ব্যৱহাৰত গুৰুত্ব দিছে যদিও এনে যান-বাহন নিৰ্মাণত ব্যক্তিগত খণ্ডক উৎসাহিত কৰিব নোৱাৰিলে সেউজ শক্তি বা প্ৰদূষণমুক্ত শক্তিৰ ব্যৱহাৰ আশা কৰা মতে দেখিবলৈ পোৱা নাযাব। চৰকাৰে এই ক্ষেত্ৰত নতুন প্ৰযুক্তি আৰু বিদ্যুৎ চালিত যান-বাহন নিৰ্মাণকাৰীসকলক কৰ ৰেহাই আদি ব্যৱস্থাৰে উৎসাহিত কৰিব লাগিব। বিদ্যুৎ চালিত যান-বাহন নিৰ্মাণকাৰী বিদেশী উদ্যোগ প্ৰতিষ্ঠানক ভাৰতে আমন্ত্ৰণ কৰি অনাৰো নিশ্চয় প্ৰয়োজন আছে। শেহতীয়াভাৱে কেন্দ্ৰীয় চৰকাৰে পুৰণি চৰকাৰী তথা বেচৰকাৰী যান-বাহন, বাণিজ্যিক আৰু ব্যক্তিগত যান-বাহনসমূহ নিষিদ্ধ কৰা নাইবা জৰিমনাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ ২০ বছৰৰ পুৰণি বাণিজ্যিক বাহন আৰু ১৫ বছৰৰ পুৰণি ব্যক্তিগত বাহনসমূহ নিষিদ্ধ কৰাৰ বিধি-নিয়ম ঘোষণা কৰা হৈছে। উল্লেখ্য যে পুৰণি যান-বাহনে নতুন যান-বাহনতকৈ ১০-১২ গুণ অধিক প্ৰদূষণ সৃষ্টি কৰে। চৰকাৰে আনকি ১৫ বছৰ পুৰণি গাড়ী ত্যাগ কৰি নতুন গাড়ী কিনাসকলক পাঁচ শতাংশ কৰ ৰেহাই দিয়া হ'ব বুলিও কৈছে। প্ৰতি বছৰে গাড়ীৰ অনুমতিপত্ৰ নবীকৰণৰ সময়ত অযোগ্য হৈ পৰা পুৰণি গাড়ীসমূহ চিনাক্ত কৰি অতিৰিক্ত কৰ নাইবা নিষিদ্ধৰ ব্যৱস্থা কৰা হ'ব বুলি কোৱা হৈছে যদিও ইয়াতো অনিয়ম বা দুৰ্নীতি নহ'ব তাৰ কোনো নিশ্চয়তা নাই। অৱশ্যে চৰকাৰৰ এনে কঠোৰ নীতিক জনতাই আদৰণি জনাইছে আৰু আশা কৰা হৈছে যে প্ৰদূষণ নিয়ন্ত্ৰণত এই নীতিয়ে যথেষ্ট সহায় কৰিব। ভাৰতৰ নগৰ-মহানগৰসমূহ বিশ্বৰ ভিতৰতে সৰ্বাধিক প্ৰদূষিত আৰু বায়ু প্ৰদূষণৰ ফলত ভাৰতত সৰ্বাধিক সংখ্যক লোকৰ মৃত্যুৰ দৰে ঘটনাৰ অৱসান বিচাৰিছে দেশবাসীয়ে। গোলকীয় তাপমাত্ৰ বৃদ্ধি আৰু জলবায়ুৰ পৰিৱৰ্তনতো ভাৰতৰ প্ৰদূষণে নেতিবাচক ভূমিকা লৈ আহিছে। প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ভাৰতে কি ভূমিকা লয়, তাৰ প্ৰতি সমগ্ৰ বিশ্বই নিশ্চিতভাৱে লক্ষ্য কৰিব।

## খোলা মঞ্চ

# আপুনি এইবাৰ কেনে ধৰণৰ চৰকাৰ বিচাৰে ?



**ৰমিছা বেগম,** *লেখিকা*

**ভাৰতবৰ্ষ** হ'ল বিশ্বৰ ভিতৰত বৃহৎ গণতান্ত্ৰিক দেশ। গণতন্ত্ৰত ৰাইজেই ৰজা। সমন্বয় আৰু সম্প্ৰীতিৰ মাজেদি গঢ় লোৱা জাতিয়ে হ'ল অসমীয়া জাতি। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত হিন্দু, মুছলমান, শিখ, জৈন, বৌদ্ধ, খ্ৰীষ্টান, জাতি-জনজাতি আদি সম্প্ৰদায়ৰ অৱদান আছে। নিৰ্বাচনী বতৰত ৰাজনৈতিক দলৰ সৰহ-সংখ্যক নেতাই ধৰ্মনিৰপেক্ষতাৰ বেদীত সাম্প্ৰদায়িক নিৰ্বাচনী প্ৰচাৰ চলাই আছে। ক্ষমতা খঁকুৱা ৰাজনৈতিক নেতাসকলে সমন্বয়ৰ মাজত হিন্দু-মুছলমানৰ নাম লৈ বিচ্ছিন্নতা আৰু বিভেদৰ বীজ সুমুৱাই দি আছে।

আমি সাধাৰণ ৰাইজে ভালকৈ বুজি পাইছো যে ৰাজনৈতিক দলবোৰে ভোটৰ বাবেই সমাজখনক ধৰ্মৰ নামত ভাগ ভাগ কৰি আহিছে। যিটো আমাৰ কাম্য নহয়। আমি কল্যাণকামী চৰকাৰ এখন বিচাৰো। যিখন চৰকাৰে আমাৰ জাতীয় সমস্যাসমূহ আন্তৰিকতাৰে উপলব্ধি কৰি সমাধানৰ সূত্ৰ উলিয়াব, তেনে এখন চৰকাৰেই আমি বিচাৰো। আমি এনে এখন চৰকাৰ বিচাৰো যি চৰকাৰে অসমবাসীৰ আৱেগ- অনুভূতিক গুৰুত্ব সহকাৰে প্ৰাধান্য দিয়ে। শান্তি-সম্প্ৰীতিৰে থকাৰ বাবে এখন সুস্থ অসম গঢ়াত অৰিহণা যোগায়। এই বেলি নিৰ্বাচনী বতৰত টিকেট পোৱাৰ বাবে বোলে এচাম অযোগ্য প্ৰাৰ্থীয়ে আঠৰ পৰা ১০ কোটি টকা দিবলৈ প্ৰস্তুত হৈছে। টকা দি টিকেট লোৱা প্ৰাৰ্থীক আমি ভোট দি জয়যুক্ত কৰিলে, পিছলৈ তেওঁলোকে আমাক দিয়া প্ৰতিশ্ৰুতি পাহৰি মাথোঁ নিজৰ জেপ গৰম কৰাত ব্যস্ত থাকিব। গতিকে আমি আৱেগৰ বশৱৰ্তী নহৈ বিবেকেৰে যোগ্য প্ৰাৰ্থীক ভোট দি শাসনৰ গাদীত বহুৱাব লাগিব। তেতিয়াহে কল্যাণকামী চৰকাৰ এখন পাম।

**আমি এনে এখন চৰকাৰ বিচাৰো যি চৰকাৰে অসমবাসীৰ আৱেগ- অনুভূতিক গুৰুত্ব সহকাৰে প্ৰাধান্য দিয়ে**

*ফোন : ৯৪০১৯১৬৫৪৭*

# অসম বিধানসভাৰ নিৰ্বাচন-২০২১

# আমি কিয় ভোট দিব লাগে আৰু কাক ভোট দিম ?

## কোনোটো দলেই ৰাইজৰ আস্থাভাজন হৈ থাকিব পৰা নাই



**সোঁতৰ বিপৰীতে চিন্তা**

**প্ৰবীণ চৌধুৰী**

**বিৰোধী দলসমূহে বিজেপি দলৰ চৰকাৰখনক উৎখাত কৰাৰ যি হুংকাৰ দিছে, সি বিজেপিৰ পৰা অসমক বচোৱাৰ বাবে নহয়, যেনে তেনে প্ৰকাৰে নিজে ক্ষমতাত অধিষ্ঠিত হ'ব লাগে কাৰণেহে তেওঁলোকৰ ইমান চিঞৰ-বাখৰ আৰু লম্ফ-জম্ফ**

প্ৰথমতে আহো আমি কিয় ভোট দিব লাগে সেই প্ৰসংগলৈ। মৌলিক কথাটো হৈছে, এগৰাকী দায়িত্ববান নাগৰিক হিচাপে ভাৰতৰ সংবিধানে আমাক প্ৰদান কৰা অধিকাৰ আমি সাব্যস্ত কৰিব লাগে। নিৰ্বাচন আয়োগে নাগৰিকক ভোটদানত অংশগ্ৰহণ কৰাৰ বাবে উৎসাহ জনাই আহিছে। প্ৰশাসনেও নিৰ্বাচনৰ আগে আগে বাতৰি কাকতত প্ৰকাশ কৰা জাননী যোগে ৰাইজক 'গণতন্ত্ৰক শক্তিশালী কৰাৰ স্বাৰ্থত', 'সংবিধানে আমাক দিয়া অধিকাৰ সাব্যস্ত কৰাৰ বাবে' আৰু 'এক সবল গণতন্ত্ৰৰ ভেটি গঢ়ি তোলাৰ বাবে নিজৰ দায়িত্ব পালন কৰিবলৈ' কেন্দ্ৰসমূহলৈ গৈ নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। গুৰুত্বপূৰ্ণ কথাটো হৈছে জনপ্ৰতিনিধিৰ নিৰ্বাচনত সকলো ভোটদাতাই ভোটদান নকৰিলে সমষ্টিয়ে সমষ্টিয়ে প্ৰকৃত প্ৰতিনিধি নিৰ্বাচিত হোৱাটো সম্ভৱ নহয়। পছন্দৰ দল বা প্ৰাৰ্থী নাপালে অনেকেই ভোটদান কৰাৰ পৰা বিৰত থাকিব খোজে; কিন্তু ভোটদাতাৰ বাবে নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়োৱা কোনো দল অথবা কোনো গৰাকী প্ৰাৰ্থী পছন্দ নহ'লেও ভোটদাতাই ভোটদান কৰা উচিত। তেনে ক্ষেত্ৰত বেলট পেপাৰৰ শেষ শাৰীত 'নোটা' (নান অৱ দ্য এব'ভ) ছবিৰ বিপৰীতে বুটাম টিপাৰ সুবিধা আছে। ইয়াৰ দ্বাৰা ভোটদাতাই তেওঁ বাস কৰা সমষ্টিত নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ এগৰাকীও তেওঁৰ প্ৰতিনিধি হোৱাৰ যোগ্য নহয় বুলি মতদান কৰিব পাৰে। অৱশ্যে সমষ্টি এটাত 'নোটা' ভোট সংখ্যাগৰিষ্ঠ হ'লেও বিশেষ একো লাভ নহয়। কাৰণ দ্বিতীয় সংখ্যাগৰিষ্ঠতা পোৱা প্ৰাৰ্থীগৰাকী বিজয়ী ঘোষিত হ'ব। কোনো কোনো দেশত সমষ্টিটোৰ মুঠ ভোটদাতাৰ আধাতকৈ বেছি ভোটদাতাই 'নোটা'ৰ সপক্ষে ভোটদান কৰিলে সেই সমষ্টিটোৰ নিৰ্বাচন বাতিল কৰা হয়। আমাৰ দেশত ২০১৪ৰ লোকসভাৰ নিৰ্বাচনৰ পৰা 'নোটা' ভোটৰ ব্যৱস্থা কৰা হৈছে যদিও বোধহয় তেনে এটা নিয়ম এতিয়ালৈকে গ্ৰহণ কৰা হোৱা নাই। ইতিমধ্যে 'নোটা' সম্বন্ধে নাগৰিকৰ মাজত সচেতনতা যথেষ্ট বৃদ্ধি পাইছে। অধিক 'নোটা' ভোট পৰিলে এটা সময়ত আমাৰ দেশতো নিৰ্বাচনী বিধিত নিশ্চয় নতুন নিয়মৰ অন্তৰ্ভুক্তিৰ কথা চিন্তা কৰা হ'ব। গতিকে সকলো ভোটদাতাই নিজৰ সাংবিধানিক অধিকাৰ সাব্যস্ত কৰি নিৰ্বাচনত ভোটদান কৰাটো প্ৰয়োজনীয় কথা।

আজিৰ পৰা দুদিন পাছত, ২৭ মাৰ্চত, অসমত বিধানসভাৰ ১২৬ খন আসনৰ বাবে তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ প্ৰথমটো পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ক্ৰমে ২৭ মাৰ্চ, এক এপ্ৰিল আৰু ছয় এপ্ৰিলত তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত ক্ৰমে ৪৭, ৩৯ আৰু ৪০ খন আসনৰ বাবে নিৰ্বাচনৰ দিন ধাৰ্য কৰা হৈছে।

নিৰ্বাচনৰ দিন চমু চাপি আহিলে ভোটদাতাৰ মনত নানান প্ৰশ্নই ভুমুকি মাৰে। প্ৰথম প্ৰশ্নটো হৈছে, তেওঁ ভোট দিবলৈ যাব নে নাযায়? 'ভোট দিবলৈ নাযাওঁ' বুলি সিদ্ধান্ত গ্ৰহণ কৰিলে তেওঁৰ মনত ভোটকেন্দ্ৰিক দ্বিতীয় প্ৰশ্ন এটা উত্থাপিত নহয়; কিন্তু 'ভোট দিম বুলি' সিদ্ধান্ত গ্ৰহণ কৰাজনৰ মনত উত্থাপন হোৱা পাছৰটো প্ৰশ্ন হৈছে— 'কাক ভোট দিম?' ভোটদাতা এজনে কাক ভোট দিব, সেইটো তেওঁৰ নিজৰ আৰু ব্যক্তিগত কথা। কি কি দিশ চাই ভোটদানৰ বাবে তেওঁ দল বা প্ৰাৰ্থী বাছনি কৰিব সেইবোৰো প্ৰত্যেকৰ কাৰণে পৃথক পৃথক নিজৰ কথা। সমাজৰ নেতৃস্থানীয় লোকে ভোটদাতাই নিজ বিবেকৰ আহ্বান অনুযায়ী ভোট দিব লাগে বুলি কয়; কিন্তু সৰহভাগ ভোটদাতাই প্ৰধানকৈ আৱেগৰ ভিত্তিতেই ভোট দিয়ে। অৱশ্যে সম্পূৰ্ণভাৱে আৱেগবৰ্জিত হৈ কেৱল বিবেক-চালিত সিদ্ধান্ত গ্ৰহণ কৰাটো সম্ভৱ নহয়। তদুপৰি সাধাৰণ ভোটদাতাসকলে বিভিন্ন দলীয় প্ৰাৰ্থী আৰু দলসমূহৰ শীৰ্ষ নেতাৰ বিপৰীতধৰ্মী ভাষণবোৰ শুনি, সংবাদ মাধ্যমত সেইবোৰ পঢ়ি আৰু সেইবোৰৰ ওপৰত বিতৰ্ক শুনি যথেষ্ট বিভ্ৰান্ত হয়। তথ্যৰ আধিক্যয়ো মানুহক বিভ্ৰান্ত কৰে। গতিকে সাধাৰণ ভোটদাতাই ধীৰে-সুস্থিৰে ভাবি-চিন্তি ভোট দিয়াটো নহয়গৈ। স্থানীয়ভাৱে উঠা ঢৌৱেও অনেক ভোটদাতাক প্ৰভাৱান্বিত কৰে। তাৰ মাজতে বিশেষ দলৰ প্ৰতি থকা প্ৰীতি আৰু আনুগত্যৰ বাবে অনেক লোকে প্ৰাৰ্থীৰ গুণ-দোষ, অৰ্হতা আদিৰ বিচাৰ নকৰাকৈয়েই সেই সেই দলৰ প্ৰাৰ্থীকেই ভোট দিয়ে।

অৱশ্যে সংসদ, বিধানসভা আদিত আসনৰ সংখ্যাগৰিষ্ঠতাৰ ভিত্তিতহে চৰকাৰ গঠন কৰিব পৰা আমাৰ দলীয় গণতান্ত্ৰিক ব্যৱস্থাত প্ৰাৰ্থীৰ তুলনাত দলকহে প্ৰাধান্য দিয়াটো প্ৰয়োজনীয় কথা। অন্যথা সকলো ভোটদাতাই যদি নিজ পছন্দৰ প্ৰাৰ্থীক ভোট দিয়ে আৰু তাৰ ফলত সদন বা বিধানসভাত কোনো দল বা দল-সমষ্টিয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰে, তেন্তে নিৰ্বাচনৰ মূল উদ্দেশ্য আৰু লক্ষ্যত উপনীত হোৱাটো সম্ভৱ নহ'ব।

সেয়েহে নিৰ্বাচনত দল আৰু প্ৰাৰ্থীৰ বিচাৰৰ ক্ষেত্ৰত মোৰ পছন্দৰ কেন্দ্ৰবিন্দু এতিয়া প্ৰাৰ্থীৰ গুণগত মানতকৈ দলীয় স্থিতিলৈ স্থানান্তৰিত হৈছে। অৰ্থাৎ সুস্থিৰ চৰকাৰ গঠন কৰিব পৰা সম্ভাৱনাপূৰ্ণ দল এটাক বাছি লৈ প্ৰয়োজন হ'লে সেই দলৰ 'অযোগ্য' প্ৰাৰ্থীকো ভোট দিয়াৰ বাবে মানসিকভাৱে নিজকে প্ৰস্তুত কৰি লৈছো।

অনেকেই কোনোবা দল বা প্ৰাৰ্থীৰ ওপৰত খৰ্গহস্ত হৈ সেই দল তথা সেই দলৰ প্ৰাৰ্থীক পৰাজিত কৰাৰ মানসেৰে পছন্দৰ নহ'লেও আন দলৰ প্ৰাৰ্থীক ভোট দিয়ে। চৰকাৰ এখনৰ ওপৰত প্ৰতিষ্ঠান বিৰোধী ঢৌ উঠিলেও শাসনৰ নেতৃত্বত থকা দলটোক পৰাজিত কৰাৰ মানসেৰে আন দলৰ প্ৰাৰ্থীক ভোট দিয়ে। ২০১৬ত ভোটদাতাই অসমত যে বিজেপিক ভোট দি শাসনত বহুৱাইছিল, তাৰ



কাৰণ ৰাইজৰ বিজেপি প্ৰীতি নহয়, বৰঞ্চ কংগ্ৰেছ বিদ্বেষহে। কংগ্ৰেছৰ ১৫ বছৰীয়া শাসনৰ, বিশেষকৈ শেষৰ পাঁচ বছৰৰ 'অপশাসন'ত অতিষ্ঠ হৈ মানুহে কংগ্ৰেছ শাসনৰ ওৰ পেলাবলৈ বিজেপিক ভোট দিছিল।

অঞ্চল বিশেষে বিশেষ সম্প্ৰদায়ৰ কিছুমান দুৰ্বল শ্ৰেণীৰ লোকে ভোটদানৰ আগতে নিজৰ বিবেক আৰু আৱেগক মনলৈ অনাৰ সুযোগেই নাপায়। নানা কাৰণত তেওঁলোকে ভীতিগ্ৰস্ত হৈ স্থানীয় 'মাতব্বৰ'ৰ নিৰ্দেশত ভোট দিবলৈ বাধ্য হয়। সংখ্যালঘু বুলিলে সাধাৰণ লোকেও বুজি পোৱা বিশেষ ধৰ্মীয় সম্প্ৰদায়ৰ এই লোকৰ ক্ষেত্ৰত এনে মাতব্বৰিতাৰ প্ৰকোপ বেছি। ভোট বেংক বুলিলে সাধাৰণ মানুহে যি বুজে সেই বেংক এনে ধৰণৰ বিশেষ সম্প্ৰদায়ৰ লোকেৰে গঠিত। কংগ্ৰেছ দলে আৰম্ভ কৰা এই পৰম্পৰাৰে দলটোৱে অনেক সমষ্টিত নিৰ্বাচনী বৈতৰণী পাৰ কৰাৰ পাছত কিছু বছৰৰ পৰা সংখ্যালঘু সম্প্ৰদায়ৰ স্বাৰ্থত গঠন কৰা ৰাজনৈতিক দলেও সেই একেই পদ্ধতিৰে ভোট বেংক ব্যৱহাৰ কৰিছে। এতিয়াও সেই প্ৰথা কোনো কোনো অঞ্চলত চলিয়েই আছে।

নিৰ্বাচন সংক্ৰান্তীয় বিভিন্ন দিশৰ কথা চিন্তা কৰোতে অতি সম্প্ৰতি মোৰ বিচাৰত চৰকাৰৰ স্থিৰতা এটা গুৰুত্বপূৰ্ণ দিশ হিচাপে ধৰা দিছে। গতিকে মোৰ দৃষ্টিত স্থিৰ চৰকাৰ গঠন কৰাৰ ক্ষেত্ৰত যিটো দলৰে সম্ভাৱনা অধিক থকা যেন লাগে, সেই দলৰ প্ৰাৰ্থীকে ভোট দিবলৈ মই মনস্থ কৰিছো। বিজেপি-অগপ মিত্ৰজোঁটৰ মাজতেই মই সেই সম্ভাৱনা সৰ্বাধিক দেখিবলৈ পাইছো। অৰ্থাৎ এই নিৰ্বাচনত এই মিত্ৰজোঁটৰ দল দুটাই মোৰ প্ৰথম পছন্দৰ দল। ইয়াৰ লগতে আৰু দুটামান দিশে মোৰ এই সিদ্ধান্ত গ্ৰহণত অৰিহণা যোগাইছে। তাৰ ভিতৰত আছে—

১) যিটো ৰাজনৈতিক দলৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰ গঠন হৈছে, সেই একেটা দলৰ নেতৃত্বত ৰাজ্য চৰকাৰ গঠিত হ'লে, ৰাজ্যখনৰ প্ৰগতিৰ দিশে আগবাঢ়িবলৈ অধিক সুবিধা হয়। অসমৰ নিজাববীয়া আৰ্থিক অৱস্থা যিহেতু টনকিয়াল নহয় আৰু উন্নয়নৰ বাবে প্ৰয়োজন হোৱা ধনৰাশিৰ বাবে অসমে প্ৰধানকৈ কেন্দ্ৰৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হয়, গতিকে অসমৰ ক্ষেত্ৰত এই কথা অধিক প্ৰযোজ্য। কেন্দ্ৰ আৰু ৰাজ্যত একে দলৰ চৰকাৰ থাকিলে কেন্দ্ৰৰ পৰা বৃহৎ প্ৰকল্পৰ অনুমোদন আনিবলৈ, বিত্তীয় সাহায্য লাভ কৰিবলৈ আদি বিভিন্ন দিশত ৰাজ্যখনৰ স্থিতি বহু পৰিমাণে অধিক সুবিধাজনক হৈ পৰে। কেন্দ্ৰত অধিষ্ঠিত বৰ্তমানৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ কাৰ্যকাল ২০২৪ৰ মে'লৈ। এতিয়া নিৰ্বাচন যোগে অসমত গঠন হ'বলগীয়া বিধানসভাখনৰ কাৰ্যকাল থাকিব ২০২৬ৰ মে'লৈ। সেই হিচাপে অসমত পুনৰ বিজেপি নেতৃত্বাধীন চৰকাৰ গঠন হ'লে অসম লাভৱান্বিত হ'ব।

২) অসমৰ বৰ্তমানৰ চৰকাৰখনে অনেক স্কুল, কলেজ, অভিযান্ত্ৰিক মহাবিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, ভোকেচনেল ইঞ্চষ্টিটিউট, বিশ্ববিদ্যালয় আদিৰ স্থাপন, বৃহৎ বৃহৎ দলং, নানা ধৰণৰ আন্তঃগাঁথনিৰ নিৰ্মাণ আদিৰ দৰে ৰাজ্যখনত প্ৰগতিত প্ৰচুৰ অৱদান যোগাব পৰা অনেক কাম হাতত লৈছে। হাতত লোৱা প্ৰকল্পসমূহ সম্পূৰ্ণ কৰাৰ স্বাৰ্থত অসমত পুনৰবাৰ বিজেপি নেতৃত্বাধীন চৰকাৰ অধিষ্ঠিত হোৱাটো আৱশ্যক বুলি ভবাৰ থল আছে।

৩) সীমিত সংখ্যক আসনৰ বাবে নিৰ্বাচনত অংশগ্ৰহণ কৰা চি পি আই, চি পি এম, চি পি আই (এম এল), আঞ্চলিক গণ মৰ্চা আদি দলৰ প্ৰাৰ্থীক ভোট দি জয়যুক্ত কৰাৰ কোনো কাৰণ নাই। নিৰ্দলীয় প্ৰাৰ্থীৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। কাৰণ তেওঁলোকে নিজেতো চৰকাৰ গঠন কৰিবই নোৱাৰে, আন দলক চৰকাৰ গঠন কৰাৰ ক্ষেত্ৰতো সহায় কৰিব নোৱাৰে।

৪) অনেকেই বিচৰাৰ দৰে ময়ো অসমত আঞ্চলিক দলৰ চৰকাৰ হোৱা হ'লে ভাল পালোহেঁতেন; কিন্তু এ আই ইউ ডি এফ দল আঞ্চলিক দল হ'লেও অপ্ৰকাশ্য অথচ সকলোৰে বাবে স্পষ্ট কাৰণত অনেকে নিবিচৰাৰ দৰে ময়ো সেই দলৰ নেতৃত্বত চৰকাৰ হোৱাটো নিবিচাৰো। আনহাতে, অসম জাতীয় পৰিষদ দল আৰু ৰাইজৰ দলৰ মাজৰ মিত্ৰতাৰ স্বৰূপ দেখি, তেওঁলোকৰ বাবে অস্পৃশ্য দল ত্যাগ কৰি অহা নেতাকেই তেওঁলোকৰ দললৈ আদৰণি জনোৱাৰ ধুম দেখি আৰু তেওঁলোকৰ মাজত চৰকাৰ গঠন কৰাৰ বিন্দুমাত্ৰও সম্ভাৱনা নেদেখি দল দুটাৰ এটাকো ভোট দিয়াৰ কাৰণ মই বিচাৰি নাপাওঁ। আঞ্চলিক দল অগপৰ প্ৰতি থকা মোৰ অনুকম্পাও বিজেপি-অগপ মিত্ৰজোঁটৰ প্ৰতি হোৱা মোৰ আকৰ্ষণৰ এক অন্যতম কাৰণ।

৫) যিবোৰ কাৰণত ২০১৬ত ৰাজ্যখনত সেই সময়ত অধিষ্ঠিত কংগ্ৰেছ চৰকাৰখনক ক্ষমতাচ্যুত কৰাৰ প্ৰয়োজন হৈছিল, সেই একেবোৰ কাৰণতে বিধানসভাৰ আৰু এটা কাৰ্যকালৰ বাবে সেই দলটোক ক্ষমতাচ্যুত কৰি ৰখাটো বাঞ্ছনীয় বুলি ভবাৰ থল আছে।

৬) অসমত শাসনাধিষ্ঠিত বিজেপি নেতৃত্বাধীন চৰকাৰখনে ২০১৬-২০২১ সময়ছোৱাত ৰাজ্যখনৰ প্ৰগতি আৰু ৰাজ্যবাসীৰ কল্যাণৰ কাৰণে একো কৰা নাই বুলি চৰকাৰখনক ক্ষমতাচ্যুত কৰাৰ পৰিস্থিতি এটাৰ সৃষ্টি হোৱা নাই। আনহাতে, চৰকাৰখনে ইমান এনে কোনো বেয়া কাম কৰা নাই, যাৰ কাৰণে যেনে-তেনে প্ৰকাৰে চৰকাৰখনক পুনৰ ক্ষমতালৈ অহাটো ৰোধ কৰিব লাগে। কেৱল 'কা' প্ৰণয়ন কৰাৰ বাবে একাংশ অসমীয়াই বিজেপিক শত্ৰু জ্ঞান কৰিলেও সকলো অসমীয়াই আৰু অসমৰ আন অসমবাসীয়ে 'কা'ৰ বিৰোধিতা কৰা নাই। গতিকে তেওঁলোকে বিজেপিক শত্ৰু জ্ঞান কৰা নাই।

৭) বিৰোধী দলসমূহে বিজেপি দলৰ চৰকাৰখনক উৎখাত কৰাৰ যি হুংকাৰ দিছে, সি বিজেপিৰ পৰা অসমক বচোৱাৰ বাবে নহয়, যেনে তেনে প্ৰকাৰে নিজে ক্ষমতাত অধিষ্ঠিত হ'ব লাগে কাৰণেহে তেওঁলোকৰ ইমান চিঞৰ-বাখৰ আৰু লম্ফ-জম্ফ।

৮) দেখাত বিশেষ উৎসাহজনক যেন নালাগিলেও বৰ্তমানৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ আমোলত গ্ৰহণ কৰা সিদ্ধান্তসমূহ আৰু সামগ্ৰিক স্থিতি মোৰ দৃষ্টিত পূৰ্ববৰ্তী তিনিখন কংগ্ৰেছ চৰকাৰৰ আমোলাত গ্ৰহণ কৰা স্থিতিৰ তুলনাত অধিক উৎসাহজনক।

কিন্তু এনে নহয় যে বিজেপি দল ধোৱা তুলসীৰ পাত। আচলতে ৰাজনৈতিক ক্ষেত্ৰখনত যেনে ধৰণৰ মূল্যবোধৰ অৱক্ষয় হৈছে, কোনোটো দলেই ৰাইজৰ সন্মানৰ দল হৈ থকা নাই, কোনোটো দলেই ৰাইজৰ আস্থাভাজন হৈ থাকিব পৰা নাই। আনহাতে, চলিত গণতান্ত্ৰিক প্ৰক্ৰিয়াত নিৰ্বাচনৰ মাধ্যমেৰে চৰকাৰ গঠন কৰাৰ বাহিৰে আন কোনো বিকল্প নাই। গতিকে 'মন্দৰ মধ্যে ভাল' হিচাপে বিজেপি-অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থীকে ভোট দি সুস্থিৰ চৰকাৰ এখন গঠন কৰাৰ মই পক্ষপাতী।

*ফোন : ৮১৩৫৮৪৮৬২৩*

# মানসিক অৱসাদে যেতিয়া আৱৰি ধৰে

## জীৱনৰ বাট ভবাৰ দৰেই মসৃণ নহয়



**অৱলোকন**

**চাইৰা ইছলাম বড়া**

**দৈনন্দিন** জীৱনশৈলীৰ ধামখুমীয়াত অতিমাত্ৰা ব্যস্ততাৰ বাবেই মানুহবোৰ যেন এটি এটি যন্ত্ৰত পৰিণত হৈছে। জটিল সময়ৰ পাকচক্ৰত অতিৰিক্ত মানসিক চাপত পৰি বেছিভাগ লোকৰে মনবোৰ ভাৰাক্ৰান্ত। সময়ৰ আহ্বানত উপৰ্যুপৰি কৰা কামৰ বোজাইও প্ৰতিজন ব্যক্তিকে মানসিক অৱসাদত খন্তেকৰ বাবে হ'লেও ব্যথিত কৰি তোলে। কৰ্মব্যস্তময় জীৱনত জিৰণি লোৱাৰো যেন অৱকাশ নাই। পূৰ্বৰ তুলনাত বৰ্তমান সময়ৰ প্ৰতিটো মুহূৰ্তই আমাক অধিক উদ্বিগ্ন কৰি ৰাখে। বহু ক্ষেত্ৰত এই উদ্বিগ্নতাৰ কাৰণ চৌপাশৰ উচ্ছৃংখল পৰিৱেশ। কৰ'না মহামাৰীৰ আতংকইও মুক্ত বাতাবৰণ বিনষ্ট কৰিছে। পাৰিপাৰ্শ্বিক পৰিৱেশৰ সমস্যাবহুল জীৱনশৈলীত ধৰাশায়ী হৈছে আমাৰ মন-মগজু। মহামাৰীৰ আতংকত কিছুদিনৰ আগতে জনশূন্য হৈ পৰা বাট-পথত এতিয়া অগণন লোকৰ ভিৰ। ৰাজপথত লানি নিছিগা গাড়ীৰ সোঁত। ব্যস্ততাৰ যেন অন্ত নাই। বস্তুবাদী সমাজৰ প্ৰতিযোগিতামূলক খাম-খেয়ালিৰ বশৱৰ্তী হৈ অত্যধিক মানসিক চাপ সহিব নোৱাৰি বহুজনে নিজৰ স্থিতি হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। ভাগৰুৱা দেহ-মনবোৰে সঠিক সিদ্ধান্ত ল'ব নোৱাৰি বিবুদ্ধিত পৰে। যিকোনো ধৰণৰ কামৰ বাবে মন আৰু শৰীৰৰ সমন্বয় খুবেই প্ৰয়োজন। দেহ-মন দুয়োটাকে সুস্থ ৰাখিব পাৰিলেহে কঠিন কামো সহজ হৈ পৰে। পৰিস্থিতি সাপেক্ষে মানসিক অৱসাদৰ মাত্ৰাই সীমা চেৰাই গ'লে জীৱনলৈ গভীৰ বিপৰ্যয় নামি আহে। সেয়ে সমস্যাবহুল জীৱনৰ বহু ঘটনা-পৰিঘটনা সহজভাৱে লৈ উচিত সময়লৈ অপেক্ষা কৰাটোহে উত্তম উপায়। জীৱনত নানান ধৰণৰ আলৈ-আহুকালৰ মাজেদি সকলোৰে বাট বুলিবলগীয়া হয়। জীৱনৰ বাট ভবাৰ দৰেই মসৃণ নহয়। আপদ-বিপদসমূহক হেলাৰঙে অতিক্ৰম কৰি শৃংখলাবদ্ধ জীৱন অতিবাহিত কৰিবলৈ হ'লে বাটৰ কাষৰ কাঁইট আঁতৰাবলৈ নিজস্ব চেষ্টা আৰু সঠিক বুদ্ধি প্ৰয়োগৰ প্ৰয়োজন। দৃঢ় মনোবল আৰু ইতিবাচক ইচ্ছাশক্তিৰ বলত জীৱশ্ৰেষ্ঠ মানুহে যিকোনো অসাধ্য সাধন কৰিব পাৰে। এটি সুশৃংখল শান্তিৰ জীৱন সকলোৰে কাম্য হ'লেও অনিশ্চিত ভৱিষ্যতৰ দিশত কি আছে, কোনেও নাজানে। বহু ক্ষেত্ৰত সঠিকভাৱে উপযুক্ত সময়ত দায়িত্ব পালন কৰিব নোৱৰা আলস্য স্বভাৱৰ বহু লোকেও সহজতেই মানসিক অৱসাদৰ চিকাৰ হ'বলগীয়া হয়। হতাশগ্ৰস্ত মনে সকলোতে অৰুচি আনে।

যোৱাটো বছৰ অভাৱনীয়ভাৱে সন্মুখীন হোৱা কৰ'না কালৰ দুৰ্বিষহ জীৱনৰ এটি এটি ক্ষণ আতংকত পাৰ কৰাৰ পাছত মনৰ উৎসাহ-উদ্দীপনাবোৰ পূৰ্বৰ তুলনাত বহু পৰিমাণে ম্লান পৰিল। মুকলি মনবোৰত ভয়-শংকাই বাৰুকৈয়ে থিতাপি ল'লে। পূৰ্ব প্ৰস্তুতি নথকাকৈয়ে হঠাতে কঠিন বাস্তৱৰ সন্মুখীন হৈ বহু লোকৰ মনৰ সন্তুলন দুৰ্বল হৈ পৰিল। তলাবন্ধই কোঙা কৰি পেলোৱা তিক্ত সময়ৰ নিঃসংগতা আৰু গভীৰ হতাশাৰ বেদনা সহিব নোৱাৰি ইতিমধ্যে ভিন্ন বয়সৰ বহুজন লোকক আমি অকালতে হেৰুৱাবলগীয়া হ'ল। মনৰ ওপৰত কাৰো দমন নচলে, কিন্তু সেই শিহৰণকাৰী পৰিৱেশৰ প্ৰভাৱৰ বাবেই আজিও অকাৰণ উদাসীনতাই মনবোৰ উদ্বিগ্ন কৰি ৰাখে। দুৰ্বল মনবোৰলৈ পূৰ্বৰ উৎসাহ-উদ্দীপনা ঘূৰি আহিবলৈ হয়তো আৰু কিছু সময়ৰ প্ৰয়োজন হ'ব। তেনে ঘটনাৰ পুনৰাবৃত্তিৰ আশংকাত পদে পদে জীৱনৰ নিৰাপত্তাত আজিও ত্ৰস্তমান সকলো। কৰ'না ভাইৰাছৰ সংক্ৰমণ এতিয়াও সমুলঞ্চে বিনাশ হোৱা নাই। ইয়াৰ পুনৰাবৃত্তি যে নহ'ব, তাৰ কোনো নিশ্চয়তা নাই। সেয়ে ভাইৰাছ প্ৰতিৰোধী নিয়মসমূহ মানি চলাটো জৰুৰী। জীৱনত সন্মুখীন হোৱা ঘাত-প্ৰতিঘাতবোৰে আমাক সকলো দিশতে অধিক শক্তিশালী আৰু অভিজ্ঞ কৰি তোলে। কঠোৰ বাস্তৱে শিকাই যায় দুৰ্বিষহ পৰিস্থিতিৰ স'তে সহবাস কৰাৰ শিহৰিত অভিজ্ঞতা। সমাধান কৰিব নোৱৰা সমস্যাবোৰ সময়ৰ গতিত এৰি দিয়াই মংগল, অন্যথা মানসিক সংঘাতৰ সৃষ্টি হয়। ধীৰ, স্থিৰ লোকৰ তুলনাত অস্থিৰ, চঞ্চল মনৰ এজন ব্যক্তিৰ দুখ-কষ্টৰ পৰিধিও বহুগুণে বেছি। নিজৰ বল-বুদ্ধিৰ দ্বাৰা মনক নিয়ন্ত্ৰণ কৰাজনে বহু পৰিমাণে অৱসাদৰ পৰা পৰিত্ৰাণ পাব পাৰে।

মানৰ দেহৰ ভিতৰত সকলোতকৈ চঞ্চল মনটো। মনটোক নিয়ন্ত্ৰণ কৰিব পাৰিলে বিপদৰ সম্ভাৱনা বহুগুণে কম হয়। পুৱাৰ সময়খিনিয়ে আমাৰ দেহ-মনলৈ নতুন উদ্যম, নতুন জোৱাৰ আনি দিয়ে। দিনটোৰ আৰম্ভণিতে পুৱাৰ কিঞ্চিৎ যোগাত্মক চিন্তাই সময়বোৰ সুখময় কৰি তোলে। প্ৰত্যেকজন লোকৰ দৃষ্টিভংগীৰ ওপৰতো দৈনন্দিন জীৱন-যাপনৰ প্ৰণালী নিৰ্ভৰ কৰে। ত্যাগ-ধৈৰ্যই উন্নতিৰ পথত আগুৱাই নিয়াৰ বিপৰীতে অসহনশীল স্বভাৱ আৰু অতিমাত্ৰা খঙে অযথা জীৱন বিপন্ন কৰি তোলে। আমি জীৱন বাটত সেইসকল লোকৰ স'তে মিত্ৰতা স্থাপন কৰা উচিত, যিসকলে সঁচা অৰ্থত আমাক জীৱনৰ সঠিক পথত আগুৱাই যোৱাৰ সহায়ক হ'ব পাৰে। ঈৰ্ষাপৰায়ণ লোকসকলে বন্ধুত্বৰ ছলেৰেও অপকাৰ কৰাৰ সুবিধা বিচাৰি থাকে, এনে বিশ্বাসঘাতক লোকসকলৰ প্ৰৰোচনাত পৰিও বহু সময়ত হতাশাত ভুগিবলগীয়া হয়। এই ভাৰাক্ৰান্ত জীৱনত চাবলৈ গ'লে গভীৰ নিদ্ৰাত থকা সময়খিনিৰ বাদে প্ৰতিটো মুহূৰ্ততে আমাক নানান ভাৱনাই ঘেৰি থাকে। ফুল এপাহ ফুলিবৰ বাবে ৰ'দ-বৰষুণৰ যিদৰে প্ৰয়োজন, ঠিক একেদৰেই মানুহৰ জীৱনত পৰিপক্কতা পাবলৈ প্ৰশংসা, সমালোচনা দুয়োটাৰে প্ৰয়োজন। যিকোনো পৰিস্থিতিকেই সহজভাৱে লৈ আগুৱাই যোৱাৰ সাহসেৰে নিজকে প্ৰস্তুত কৰি তোলাজনহে প্ৰকৃত ব্যক্তি। জীৱন বাটত খলা-বমা থাকিবই। সংগ্ৰামৰ মাজেদিয়েই জীৱনৰ প্ৰকৃত মাদকতা লাভ কৰা যায়। মসৃণ বাটত খোজকাঢ়িবৰ বাবেই পংকিলতা আঁতৰোৱাৰ সাহস গঢ়ি তুলিব পাৰিব লাগিব। জীৱন অতিশয় চুটি। জীৱনক ভাল পাবলৈ শিকক। আনৰ ওপৰত নিৰ্ভৰ নকৰি আনন্দ মনেৰে প্ৰতিটো দিনেই নতুন বুলি ভাবি সুখেৰে হাঁহিৰে উদ্‌যাপন কৰাটোৱেই জীৱনৰ প্ৰকৃত মহৌষধ।

ধন-সম্পত্তিতকৈ মনৰ সুখানুভূতিৰে ঐশ্বৰ্যশালী হৈ জীৱনটোক অমৰত্ব প্ৰদান কৰক। জীৱনক এনেদৰে সস্তীয়া নকৰিব যে ইচ্ছা কৰিলেই আপোনাৰ জীৱনৰ স'তে আন কোনোবাই খেলিব পাৰে, সুখ, শান্তি বিনষ্ট কৰিব পাৰে। অনাহকত আনৰ প্ৰৰোচনাত পৰি জীৱনৰ পৃষ্ঠাবোৰ নষ্ট কৰি পেলোৱাৰ অধিকাৰ কাৰোৰেই নাই। সময়ৰ প্ৰতিটো ক্ষণেই মূল্যবান, কোনো কাৰণতে সময়ৰ অপ-ব্যৱহাৰ নকৰি অতি সন্তৰ্পণে আমি আগবাঢ়িব লাগে। তাৰ মাজতো উত্থান-পতন থাকিবই। জীৱনৰ বাটত কোনোবাদিনা



হয়তো বিষাক্ত কাঁইটৰ আঁচোৰত ক্ষত-বিক্ষত সুকোমল মন, আন কোনোবা দিনা হয়তো সুগন্ধীত ফুলৰ পাপৰিৰ মৌমিঠা সুৱাসৰ অনুভৱ। যিমানেই জটিল পৰিস্থিতিয়ে আমাৰ জীৱনত বাট আগচি নধৰক, হেলাৰঙে অতিক্ৰম কৰি আগুৱাই যোৱাটোৱেই জীৱশ্ৰেষ্ঠ মানুহৰ কৃতিত্ব। জীৱন দিয়াৰ অধিকাৰ যিদৰে সকলোৰে নাথাকে, লোৱাৰ অধিকাৰো নাই। যিকোনো দুখ-কষ্টই স্থায়ী নহয়, হেজাৰ বিপৰ্যয়ৰ মাজতো নিজকে ইমানেই শক্তিশালী কৰি তোলক আপোনাৰ সাহসেৰে অনুপ্ৰাণিত হৈ আন বহুজনৰ জীৱনৰ কঠিন বাট যেন সহজ হৈ পৰে।

কোনো লোক দেৱতা নহয়, মানুহৰ মাজত ভাল-বেয়া দুয়োটা দিশেই থাকে। এজন লোকৰ ভাল-বেয়া দিশটো অনুধাৱন কৰি ল'ব পৰা সঠিক জ্ঞান আমাৰ মাজত থকাটো খুবেই বাঞ্ছনীয়। নহ'লে বাৰে বাৰে বিপদৰ আশংকা ঘনীভূত। পানীৰ অবিহনে মাছ জীয়াই থকাটো যিদৰে অসম্ভৱ, সেইদৰেই পৰস্পৰৰ মাজত থকা বিশ্বাস, মৰম, ভালপোৱা অবিহনেও এটা সুখী জীৱন যাপন কৰিবলৈ কষ্টসাধ্য হৈ পৰে। ত্যাগৰ বিনিময়ত জীৱন মহান হয়, কাৰোবাৰ মনত বোজা হৈ জীয়াই থকাতকৈ স্মৃতি হৈ থকাটোহে শ্ৰেষ্ঠ উপহাৰ। উশাহ চলি থকা মুহূৰ্তলৈকেহে জীৱন। উশাহৰ মৰণ কেতিয়া হ'ব কোনেও নাজানে। সময় থাকোতেই সকলোৱে জীৱনৰ স'তে জড়িত বিষয়বোৰত অন্তঃকৰণে মনোনিবেশ কৰিলে কোনো অপশক্তিয়ে প্ৰৰোচিত কৰিব নোৱাৰে। অতি প্ৰিয়জনৰ বিচ্ছেদ অথবা মৃত্যুৰ যন্ত্ৰণাদায়ক মুহূৰ্তবোৰো এদিন সময়ৰ স'তে লীণ যায়। কোনো কাৰণতে অৱসাদ বা হতাশাক প্ৰশ্ৰয় নিদি পৰস্পৰৰ মাজত বিশ্বাস আৰু মৰম-চেনেহৰ এনাজৰীডাল অধিক মজবুত কৰি তুলিবলৈ লাগে মাথোঁ এটা শক্তিশালী ইতিবাচক পৰোপকাৰী মন। একাগ্ৰতা আৰু নিষ্ঠাৰে সমাজৰ প্ৰতি ভাল কাম কৰি আনৰ লগতে নিজকো অৱসাদ মুক্ত কৰি ৰাখিব পাৰি। মানসিক অৱসাদৰ পৰা পৰিত্ৰাণ পাবলৈ যিকোনো পৰিস্থিতিকে সহজভাৱে ল'বলৈ মনৰ স্থিতি অটুট ৰাখিব লাগিব। অৱসাদক প্ৰশ্ৰয় নিদি জীৱনৰ প্ৰতিটো মুহূৰ্তই উপভোগ্য কৰি তোলক। অৱসাদৰ পৰা আঁতৰি থাকিবলৈ মনৰ সন্তুষ্টি আৰু আত্মবিশ্বাসে বহুত সহায় কৰে। পৰেই হওক বা আপোনেই হওক সৎ লোকৰ সংগত সদায়েই যোগাত্মক চিন্তাৰে জীৱন মধুময় কৰি তুলিব পাৰি।

*ফোন : ৯১০১৫১৭৮৪৭*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৫ মাৰ্চ বৃহস্পতিবাৰ, ২০২১ পৃষ্ঠা ৫

# বিটিচিত বিধানসভাৰ নিৰ্বাচন ঃ কিছু কথা

## পুতলাৰ দৰে নচা স্বায়ত্তশাসনেৰে সমস্যাৰ সমাধান নহয়

অৱলোকন

ড° দীননাথ বসুমতাৰী



কেইটামান দিন পূৰ্বে এখন দৈনিক অসমীয়া কাকতত যোগেদি ড' প্ৰফুল্ল মহন্তৰ "'বড়োত' হেৰুওৱাৰ আশংকাত ভূমিপুত্ৰ" শীৰ্ষক এটি অতি গুৰুত্বপূৰ্ণ পৰ্যালোচনামূলক নিবন্ধ পঢ়িবলৈ সুযোগ দিয়াৰ বাবে কাকতগোষ্ঠীলৈ কৃতজ্ঞতা জনালোঁ লগতে দুআষাৰ লিখাৰ লোভ সামৰিব নোৱাৰিলো, বিশেষকৈ আগন্তুক বিধানসভাৰ নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত কথাবোৰ আটায়ে বিবেচনা কৰি চোৱা উচিত বুলি ভাৱো।

বিটিচি কিম্বা বিটিএডি (বিটিআৰে বৰ্তমানো ভাৰত সংবিধানৰ স্বীকৃতি পোৱা নাই, সংবিধান সংশোধন কৰি ৰাজপত্ৰিকা জৰিয়তে দেশৰ মাননীয় ৰাষ্ট্ৰপতিৰ অনুমতি প্ৰদান অবিহনে ক্ষমতাৰ অপব্যৱহাৰ কৰি ৰাজ্যপালৰ দ্বাৰা অধিসূচনা জাৰি কৰাই ব্যৱহাৰ কৰা কাৰ্য ক্ষমাৰ অযোগ্য, জনসাধাৰণৰ আবেগক প্ৰতাৰণা কৰা অপৰাধৰ সমতুল্য) অসম নামৰ এখন ৰাজ্যৰ অধীনস্থ এখন স্বায়ত্বশাসন মাত্ৰ। বিটিচিক অসম ৰাজ্যৰ অধীনস্থ খুউব বেছি এখন সৰু ৰাজ্য (State within state) বুলি ক'ব পাৰি। কাৰণ ইয়াত এখন ৰাজ্য শাসনৰ বাবে যিখিনি ৰাজনৈতিক ব্যৱস্থা দিয়া হৈছে সেই সমস্ত যথা এখন নিৰ্বাচিত বিধান সভা তথা পৰিষদ, বিধান পৰিষদ পৰিচালনা কৰাৰ বাবে এজন অধ্যক্ষ, উপাধ্যক্ষ, পৰিষদ প্ৰধান, উপ-প্ৰধান, কাৰ্যবাহী সদস্য (যাৰ মৰ্যদা ৰাজ্যৰ একোজন মন্ত্ৰীৰ সমান, অকল পৰিসীমা সৰু) পৰিষদীয় সদস্য, যিসকলক পৰিষদৰ একোজন বিধায়ক বুলিও ক'ব পাৰি। কাৰ্যবাহী সদস্য, পৰিষদীয় সদস্যসকলে বিধান পৰিষদত বহি পৰিষদৰ বিভিন্ন সমস্যাবোৰ আলোচনাৰ মাজেৰে সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। সমগ্ৰ পৰিষদীয় অঞ্চলৰ শিক্ষা, বাট-পথ, স্বাস্থ্য, কৃষি, বান-পানী, গৰাখহনীয়া, কুটিৰ শিল্প, বয়ন শিল্প, মিন, পৰ্যটন ইত্যাদি বিভিন্ন দিশত উন্নয়নৰ বাবে নিজাববীয়াকৈ পৰিকল্পনা গ্ৰহণ কৰিব পৰাৰ ক্ষমতা আছে। বিটিচিয় তেনেকৈৰে ৪০ টা বিভাগ চুক্তিৰ সময়তে সংবিধানৰ সংশোধনৰ মাজেৰে প্ৰদান কৰা হৈছে।

বিটিচি এখন স্বায়ত্বশাসিত অঞ্চল বা ভূখণ্ড। স্বায়ত্ব শাসনৰ অৰ্থই হ'ল স্ব শাসন (Self Governance) অৰ্থাৎ নিজেই নিজক শাসন কৰা। গতিকে ইয়াত স্বভাৱিকতে সেই বিশেষ অঞ্চলৰ লোকসকলেই অঞ্চলটো শাসন কৰিব কিম্বা ইয়াত ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ লোকৰ প্ৰৱেশ প্ৰকাৰান্তৰে নিষিদ্ধ কৰা হৈছে। তাকে নকৰি ৰাষ্ট্ৰীয় দলৰ কেন্দ্ৰীয় নেতৃত্বৰ দ্বাৰা অঞ্চলটো পৰিচালিত হ'বলৈ হ'লে স্বায়ত্ব শাসনৰ অৰ্থই তাত নাথাকিব। সকলোবোৰ কথা আৰু কামেই ৰাষ্ট্ৰীয় নেতৃত্বৰ ইচ্ছা অনিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব। ফলত, অঞ্চলৰ উন্নয়ন তথা অঞ্চলৰ জনপ্ৰতিনিধিৰ কোনো কথাই তাত গুৰুত্ব নাপায়, গুৰুত্বহীন হৈ পৰিব। স্বায়ত্বশাসিত অঞ্চল হ'ল আঞ্চলিক দলবোৰৰ দ্বাৰা নিজ অঞ্চলৰ উন্নয়ন সাধনৰ এটা প্ৰক্ৰিয়া। গতিকে স্বায়ত্বশাসিত অঞ্চলত ৰাষ্ট্ৰীয় দলৰ প্ৰৱেশ মানেই স্বায়ত্বশাসনৰ প্ৰক্ৰিয়াক ধ্বংস কৰা, যি কোনোমতে গ্ৰহণযোগ্য নহয়, হ'ব নোৱাৰে। কেন্দ্ৰ অথবা ৰাজ্যৰ প্ৰশাসনত স্বায়ত্বশাসনৰ অধিষ্ঠিত হৈ জোটবন্ধনত থাকি গঠন কৰা চৰকাৰ লগত স্বায়ত্বশাসনৰ তুলনা কৰিবলৈ যোৱাটো হ'ব স্বায়ত্বশাসনৰ প্ৰতি অবিচাৰ, প্ৰবঞ্চনামূলক, দুৰ্বলীক কৰা শোষণ, অত্যাচাৰ।

জাতীয় আবেগেৰে মানুহ বেছিদিন টিকি থাকিব নোৱাৰে। মানুহৰ জীয়াই থকাৰ বাবে প্ৰথম প্ৰয়োজন হ'ল খাদ্য। এই খাদ্যৰ বাবেই মানুহে মানুহক হত্যাও কৰিব পাৰে। খাদ্যৰ বাবেই মানুহে নিজৰ দেশ, আত্মীয়-স্বজনকো ত্যাগ কৰি দূৰ দেশলৈ, ঠাইলৈ গুচি যায়। সেয়ে মানুহৰ এই স্বাভাৱিক দুৰ্বলতাৰ সুযোগ লৈ ধনবান লোকসকলে সৰ্বসাধাৰণ লোকসকলক যুগে যুগে নিজ খেয়াল খুচিমতে ব্যৱহাৰ কৰি আহিছে, প্ৰতাৰণা কৰি আহিছে। এই লোকসকলক জন্তুৰ দৰেও ব্যৱহাৰ কৰি আহিছে। ধনবলেৰে বলিয়ান ৰাষ্ট্ৰীয় ৰাজনৈতিক দলবোৰৰ নেতৃবৃন্দয়ো অঞ্চলবিশেষৰ অৰ্থনৈতিকভাৱে দুৰ্বল, অনগ্ৰসৰ, শিক্ষাৰ দিশত অৱহেলিত দুৰ্বল জাতি-জনগোষ্ঠীয় লোকৰ মানুহ হিচাবে জীয়াই থকাৰ সমস্ত গণতান্ত্ৰিক অধিকাৰ কাঢ়ি লৈ যুগে যুগে এনেদৰে প্ৰতাৰিত কৰি আহিছে। দেখাত আজি অসমত অসমৰ পিছপৰা জাতি-জনগোষ্ঠীসমূহে বছৰৰ পিছত বছৰ ধৰি কৰি অহা সংগ্ৰামৰ পৰিপ্ৰেক্ষিতত অৰ্থনৈতিক উন্নয়ন, ভাষা-সংস্কৃতি ৰক্ষাৰ নামত বহুকেইখন স্বায়ত্বশাসন প্ৰদান কৰা হৈছে, কিন্তু সেইবোৰ অঞ্চলৰ শাসনৰ বাঘজৰিদাল কৌশলগতভাৱে নিজৰ হাতৰ মুঠিত ৰাখি জনগোষ্ঠীসমূহক পুতলাৰ দৰে নচুৱাই থকা পৰিলক্ষিত হৈছে। মই হাগ্ৰামাপন্থী কিম্বা বিপিএফ কৰ্মী নহয়, পূৰ্বেও মই তাকেই কৈ আহিছো আৰু আজিও তাকেই কও, কিন্তু তাৰ পিছতো এইটো স্বীকাৰ কৰিবই লাগিব যে পূৰ্বৰ বিটিচি চৰকাৰ (১৫ টা বছৰ) আছিল সম্পূৰ্ণ ৰাষ্ট্ৰীয় দলৰ নিয়ন্ত্ৰনমুক্ত,যদিও তেওঁলোকে কেতিয়াবা কংগ্ৰেছ আৰু কেতিয়াবা বিজেপিৰ স'তে মিলি ৰাজ্যত চৰকাৰ গঠন কৰিছিল আৰু বিটিএডি এলেকাধীন অঞ্চলৰ ১২ টা বিধানসভা সমষ্টি নিজৰ দখলত ৰাখিবলৈ সমৰ্থ হৈছিল।



অসমৰ ৰাজনীতিৰ পথাৰখনৰ লগত যিসকলৰ সামান্যতমো পৰিচয় আছে তেওঁলোকে নিশ্চয় ভালদৰে দেখি আহিছে যে আজিলৈ অসমত যিমান কেইখন স্বায়ত্বশাসন, উন্নয়ন পৰিষদ ইত্যাদি গঠন কৰা হৈছে সেই সকলোবোৰ অঞ্চল, পৰিষদতে (একমাত্ৰ বিটিচি বাদে) কেতিয়াবা কংগ্ৰেছ আৰু কেতিয়াবা বিজেপিৰ দৰে সৰ্বভাৰতীয় ৰাষ্ট্ৰীয় দলৰ জনপ্ৰতিনীধিসকলেই ইমান দিনে চৰকাৰ গঠন কৰি শাসন কৰি আহিছে। নামত স্বায়ত্বশাসনেই হয়, কিন্তু বাস্তৱত সেইবোৰ পৰিষদীয় অঞ্চলৰ জনসাধাৰণৰ উন্নয়নৰ পৰিৱৰ্তে ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ নেতৃবৃন্দৰ খেয়াল খুচিমতেহে শাসন চলে। তাৰবাবে তেওঁলোকে যিমান কৌশল ৰচনা কৰিব লাগে সেই সমস্ত প্ৰচেষ্টা অলপো হৰণ-ভগন নোহোৱাকৈ চলাই আহিছে। পৰিষদীয় অঞ্চলৰ জনসাধাৰণৰ মাজত জাত-পাতৰ বিচাৰ কৰি কৰবাত বড়ো-অবড়ো, কৰবাত বড়ো-অসমীয়া, বড়ো-কাৰ্বি, পাহাৰ-ভৈয়াম, ৰাভা-অৰাভা, হিন্দু-মুছলিম, হিন্দু-খ্ৰীষ্টান আদি সাম্প্ৰদায়িক বিভাজন আনি আকৌ আন কৰবাত দুৰ্নীতি, সুনীতি (নিজৰবোৰ ঢাকি থৈ) ৰ কথা কৈ সৰ্বসাধাৰণ ৰাইজৰ মাজত বিভাজন ঘটাই, সাম্ৰাজ্যবাদী ব্ৰিটিছৰ Divide and rule পথকে অনুসৰন কৰি বৰটকলাই শগুণৰ ডিঙি চেপি বটিয়াই কাঢ়ি খোৱাৰ দৰে লোকক দেখুৱাই নিজে আবন্টন দিয়া ধন পিছদুৱাৰেদি কাঢ়ি লৈ জনসাধাৰণক শোষণ কৰি আহিছে।

সময়মতে পৰিষদৰ প্ৰাপ্য ধন মুকলি কৰি দিয়াৰ পৰিবৰ্ত্তে সেইবোৰ হৰলুকি কৰি আহিছে। ফলত যিটো গতিত পৰিষদবোৰে ৰাইজৰ উন্নয়ন সাধন কৰাৰ প্ৰতিশ্ৰুতিৰে সংগ্ৰামৰ মাজেৰে আগবাঢ়ি আহিছিল সেয়া মাজবাটতে থমকি ৰবলগীয়া হৈছে। ৰাইজৰ মাজত তেনেকৈয়ে স্বায়ত্বশাসনৰ প্ৰতি মোহভংগ ঘটাই ৰাষ্ট্ৰীয় দলবোৰে সাধাৰণ ৰাইজৰ মাজত সোমাই পৰাৰ পথ প্ৰশস্ত কৰি লৈছে। তাৰ জ্বলন্ত উদাহৰণ হ'ল বিটিচি। বিটিচিৰ যোৱাটো নিৰ্বাচনত ৰাষ্ট্ৰীয় দলৰ অসম তথা উত্তৰ-পূৰৰ দায়িত্বত থকা জনৈক এজন প্ৰভাৱশালী তথা শিক্ষা, স্বাস্থ্য, গড়কাপ্তানী আৰু বিত্তৰ দায়িত্বত থকা মন্ত্ৰীয়ে নিজমুখে বিটিচিক এহেজাৰ কৌটি টকা আবন্টন দিয়াৰ কথা গাই ফুৰি সেইবোৰৰ হিচাব দিব নোৱাৰা বুলি দোষাৰোপ কৰিবলৈ যাওতে বিটিচি প্ৰধানে ছশকোটিহে পোৱা বুলি কৈ বাকী চাৰিশকোটি কোনে খালে বুলি কৰা প্ৰশ্নবানত অপমানিত হৈ ক্ৰোধান্বিত হৈ উঠে আৰু ধনবল, বাহুবল প্ৰয়োগ কৰি অপ্ৰতিৰোধ্য বিটিচিত ৰাজনৈতিক ক্ষমতাৰ প্ৰতি সততে লালসা কৰি অহা কিছুলোকৰ সহযোগত আৰু ইমান দিনে বিটিচি ভংগৰ বাবে দাবী জনাই বিটিএডিত বড়ো অবড়োৰ বিভাজনবাদী উগ্ৰ সাম্প্ৰদায়িক ৰাজনীতি কৰি অহা দলবোৰৰ লগত অতি অগণতান্ত্ৰিকভাৱে সাপে-বেঙে মিলি, নিৰ্বাচনত সংখ্যাগোৰীষ্ঠ লাভ কৰা দলক মাননীয় ৰাজ্যপালগৰাকীয়ে চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনাব লাগিছিল যদিও তাকে নকৰি কেন্দ্ৰ আৰু ৰাজ্যচৰকাৰত থকা দলে ক্ষমতাৰ অপব্যৱহাৰ কৰি নিৰ্লজ্জভাৱে পৰাজিত হোৱা দলবোৰক লগত লৈ বিটিচি দখল কৰা হৈছে বুলি ৰাইজে ক'ব খোজে।

বছৰ বছৰ ধৰি সাধাৰণ বড়ো ৰাইজক পৃথক বড়োলেণ্ডৰ সপোন দেখুৱাই ৰদে-বৰষুণে, জাৰ-জহ নেওচি খোৱা- লোৱাৰ কোনো থানথিত নোহোৱা কৰি ৰাজপথত আন্দোলন কৰাই আহি, আবেগৰ সৃষ্টি কৰি কিছুমান ভণ্ড ৰাজনীতিকে সামান্য বিটিচিৰ শাসনৰ মাজেৰে ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ সহযোগত কেন্দ্ৰ আৰু ৰাজ্যচৰকাৰৰ পৰা আবন্টিত ধনেৰে ধনবান হোৱাৰ লালসাত মাজবাটতে বড়োলেণ্ডৰ দাবী প্ৰত্যাহাৰ কৰি ৰাইজৰ সেই আবেগ, অনুভূতি আৰু ত্যাগক ভূলুণ্ঠিত কৰি ৰাজভোগ কৰিবলৈ লোৱা বুলি ৰাইজে অভিযোগ তুলিছে। অৱশেষত, বহু আশা-প্ৰত্যাশা প্ৰদানৰ অন্তত অলেখ সপোন আৰু আশা বুকুত বান্ধি লৈ শান্তি চুক্তি কৰিবলৈ অহা বহু সশস্ত্ৰ সংগ্ৰামীয়ে ৰাজনীতিকসকলৰ পৰৱৰ্তী আচৰণৰ ওপৰত আশাভংগ হৈ, প্ৰতাৰণাৰ অভিযোগ তুলি পুনঃ পূৰ্বৰ দাবীক লৈ শৰীৰত শেষবিন্দু তেজ থকালৈকে জাতিৰ হ'কে সংগ্ৰাম কৰি যোৱাৰ দৃঢ়সংকল্পৰে হাতত অস্ত্ৰ তুলি লৈ জংঘললৈ উভতি যোৱা বুলি ইতিমধ্যে বিভিন্ন সংবাদ মাধ্যমৰ যোগেদি প্ৰকাশ পাইছে। শান্তি চুক্তিৰ নামত এন্.ডি.এফ্.বিৰ জন্মদাতা ৰঞ্জন দৈমাৰীক অকল চুক্তিৰ বাবেই জেলৰ পৰা মোকলাই নি দিল্লীত চুক্তিত চহী কৰাই পুনঃ শতাধিক কৰ্মীৰে আজিলৈ জেলত আৱদ্ধ কৰি ৰাখি ইতিমধ্যে শান্তিৰ পৰাকাষ্ঠা প্ৰদৰ্শন কৰা হ'ল। আনহাতে সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ আশীষধন্য, পৰিৱৰ্ত্তন আৰু নিকা প্ৰশাসন তথা শূণ্যদুৰ্নীতিৰ প্ৰতিশ্ৰুতিৰে সাধাৰণ হোজা ৰাইজক আশ্বাস প্ৰদান কৰি আঁভুৱা ভাঁৰি অহা ৰাজনীতিকসকলে চুক্তিৰ সময়তে সহচুক্তিকাৰীসকলক প্ৰতাৰণা কৰাৰ উপৰি সম্প্ৰতি অতি দুৰ্নীতিগ্ৰস্ত লোকসকলক আগন্তুক বিধানসভাৰ নিৰ্বাচনত প্ৰাৰ্থিত্ব প্ৰদান কৰি নিজৰ স্বৰূপ নিজেই উন্মোচিত কৰা বুলিও ৰাইজৰ মাজত উষ্ম আলোচনা কৰিবলৈ লোৱা দেখা গৈছে। এই প্ৰসংগত কেইদিনমান পূৰ্বে এখন সাপ্তাহিক কাকতৰ প্ৰথম পৃষ্ঠাত অতি গুৰুত্বসহকাৰে "দুৰ্নীতিগ্ৰস্তক প্ৰাৰ্থিত্ব দি...আপোচ" শিৰোনামাৰে প্ৰকাশিত এটা আলেখ্য উল্লেখযোগ্য। এয়াও এক প্ৰকাৰ দুৰ্নীতি নহয়নে? দুৰ্নীতিৰ আৰু বেলেগ কিবা সংজ্ঞা আছেনেকি? সৰ্বসাধাৰণ ৰাইজে আজি প্ৰশ্ন কৰিবলৈ লৈছে- সৰ্বভাৰতীয় ৰাজনৈতিক দলবোৰেই যদি শাসন কৰিব লাগে তেনেহলে স্বায়ত্ব শাসন তথা স্ব শাসনৰ প্ৰয়োজন ক'ত?

বিটিচিবাসী ৰাইজৰ মাজত আজি স্বায়ত্বশাসনৰ প্ৰতি মোহভংগ হৈছে। তেওঁলোকে আজি ক'ব বিচাৰিছে বহুত হ'ল, আৰু নহয়। বিএচি হ'ল, বিটিচি হ'ল, ইয়াৰ পিছত বিটিআৰো হ'ল। এতিয়া আৰু কোনোধৰণৰ স্বায়ত্বশাসন নহয়, ৰাষ্ট্ৰীয় দলৰ নিৰ্দেশত পুতলাৰ দৰে নচা স্বায়ত্তশাসনেৰে সমস্যাৰ সমাধান নহয়। সেয়া সম্ভৱ হ'লে অসমত পৃথকত্ববাদী আন্দোলনৰ উদ্ভৱ নহলেহেঁতেন। সমস্যাৰ সমাধান বিচাৰি একমাত্ৰ ভাৰতৰ সংবিধানৰ অধীনত থাকিয়ে পৃথক গৃহভূমিৰ বাবে তেওঁলোকে যোৱা ১৯৬৭ চনৰ পৰাই সুদীৰ্ঘ ৫৪ টা বছৰ ধৰি সংগ্ৰাম কৰি আহিছে। দেশ তথা ৰাজ্যত অশান্তি, অৰাজক হওক, সেয়া নিশ্চয় কাৰো কাম্য নহয়, হ'ব নোৱাৰে। অতি সম্প্ৰতি শান্তি চুক্তিৰ নামত প্ৰতাৰণা কৰা বুলি যিসকল লোকে ২০২০ ৰ ২৭ জানুৱাৰীত স্বাক্ষৰিত হোৱা চুক্তিত অসন্তুষ্ট হৈ, বিদ্ৰোহ কৰি পুনঃ হাতত অস্ত্ৰ তুলি জংঘললৈ বুলি ওলাই গ'ল, দেশ তথা ৰাজ্যত উন্নয়নৰ স্বাৰ্থত শান্তি প্ৰতিষ্ঠা হেতু তেওঁলোকক ওভটাই অনাৰ বাবে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে আগলৈ কি কাৰ্যব্যৱস্থা গ্ৰহণ কৰে সেয়া নিশ্চয় লক্ষ্যণীয় হ'ব। পৰিষদীয় নিৰ্বাচনৰ অন্তত বিটিচিত চৰকাৰ গঠনৰ নামত লিলি হোটেল, ব্লু হোটেলৰ যিটো খেল দেখুৱা হ'ল তেনে খেল আগন্তুক বিধান সভাৰ নিৰ্বাচনৰ অন্তত বিটিচিবাসী তথা অসমৰ ৰাইজে দ্বিতীয়বাৰ আৰু চাবলৈ বিচৰা নাই।

ফোন- ৯৪৩৫০-২১৮৭৭

---

# হিন্দু-মুছলমান, শিখ সকলোৱে কুসংস্কাৰৰ বিৰুদ্ধে ওলাই আহক

# ইছলামৰ দৃষ্টিত জেহাদ

এম হাছিম আলী

**জেহাদৰ** অৰ্থ হৈছে সংগ্ৰাম বা যুদ্ধ কৰা। ইছলাম ধৰ্মত জেহাদৰ কথা ক'বলৈ গ'লে বুজায় প্ৰথমতে নিজৰ ৰিপুৰ বিৰুদ্ধে সংগ্ৰাম অৰ্থাৎ কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎচৰ্যৰ বিৰুদ্ধে সংগ্ৰাম। ইছলামী পৰিভাষাত আন এক জেহাদ হৈছে পৱিত্ৰ কোৰান শ্বৰীফৰ জৰিয়তে আল্লাহে যি আদেশ-নিষেধ পৰিচালিত কৰিছে সেয়াও জেহাদ। এয়া ইছলামৰ প্ৰথম আৰু প্ৰধান জেহাদ। এয়া হৈছে নিজৰ ৰিপুৰ স'তে যুদ্ধ অথবা লোভ-লালসাৰ বিৰুদ্ধে কৰা যুদ্ধ। এয়া আভ্যন্তৰীণ দিশ। যদি কোনোৱে ন্যায় বা সত্যৰ পথত প্ৰতিষ্ঠা কৰিব নিজকে নোৱাৰে, তেনেহ'লে সেইজনে অন্যায় বা অত্যাচাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰিব নোৱাৰে। সেয়েহে প্ৰথমে চাৰিত্ৰিক দৃঢ়তা অৰ্জন কৰিব পাৰিব লাগিব তাৰ পাছত সকলো ব্যৱস্থা ৰিপুক কাম, ক্ৰোধ, লোভ, মোহ ইত্যাদিত বৰ্দ্ধিত কৰি, প্ৰলুব্ধ কৰি, উৎসাহিত কৰি তাৰ বিৰুদ্ধে সংগ্ৰাম কৰিব লাগিব। জেহাদৰ বাহ্যিক দিশ হ'ল কোনো ধৰ্মাৱলম্বীৰ ওপৰত যদি অন্যায়ভাৱে আক্ৰমণ আৰু অত্যাচাৰ কৰা হয়, তেতিয়া তাৰ বিৰুদ্ধে প্ৰতিবাদ আৰু সংগ্ৰাম কৰা। বিচ্ছিন্নতা আৰু উগ্ৰপন্থীৰ দ্বাৰা কোনো সফলতা লাভ কৰিব নোৱাৰি। ইছলামৰ অৰ্থ শান্তি। শান্তিত থকাটো সকলোৱে কামনা কৰে। অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈ ইমাম হাছান-হুছেইনৰ লগতে অনেক চাহাবা ইতিমধ্যে ছহিদ হৈছে। অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰা, আন্দোলন কৰা আৰু শক্তি প্ৰয়োগ কৰি ন্যায় প্ৰতিষ্ঠা কৰাটো হৈছে জেহাদৰ অন্য নাম। ইছলামী ধৰ্মগ্ৰন্থ পৱিত্ৰ কোৰান শ্বৰীফত ন্যায় আৰু অন্যায়ৰ সীমা নিৰ্ধাৰণ কৰি দিছে। সেয়েহে অন্যায়কাৰী আৰু সীমা লংঘনকাৰীক প্ৰতিৰোধ কৰি ন্যায় প্ৰতিষ্ঠা কৰা জেহাদৰ লক্ষ্য। আৰহমান কালৰ পৰা বৰ্তমান যুগলৈকে মানুহৰ ওপৰত যি দমন-শোষণ চলি আছে, সেয়া বন্ধ কৰাৰ কাৰণে সংগ্ৰাম কৰাও জেহাদৰ সমতুল্য। যেনে— শিশু শ্ৰম, যৌতুক প্ৰথা, মাদক দ্ৰব্যৰ ব্যৱহাৰ, সুদৰ কাৰবাৰ ইত্যাদি। ১) ইয়াৰ মাজত প্ৰধান সুদৰ প্ৰথা। কাৰণ মহাজনী কাৰবাৰ আৰু বেংকৰ মাধ্যমত সুদৰ কাৰবাৰ কৰা আৰু গৰিব জনগণক শোষণ কৰাটো অন্যায়। সমীক্ষা কৰিলে দেখা যায় যে প্ৰকৃতি গৰিব মানুহে বেংকৰ মাধ্যমেদি ঋণ নাপায়, সেইসকল মহাজনৰ জালত পৰিবই লাগিব। এই ব্যৱস্থাই ধনী শ্ৰেণীক আৰু ধনী হ'বলৈ সাহায্য কৰে আনহাতে গৰিবসকল আৰু গৰিব হ'বলৈ ধৰে, বাধ্য হয়। ইয়াৰ উপৰি কম সঞ্চয়কাৰীবোৰে চিটফাণ্ডৰ কবলত পৰি প্ৰতাৰিত হৈ থাকে। সেয়েহে যিকোনো ধৰণৰ সুদৰ কাৰবাৰক নিষিদ্ধ কৰা দৰকাৰ। সুদহীন এখন সুস্থ সমাজ প্ৰতিষ্ঠা কৰাৰ কাৰণে সংগ্ৰাম কৰা দৰকাৰ। গৰিবসকলক ঋণদান নহয়, বৰঞ্চ তেওঁলোকৰ কৰ্মসংস্থান বা ৰোজগাৰ কৰা দৰকাৰ অৰ্থাৎ কোনো প্ৰকল্পৰ স'তে যুক্ত কৰা দৰকাৰ, দীৰ্ঘম্যাদী আঁচনিৰ দ্বাৰা প্ৰশিক্ষণ দি উৎপাদন পদ্ধতিৰ দ্বাৰা যুক্ত কৰা দৰকাৰ। বেংক আৰু চৰকাৰী উন্নয়ন সংস্থাৰ কাম হ'ব কেৱল ঋণদান নহয়; বৰঞ্চ তেওঁলোকক উৎপাদনশীল কৰা দৰকাৰ। সেয়েহে সুদৰ ব্যৱসায়ৰ বিৰুদ্ধে সংগ্ৰাম কৰা, আন্দোলন কৰা জেহাদ। সুদখোৰসকলৰ ব্যৱসায় বন্ধ কৰাৰ কাৰণে সংগ্ৰাম অব্যাহত লাগিব আৰু ইয়াক আইনৰ গণ্ডীলৈ আনি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ২) মাদক দ্ৰব্য আৰু মদৰ ব্যৱসায়ে মানৱ সমাজত আৰু সংসাৰলৈ নানান অশান্তি আৰু অন্যায় কাম সংঘটিত কৰিবলৈ সাহায্য কৰে। সেয়েহে যিকোনো ধৰণৰ মাদক দ্ৰব্য আৰু মদৰ ব্যৱসায় সমাজৰ পৰা নিৰ্মূল কৰাৰ সময় আহি পৰিছে। ইয়াৰ ফলত ঘৰ-দুৱাৰ, সা-সম্পত্তি, পৰিয়াল আদি ধ্বংস হোৱাৰ উদাহৰণ দৈনিক সংবাদপত্ৰ, সংবাদ মাধ্যমত দেখিবলৈ পোৱা যায়। সেয়েহে মদ, মাদক দ্ৰব্য, নিচাযুক্ত ধঁপাত আদিৰ উৎপাদন আৰু বিক্ৰী কৰাৰ বিৰুদ্ধে সংগ্ৰাম কৰাটো জেহাদ।

৩) অবৈধ যৌন সম্পৰ্ক দূৰ কৰাৰ কাৰণে নগ্নতাৰ বিৰুদ্ধে আন্দোলন কৰা জেহাদ। ইয়াৰ কাৰণে ঘৰত-বাহিৰত সৰ্বত্ৰ সংক্ষিপ্ত আৰু লিপিট খাই ধৰা সাজ-পোছাকৰ বিৰুদ্ধে আন্দোলন আৰু সংগ্ৰাম কৰা জেহাদ। ল'ৰা-ছোৱালী উভয়কে শৰীৰ ঢাক খোৱা আহল-বহল পোছাক সৰুৱে পৰাই পিন্ধোৱা অভ্যাস কৰিব লাগে। বিশেষকৈ ছোৱালীবোৰে মুখমণ্ডল বা সৰ্বশৰীৰ ঢাক খোৱা পোছাক পিন্ধিব লাগিব। ইয়াৰ বাবে আন্দোলন গঢ়ি তুলিব লাগিব। বয়ফ্ৰেণ্ড বা গাৰ্ল ফ্ৰেণ্ড বাছনি কৰাৰ দৰে সামাজিক ৰীতিৰ বিৰুদ্ধে সংগ্ৰাম কৰাও জেহাদ। বিবাহৰ পূৰ্বে হলি-গলি আৰু ডেটিঙৰ প্ৰথাৰ বিৰুদ্ধে সংগ্ৰাম কৰা জৰুৰী। আধুনিকতাৰ নামত এইবোৰ কুপ্ৰথা চলিছে আৰু ইয়াৰ বিৰুদ্ধে সংগ্ৰাম কৰা জেহাদ। বহুতো সময়ত দেখা যায় দীৰ্ঘদিন ধৰি ছোৱালী-ল'ৰাৰ মাজত অবৈধ হলি-গলি কৰাৰ লগতে যৌন সম্পৰ্ক গঢ়ি তোলে যাৰ বাবে নানান ধৰণৰ অপকৰ্ম আৰু অঘটন ঘটি থাকে। সেয়েহে ল'ৰা-ছোৱালী উপযুক্ত হ'লে বিবাহ কৰোৱাই দিয়াটো পিতৃ-মাতৃ বা অভিভাৱকৰ দায়িত্ব। ইয়াৰ লগত যুক্ত হৈ থকা যৌতুক প্ৰথা বন্ধ কৰিবই লাগিব। আৰু বিবাহিত দম্পতীয়ে




স্বাৱলম্বী হ'ব নোৱৰা পৰ্যন্ত ভাট্টাৰ ব্যৱস্থা কৰা উচিত নহ'লে অবৈধ হলি-গলি বা অবৈধ যৌন সম্পৰ্কই মানৱ সমাজক কলুষিত কৰিব।

৪) প্ৰচলিত শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন কৰিব লাগিব যাতে শিক্ষাৰ মাজেদি নৈতিকতাৰ শিক্ষা গুৰুত্বপূৰ্ণ হ'ব পাৰে। ওপৰত উল্লেখ কৰা সুদৰ ব্যৱস্থা, মাদক দ্ৰব্য, মদ উৎপাদন আৰু নগ্নতাৰ বিৰুদ্ধে আন্দোলনৰ শিক্ষা ছাত্ৰ-ছাত্ৰীসকলে যেন পায় আৰু ল'ৰা-ছোৱালীবোৰৰ অবাধ মিলা-মিছাক, ডেটিং ইত্যাদিক তেওঁলোকে যেন ঘৃণা কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যেন ডাঙৰ সন্মান-শ্ৰদ্ধা কৰা আৰু সৰুসকলক ভালপোৱাৰ অভ্যাস গঢ়ি তোলা আৰু যুৱকসকলৰ মাজত উচ্ছৃংখলতাৰ মনোভাৱে দূৰ হয় তাৰ বাবেও সংগ্ৰামৰ প্ৰয়োজন।

বৰ্তমানৰ শিক্ষা ব্যৱস্থাত নৈতিকতাৰ শিক্ষা নাই বুলিলেই হয়। সৰুতেই সৰভোগৰ অন্তৰ্গত সৰভোগৰ চক্‌চকা চৰকাৰী মজলীয়া বিদ্যালয়ত পঢ়িছিলো। আদৰ্শ শিক্ষক নবীন ছাৰ, পাটগিৰি ছাৰ, ঠাকুৰীয়া ছাৰ, চণ্ডী বৰ্মন ছাৰ আদিয়ে সামাজিক আৰু নাগৰিক শিক্ষাৰে নীতি-শিক্ষাৰ পাঠদান কৰিছিল। সেয়া হাতে-কামে আৰু আদৰ্শৰ দ্বাৰা দেখুৱাইছিল। সেই নীতি-শিক্ষাৰ কথা আজিও পাহৰিব নোৱাৰো। বৰ্তমান শিক্ষা ব্যৱস্থাৰ মূল উদ্দেশ্য হৈছে বেছিকৈ ধন ঘটাৰ শিক্ষা, জীৱনটোক উপভোগ কৰিবলৈ কোৱা, যিকোনো প্ৰকাৰে নাম-যশ বা ক্ষমতা কৰাৰ শিক্ষা। ইয়াত পশ্চিমীয়া শিক্ষা আৰু সংস্কৃতিৰ প্ৰভাৱ পৰিছে। এই পশ্চিমীয়া শিক্ষা ব্যৱস্থাই সুদ, মদ, ডেটিং, যৌন ব্যৱসায় প্ৰভৃতি ভয়ংকৰ ক্ষতিকাৰক ব্যৱস্থাক সমৰ্থন কৰে আৰু ইয়াৰ পৃষ্ঠপোষকো। বৰ্তমান বিশ্বৰ অনেক দেশত এই শিক্ষা আৰু সংস্কৃতি প্ৰচলিত। সেয়েহে এইবোৰ ব্যৱস্থাৰ বিৰুদ্ধে জেহাদ কৰা সহজ নহয়। ইছলামে এইবোৰ ব্যৱস্থাক সমৰ্থন নকৰে বৰঞ্চ ইয়াক হাৰাম (নিষিদ্ধ) ভাৱে। সেয়েহে সকলোৱে এইবোৰ প্ৰথাৰ বিৰুদ্ধে জেহাদ কৰা উচিত। কোনো সন্ত্ৰাস বা উগ্ৰপন্থাৰ দ্বাৰা এইবোৰ কুপ্ৰথা বন্ধ কৰা নাযাব। ব্যাপক প্ৰচাৰ আৰু ঐক্যবদ্ধ আন্দোলনৰ দ্বাৰা ইয়াৰ প্ৰতিকাৰ কৰা সম্ভৱ।

জেহাদৰ অন্য নাম কুসংস্কাৰ। সৰ্বপ্ৰথমে আমি নিৰ্ণয় কৰিব লাগিব কুসংস্কাৰবোৰ কি কি? মানৱ সংসাৰত সকলোতকৈ প্ৰধান কুসংস্কাৰ হ'ল, যিজন পৰম প্ৰভু নহয়, স্ৰষ্টা নহয়, সৰ্বশক্তিমান নহয়, সেইসকলক পূজা কৰা। কাৰণ মহান প্ৰতিপালক এজন আৰু অদ্বিতীয় যাক কোৱা হয় এক দেৱ এক সেৱ, এক বিনে নাই কেৱ। আল্লাহৰ বাহিৰে কোনো নাই। লা ইলাহা ইল্লালাহ। ইয়াত বাহিৰে আন কাৰোবাক প্ৰভু মনা বা পূজা কৰা কুসংস্কাৰ। কোনো মানুহক দেৱতা বা পূজা কৰা কুসংস্কাৰ। শ্ৰীৰাম, যীশু, মোহম্মদ (ছঃ), মেৰী, যোচেফ, বুদ্ধ, শংকৰদেৱ বা কোনো পীৰ-সাধু-সন্ত এইবোৰ মহান মানৱ, প্ৰভু নহয়, সেয়েহে তেওঁলোকক উপাস্য কৰাও নিষেধ। নিৰাকাৰ-নিৰঞ্জন প্ৰভু এজনেই, তেওঁ অদ্বিতীয়। কাৰো লগত তুলনা নহয়। পাহাৰ-পৰ্বত, গ্ৰহ-নক্ষত্ৰ, সাগৰ-মহাসাগৰ, চন্দ্ৰ-তৰা, সূৰ্য-নক্ষত্ৰ সকলো সেইজনাই সৃষ্টি কৰিছে। গতিকে সেইজনক পূজা কৰা ইয়াত বাদে আৰু কাকো নহয়। যিয়ে নিৰাকাৰ প্ৰভুক এৰি আন বেলেগক পূজা কৰে, সেইসকল কুসংস্কাৰ আৰু অজ্ঞতাৰে আচ্ছন্ন। মহামানৱসকলক পূজা কৰাৰ বাদেও অনেক মানুহ চন্দ্ৰ, সূৰ্য, গ্ৰহ, নক্ষত্ৰ, হাতী, গৰু ইত্যাদিক পূজা কৰে সেয়াও কুসংস্কাৰ। এইসকল কোনো মহান প্ৰতিপালক নহয় অথবা পৰম প্ৰভুও নহয়। এইসকল কি কাৰণত উপাস্য হয় বুজা নাযায় বা বোধগম্য নহয়। আমি জানো যে সমগ্ৰ সৃষ্টি বস্তু বা প্ৰাণীৰ জন্ম, মৃত্যু আৰু কাৰ্যক্ষমতা সকলোবোৰ একমাত্ৰ প্ৰভু নিৰাকাৰ মহান স্ৰষ্টাৰ হাতত। সেয়েহে তেৱেঁই একমাত্ৰ পূজ্য, আন কোনো নহয়। সেয়েহে ব্যক্তি পূজা, বস্তু পূজা, প্ৰাণী পূজা, গ্ৰহ-নক্ষত্ৰ পূজাৰ দৰে কুসংস্কাৰৰ বিৰুদ্ধে প্ৰচাৰ কৰা, আন্দোলন কৰা জেহাদ। দ্বিতীয় প্ৰধান আন এক কুসংস্কাৰ হৈছে ধৰ্মৰ নামত নানান ধৰণৰ আনন্দ-অনুষ্ঠান, অযথা ব্যয় কৰা, অৰ্থ সংগ্ৰহ কৰা, ধৰ্মৰ নামত জোৰকৈ ধন সংগ্ৰহ কৰা, ধৰ্মৰ নামত ৰাজনীতি কৰা আদি নৈতিকতাহীন কুসংস্কাৰ। পৱিত্ৰ কোৰানত কোৱা আছে 'ধৰ্মৰ নামত জোৰ-জবৰদস্তি নকৰিবা। তোমাৰ ধৰ্ম তোমাৰ-আমাৰ ধৰ্ম আমাৰ।' সেয়েহে ধৰ্মৰ নামত ওপৰত উল্লেখ কৰা কামবোৰৰ বিৰুদ্ধে সংগ্ৰাম কৰা জেহাদ। তৃতীয় কুসংস্কাৰ হৈছে ভাগ্য গণনা কৰা, জ্যোতিষ চৰ্চা কৰা। গ্ৰহ-শান্তিৰ কাৰণে পূজা কৰা আৰু ৰত্ন ধাৰণ কৰা কুসংস্কাৰ। ইয়াৰ উপৰি জুৱা বা লটাৰীৰ মাধ্যমেদি ভাগ্য নিৰ্ণয় কৰা কুসংস্কাৰ।

কাঁড় নিক্ষেপ কৰি বা চৰাই-চিৰিকটি, পশু-পক্ষীৰ দ্বাৰা ভাগ্য নিৰ্ণয় কৰা কুসংস্কাৰ। ইয়াৰ বিৰুদ্ধে সংগ্ৰাম কৰা জেহাদ। ইয়াৰ উপৰি আন এক কুংস্কাৰ হৈছে পশু-পক্ষীৰ তেজ খোৱা, হিংস্ৰ জন্তু বা নখ-দাঁত বাহিৰ হোৱা পশু-প্ৰাণী খোৱা, মৃত প্ৰাণী খোৱা, পোক-পৰুৱা, মকৰা-সাপ খোৱা এইবোৰ কুসংস্কাৰ আৰু এইবোৰ ইছলামতো নিষিদ্ধ। এইবোৰ কুসংস্কাৰৰ বিৰুদ্ধে প্ৰচাৰ কৰা আৰু আন্দোলন কৰা জেহাদ।

শেষত ক'ব পাৰি মানুহৰ ভ্ৰান্ত বিশ্বাস দূৰ কৰাৰ একমাত্ৰ উপায় হৈছে ব্যাপক প্ৰচাৰ আৰু আন্দোলন কৰা— এয়াই জেহাদ। অৱশ্যে ওপৰত উল্লেখ কৰা কুসংস্কাৰ বা কুপ্ৰথাবোৰ দূৰ কৰিবলৈ গ'লে বা আন্দোলন কৰিবলৈ গ'লে আন্দোলনকাৰীবোৰ আক্ৰান্ত হ'ব পাৰে তাৰ বাবে প্ৰতিৰক্ষাৰ ব্যৱস্থা কৰা। হিন্দু-মুছলমান, শিখ-ইছাই সকলোৱে এই কুসংস্কাৰৰ বিৰুদ্ধে ওলাই আহক। য'ত বিজ্ঞানে সমগ্ৰ পৃথিৱীখনকে এখন গাঁৱলৈ ৰূপান্তৰিত কৰাত অগ্ৰসৰ হৈছে, তেনে ক্ষেত্ৰত ধৰ্মীয় কুসংস্কাৰবোৰে গা কৰি উঠাত স্বাভাৱিকতে সকলোৱে চিন্তিত। অসমত ডাইনী হত্যাৰ দৰে কুসংস্কাৰে সকলোকে ভবাই তুলিছে।

ধৰ্মগুৰুসকলে কোনো ধৰ্মকে হিংসা-ঘৃণা কৰিবলৈ কোৱা নাই। সেয়েহে কোৱা হয় জেহাদৰ অন্য নাম ধৰ্মযুদ্ধ।

---

# শব্দবোৰ নিৰ্জীৱ হৈয়ো জীৱিত বাক্‌হীন হৈও বাংময়

# শব্দত জীৱন-জগতৰ ছবি

সুৰেন্দ্ৰ মোহন নাথ

**শব্দৰ** সাধনা সকলোবোৰ কঠিনতম সাধনাৰ ভিতৰত অন্যতম উল্লেখযোগ্য সাধনা। শব্দ হ'ল মানুহৰ ভাব প্ৰকাশৰ সৰ্বোৎকৃষ্ট বাহক। শব্দৰ মাধ্যমেৰে মানুহে মনৰ ভাববোৰ ভাষালৈ ৰূপান্তৰ কৰিব পাৰে। অংগী-ভংগী আৰু আকাৰ-ইংগিতেৰেও কিছুমান ভাব প্ৰকাশ কৰিব পৰা যায়; কিন্তু শব্দ ব্যৱহাৰ কৰি অৰ্থাৎ ভাষাৰে মনৰ ভাববোৰ যিদৰে শ্ৰোতা বা পাঠকৰ আগত নিখুঁতভাৱে প্ৰকাশ কৰি বোধগম্য কৰা সহজ, আকাৰ-ইংগিত আৰু অংগী-ভংগীৰে তেনে কৰা নিতান্তই কঠিন। সকলো জীৱৰ মাজত মানুহ ভাগ্যৱান; কিয়নো মানুহে নিজৰ বুদ্ধিমত্তা আৰু চিন্তাশক্তিৰ দ্বাৰা শব্দ সৃষ্টি কৰি অন্যৰ আগত ভাব প্ৰকাশৰ কাৰণে ভাষা সৃষ্টি কৰিলে। ভাষা সৃষ্টি মানৱ প্ৰগতিৰ এক উন্নত আৰু উৎকৃষ্ট পদক্ষেপ।

প্ৰকৃতিৰ বুকুতেই মানুহে প্ৰথমে শব্দৰ সন্ধান পালে। প্ৰতিটো শব্দই বুকুত এটা বা ততোধিক ভাব কঢ়িয়াই লৈ ফুৰে। এই শব্দবোৰ নিৰ্জীৱ হৈয়ো জীৱিত, বাক্‌হীন হৈয়ো বাংময়। শব্দ আৰু ভাষাৰ উদ্ভাৱন মানৱ জাতিৰ ক্ৰমবিকাশৰ ফল। উপযুক্ত শব্দৰ যথোপযোগী ব্যৱহাৰত জীৱ জগতৰ ছবি আমাৰ আগত উন্মুক্ত হৈ উঠে আৰু সেই উন্মোচিত ছবিয়ে শ্ৰোতা-পাঠকক জীৱনৰ বিচিত্ৰ ৰূপ বুজাত আৰু অনুধাৱন কৰাত সহায় কৰে।

ভাব-বিনিময়ত মানুহে পৰস্পৰে পৰস্পৰক বুজাৰ আৰু জনাৰ সুবিধা পায়। ফলত সামাজিক বান্ধোনৰ ভেটি মজবুত হয়; কিন্তু যি সময়ৰ পৰা শব্দ আৰু ভাষাৰ উৎপত্তি হ'ল মানুহে নিজৰ ভাববোৰ লিপিবদ্ধ কৰিবলৈ ল'লে, তেতিয়াৰ পৰাই মানুহৰ বাবে জ্ঞান আহৰণৰ সহজলভ্য মাধ্যম হৈ পৰিল গ্ৰন্থ অধ্যয়ন। মানুহৰ জীৱন যিহেতু ৰহস্যৰে ভৰা। সেয়েহে জীৱন সম্পৰ্কীয় কথাত মানুহ কেতিয়াও স্বয়ং সম্পূৰ্ণ হ'ব নোৱাৰে। ই একপ্ৰকাৰ অসম্ভৱো। মানুহৰ জীৱনৰ বিচিত্ৰ ৰূপ। চিন্তাত ভিন্নতা, বিভিন্ন পৰিস্থিতি, ভিন ভিন সমস্যা। প্ৰতিজন ব্যক্তিৰ দৃষ্টিভংগীও একে নহয়। তৎসত্ত্বেও জীয়াই থকাৰ তাড়নাত মানুহে অহৰহ সংগ্ৰাম কৰি আছে জীৱনক ভালপোৱাৰ বাবেই। জ্ঞাতেই হওক বা অজ্ঞাতেই হওক, জ্ঞানীয়েই হওক বা অজ্ঞানীয়েই হওক মানুহে নিজৰ জীৱনৰ মহত্ত্বৰ কথা সদায় স্বীকাৰ কৰি আহিছে। নিশ্চিতভাৱে মানৱ জাতিৰ কাৰণে ই এক ইতিবাচক চিন্তা।

ভাষা উদ্ভাৱনৰ পূৰ্বেও যুগতকৈ আগবঢ়া কিছু মনীষীয়ে জীৱন-জগত সম্পৰ্কে চিন্তা-চৰ্চা নকৰাকৈ নাছিল। অৱশ্যে সেই চিন্তাবোৰ লিপিবদ্ধ কৰিব পৰা নগৈছিল। সেই কালত জীৱন-জগত সম্পৰ্কীয় কিছু কথা মুখে মুখে চলি আহিছিল; কিন্তু সেইবোৰ সীমাবদ্ধ হৈ আছিল তেনেই কমসংখ্যক মানুহৰ মাজত অতি কম পৰিসৰত। সময় বাগৰিল। সময়ৰ অগ্ৰগতিৰ লগে লগে শব্দত অৰ্থাৎ ভাষাৰে চিন্তাবোৰ স্থায়ী ৰূপত ৰাখিবলৈ সক্ষম হ'ল। মানৱ জীৱনে নতুন পোহৰ দেখা পালে। জ্ঞান বৃদ্ধিৰ ফলত মানুহৰ মন-মগজুত ন-ন চিন্তাৰ জন্ম হ'ল। লিখাৰ উপাদানসমূহৰ কথা মানুহৰ মনলৈ আহিল। মানুহৰ অদম্য ইচ্ছা শক্তিৰে তাৰো উপায় বিচাৰি পালে। প্ৰথম অৱস্থাত আজিৰ দৰে লিখিবৰ কাৰণে সহজলভ্য কাগজৰ কথা মানুহে কল্পনাই কৰিব পৰা নাছিল; কিন্তু মানুহৰ অপৰাজেয় মন থমকি নৰ'ল। এটা সময়ত প্ৰকৃতিৰ বুকুত তাৰো সন্ধেদ বিচাৰি পালে। মানুহৰ জীৱন উজ্জ্বলি উঠিল। অৱশ্যে কাগজ উদ্ভাৱনাৰ আগেয়েও কিছুমান কথা স্থায়ী ৰূপ দিয়াৰ উদ্দেশ্যে শিলৰ বুকুত খোদিত কৰা ব্যৱস্থাও ঠাই বিশেষে অব্যাহত আছিল। বৰ্তমান আৱিষ্কৃত শিলালিপিবোৰে তাৰেই সাক্ষৰ বহন কৰিছে। এইটো সময় শব্দৰ স'তে মানুহৰ পৰিচয় ঘটাৰ আদি স্তৰ।

মানৱ সভ্যতা দোপত দোপে আগবাঢ়ি গ'ল। অঘৰী জীৱন যাপন কৰা মানুহে সমাজ পাতি বাস কৰিবলৈ আৰম্ভ কৰিলে নিজৰ সুবিধা আৰু নিৰাপত্তাৰ খাতিৰত। মানুহৰ চিন্তা-ভাৱনাৰো উত্তৰণ ঘটিল; কিন্তু দহো আঙুলি সমান নোহোৱাৰ দৰে সকলো মানুহৰ চিন্তা-ভাৱনা, দৃষ্টিভংগী আৰু আদৰ্শাদিয়ো একে নহয়। সেয়ে সকলো মানুহৰে জীৱনৰ সুৰো একে হোৱাটো কামনা কৰিব নোৱৰা কথা। জীৱন-জগত ৰহস্যৰে ভৰা। এই ৰহস্যবোৰৰ সন্ধান ভেদ কৰিবলৈ মানুহৰ মনত নানা প্ৰশ্নৰ উদয় হ'ল। মনীষীসকল জীৱন-জগতৰ ৰহস্যৰ অন্বেষণত



জীৱনজোৰা সাধনাত ব্ৰতী হ'ল।

সেই মহান ব্যক্তিসকলে অশেষ সাধনাৰ ফলত নিজৰ জীৱনত উপলব্ধ জীৱন-জগত সম্পৰ্কীয় সত্যবোৰ শব্দত বন্দী কৰি ৰাখিবলৈ সক্ষম হ'ল। এনেকৈয়ে ক্ৰমে আগবাঢ়িল মানৱ সভ্যতাৰ ইতিহাস। ফলস্বৰূপে মুকলি হ'ল মানুহৰ মনৰ দিগন্ত।

কোৱা হয় যে মানুহ পৃথিৱীৰ আটাইতকৈ ভাগ্যৱান প্ৰাণী। কাৰণ কেৱল মানুহেই প্ৰখৰ চিন্তা শক্তিৰ গৰাকী; কিন্তু সকলোৰে চিন্তাৰ আয়তন সমান নহয়। হয়তো এয়া প্ৰকৃতিৰে বিধান। অতি কমসংখ্যক ব্যক্তিহে অসাধাৰণ বুদ্ধি আৰু উদ্ভাৱনী শক্তি লৈ পৃথিৱীলৈ আহে। তেনে প্ৰতিভাৱান সামান্য সংখ্যক মহান ব্যক্তিয়েই নিজ নিজ সৃষ্টিৰে মানৱ সভ্যতাৰ গতিবেগ ত্বৰান্বিত কৰাত সহায় কৰিলে। মানৱ সভ্যাতৰ ভেটি সুদৃঢ় কৰি তেনে প্ৰতিভাশালী ব্যক্তিসকল কালজয়ী হ'ল। জীৱনৰ প্ৰগতি আজি এনে এক স্তৰলৈ উন্নীত হোৱাৰ মূল কাৰণটো হ'ল শব্দৰ সৃষ্টি আৰু ভাষা নিৰ্মাণৰ অকল্পনীয় সফলতা। ইয়াৰ ফলত সমাজৰ জ্ঞান সম্প্ৰসাৰণৰ পথ সুগম হ'ল আৰু বিশ্ববাসীৰ জ্ঞানৰ ভাণ্ডাৰ সকলোৰে উমৈহতীয়া সম্পদ হৈ পৰিল। লগে লগে জ্ঞানপিপাসু লোকসকলে শব্দৰ বুকুতেই জীৱন-জগত সম্পৰ্কীয় কথাৰ সন্ধেদ পাবলৈ সক্ষম হৈ উঠিল। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অভূতপূৰ্ব সাফল্যই পৃথিৱীৰ স্থানৰ দূৰত্ব আৰু মানুহৰ মনৰ দূৰত্ব তেনেই কমাই পেলালে। পৃথিৱীৰ নানা ভাষাত লিখিত শ্ৰেষ্ঠ গ্ৰন্থবোৰ কম সময়ৰ ভিতৰতে পোৱাৰ সুবিধাও আহি পৰিল। দেশ ভেদে, স্থান ভেদে ভাষাবোৰ বেলেগ হ'লেও মনীষীসকলে অংকন কৰা মানৱ জীৱনৰ সনাতন সত্যৰ স'তে সকলোৱেই একাত্মতা অনুভৱ কৰে। যুগ যুগ ধৰি অসংখ্য মানুহ পৃথিৱীলৈ আহিছে আৰু গুচি গৈছে। তাৰ ভিতৰত প্ৰতিভাৱান মানুহৰ সংখ্যা তেনেই তাকৰ। বিৰল প্ৰতিভাৰে যিসকলে শব্দত জীৱন-জগতৰ ছবি আঁকি মানৱ সমাজলৈ অৰিহণা যোগাইছে, তেওঁলোক সঁচাকৈয়ে প্ৰাতঃস্মৰণীয় ব্যক্তি।

ফোন ঃ ৮৪৮৬৫১৬৬৩৩

## নগাঁও সমষ্টিত বিজেপি-

*তিনি পৃষ্ঠাৰ পৰা* কোনোদিনে অসমৰ মুখ্যমন্ত্ৰী হ'ব নোৱাৰে তাৰ বাবে বিজেপিক ভোট দিবলৈ তেওঁ ৰাইজক আহ্বান জনায়। ইপিনে, কংগ্ৰেছৰ প্ৰাৰ্থী শান্তনু শৰ্মায়ো বিভিন্ন ঠাইত প্ৰচাৰ চলাই ভোটাৰ ৰাইজক আকৰ্ষণ কৰিবলৈ চেষ্টা চলায়।

## আজিৰে পৰা বজালীৰ দুই

*তিনি পৃষ্ঠাৰ পৰা* ৩১ মাৰ্চলৈকে এই প্ৰক্ৰিয়া অব্যাহত থাকিব। পুৱা ১০ বজাৰ পৰা আবেলি পাঁচ বজালৈ দুয়োটা সমষ্টিৰ বাবে উপাযুক্ত কাৰ্যালয়ত দুটা সহায়ক কেন্দ্ৰ স্থাপন কৰা হৈছে।

## বিজেপিক সমৰ্থন সংখ্যালঘু উন্নয়ন সন্থাৰ

**অগ্ৰদূত বাৰ্তা**

**বগৰীবাৰী, ২৪ মাৰ্চ ঃ** সমাগত নিৰ্বাচনত সদৌ অসম সংখ্যালঘু উন্নয়ন সন্থাই প্ৰত্যক্ষভাৱে বিজেপি পাৰ্টিৰ মিত্ৰজোঁটক মুকলিভাৱে সমৰ্থন আগবঢ়াই মুছলমান সংখ্যালঘু, ভূমিপুত্ৰ গৰিয়া, দেশী সংখ্যালঘুসকলক বিজেপিক ভোট দিবলৈ আহ্বান জনায়। সংখ্যালঘু উন্নয়ন সন্থাৰ কেন্দ্ৰীয় সভাপতি চামিন আলী আৰু প্ৰচাৰ সম্পাদক আকিব জামানে এক বিবৃতিত কয় যে বিগত স্বাধীনতাৰ ৭৪ বছৰে খিলঞ্জীয়া মুছলমান, ভূমিপুত্ৰ গৰিয়া, দেশী সংখ্যালঘুসকলৰ অস্তিত্বৰ ৰক্ষাৰ বাবে বিজেপি একমাত্ৰ যোগ্য। অস্বস্তিকৰ আশংকাত ভোগা জাতিটোক ৰক্ষাৰ বাবে এইবেলি মিত্ৰজোঁটৰ বিজেপি দলক ভোট প্ৰদান কৰিবলৈ সকলো মুছলমান ৰাইজক আহ্বান জনায়। যিহেতু ৰাজ্যত কংগ্ৰেছযুক্ত অৱস্থান, অসমৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত আৰু গৰিয়া-মৰিয়া ভূমিপুত্ৰ দেশী মুছলমানসকলৰ জাতিৰ স্বাৰ্থত বিজেপিয়ে একমাত্ৰ দল যি দলে জাতিটোক সুৰক্ষা দিব পাৰিব।

## পাটাছাৰকুছি সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থীৰ প্ৰচাৰ

*তিনি পৃষ্ঠাৰ পৰা* সভাত অংশগ্ৰহণ কৰে। তেওঁ বাঘমাৰা চ'ক বজাৰত এটা নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। কাৰ্যালয়টো মুকলি কৰি তেওঁ কয় যে এইবাৰ দিছপুৰত মহাজোঁটৰ চৰকাৰ হোৱাটো নিশ্চিত। ইপিনে, বিজেপি প্ৰাৰ্থী ৰঞ্জিত দাসক সমালোচনা কৰি শৰ্মাই কয় যে তেওঁ সৰভোগ সমষ্টিত যোৱা ১০ বছৰ ধৰি বিধায়ক হিচাপে আছিল। পাঁচ বছৰ শাসক দলৰ বিধায়ক হোৱা সত্ত্বেও তেওঁ দলৰ সভাপতি হোৱা সত্ত্বেও সমষ্টিটোৰ কোনো উন্নয়ন কৰিব নোৱাৰিলে। সেইবাবে তেওঁ সৰভোগ সমষ্টিৰ পৰা পলায়ণ কৰি পাটাছাৰকুছিলৈকে আহিছে। তেওঁ যদি ইয়াৰ পৰা নিৰ্বাচিত হৈ কোনো ধৰণৰ উন্নয়ন কৰিব নোৱাৰে তেতিয়াহ'লে পুনৰ আন এটা সমষ্টিলৈ পলাই যাব। প্ৰচাৰ সভাত তেওঁক সংগ দিয়ে নিৰ্বাচনী সমিতিৰ সভাপতি গিৰীণ পাটগিৰী, বৰপেটা জিলাৰ মুখপাত্ৰ তথা সাধাৰণ সম্পাদক দিপুল পাটগিৰীয়ে আদিয়ে।

## পশ্চিম কাৰ্বি আংলঙত ৰাইজে খেদিলে

*তিনি পৃষ্ঠাৰ পৰা* সদস্যক হুদু খেদা দিয়াৰ ঘটনা সংঘটিত হয়। দীৰ্ঘদিন ধৰি অনুন্নত পথৰ বাবে যমৰ যাতনা ভুগি অহা নৰাইবিল অঞ্চলৰ লোকসকলে আজি কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ পৰিষদীয় সদস্য পৱন কুমাৰক হুদু খেদা দিয়ে। উল্লেখ্য যে প্ৰায় ন-১০ বছৰ ধৰি বিধ্বস্ত ৰূপ ধাৰণ কৰা খেৰণি চাৰিআলি-লামছাখাং পথটো প্ৰায় নিশ্চিহ্ন হ'বলৈ ধৰিছে। যাৰ বাবে অঞ্চলবাসীয়ে দীৰ্ঘদিন ধৰি জীয়াতু ভুগি আছে। অঞ্চলটোৰ ৰাইজে বিগত তিনি-চাৰি বছৰ ধৰি উক্ত পথৰ মেৰামতিৰ বাবে চৰকাৰৰ উপৰি পৰিষদীয় সদস্য কুমাৰক বাৰম্বাৰ আবেদন জনাই আহিছিল যদিও কোনো ফল নধৰিলে। ফলত নৰাইবিল আৰু লামছাখাং অঞ্চলৰ লোকসকল বাৰুকৈয়ে ক্ষুণ্ণ হৈ আছিল। ইয়াৰ মাজতে আজি পৰিষদীয় সদস্যজনে নিৰ্বাচনী প্ৰচাৰৰ বাবে উক্ত অঞ্চলত উপস্থিত হয়। তেতিয়াই শোচনীয় পথৰ বাবে নিজৰ অসন্তুষ্টি প্ৰকাশ কৰি স্থানীয় লোকসকলে 'নো ৰোড-নো ভোট', 'পৱন কুমাৰ মুৰ্দাবাদ' আদি ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। সেই সময়তে পৰিষদীয় সদস্যজনৰ স'তে স্থানীয় লোকৰ উত্তপ্ত বাক্যবাণো হয়। ইয়াতে অধিক ক্ষুব্ধ হৈ পৰিষদীয় সদস্য কুমাৰে ৰাইজলৈ বুঢ়া আঙুলি প্ৰদৰ্শন কৰা বুলি অভিযোগ তুলি তেওঁলৈ চোঁচা লয়। পৰিস্থিতি বিষম দেখি পৰিষদীয় সদস্যজনে তাৎক্ষণিকভাৱে উক্ত স্থান ত্যাগ কৰে। ক্ষুব্ধ স্থানীয় লোকসকলে সংবাদ মাধ্যমৰ আগত কয় যে এইবাৰ তেওঁলোকে কোনো ৰাজনৈতিক দলৰ প্ৰাৰ্থীক ভোটদান নকৰি 'নোটা'ত ভোট দিব।

## দুধনৈত আঠ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব

*তিনি পৃষ্ঠাৰ পৰা* নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছে। এইসকল প্ৰাৰ্থীৰ ভিতৰত মূল যুঁজখন নিৰ্দলীয় প্ৰাৰ্থী দীপক কুমাৰ ৰাভা, কংগ্ৰেছৰ যাদৱ স্বৰ্গীয়াৰী আৰু বিজেপিৰ শ্যামজিৎ ৰাভাৰ মাজত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। উল্লেখ্য যে বিজেপিৰ বিধায়ক দীপক কুমাৰ ৰাভাই এইবেলি দলীয় টিকটৰ পৰা বঞ্চিত হোৱাত ৰাইজৰ বিপুল দাবীত আৰু বিজেপিৰ ক্ষুব্ধ দলীয় নেতা-কৰ্মীৰ পৰামৰ্শ অনুসৰি নিৰ্দলীয় প্ৰাৰ্থীৰূপে নিৰ্বাচনত অৱতীৰ্ণ হয়। বিধায়ক ৰাভাই বিগত পাঁচ বছৰীয়া কাৰ্যকালত সমষ্টিটোত উন্নয়ন আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় স্থাপনেৰে জনপ্ৰিয় হ'বলৈ সক্ষম হোৱাটো সৰ্বজনবিদিত। সেয়ে নিৰ্দলীয় প্ৰাৰ্থী হ'লে সকলো শ্ৰেণীৰ লোকৰ পৰা ভোট আদায় কৰিব পৰাৰ সম্ভাৱনা আছে। তদুপৰি তেওঁৰ পূৰ্বৰ বিজেপি নেতা, কাৰ্যকৰ্তাসকলৰ বহুসংখ্যকে বিজেপি ত্যাগ কৰি তেওঁৰ পক্ষত থিয় হৈ নিৰ্বাচনী যুঁজত নামি পৰিছে। তেওঁলোকৰ এটাই কথা বিজেপিৰ নেতৃত্বই ৰাভাক টিকট বঞ্চিত কৰি যি অন্যায় কৰিছে, সেই অন্যায়ৰ প্ৰত্যুত্তৰ দিয়া হ'ব। ইপিনে, কংগ্ৰেছৰ যাদৱ স্বৰ্গীয়াৰীয়েও সমষ্টিটোত সবলৰূপত অৱতীৰ্ণ হৈছে। দুধনৈ বিধানসভা সমষ্টিত বিজেপিৰ ভেটি মজবুত আছিল। ২০১৬ৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ বিধায়ক ৰাভাই সমষ্টিটোত অভিলেখ স্থাপন কৰি প্ৰায় ৮০ হেজাৰ ভোট লাভ কৰি বিজয়ী হৈছিল। কিন্তু এইবেলি যিহেতু বিজেপিৰ টিকট বঞ্চিত বিধায়ক ৰাভাই নিৰ্দলীয় প্ৰাৰ্থীৰূপে থিয় হৈছে সেয়ে বিজেপিৰ নিশ্চয় ভোট বিভাজন হ'ব। আনহাতে, আনজন সম্ভাৱনাপূৰ্ণ প্ৰাৰ্থী হ'ল বিজেপিৰ শ্যামজিৎ ৰাভা। শ্যামজিৎ ৰাভা নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পদৰ পৰা পোনে পোনে ৰাজনীতিৰ পথাৰলৈ অহা প্ৰাৰ্থী। তেওঁ ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ দ্বাৰা প্ৰক্ষেপিত প্ৰাৰ্থী যদিও বিজেপিৰ স'তে যৌথ সংগ্ৰাম সমিতিৰ মিত্ৰতাসূত্ৰে তেওঁ বিজেপিৰ হৈ নিৰ্বাচনত অৱতীৰ্ণ হৈছে। মুঠতে এই তিনি প্ৰাৰ্থীৰ তুমুল প্ৰতিদ্বন্দ্বিতাত কোনে শেষ হাঁহি মাৰে সেয়া সময়তহে জানিব পৰা যাব।

## টিহুত বিজেপি মিত্ৰজোঁটৰ নিৰ্বাচনী

*তিনি পৃষ্ঠাৰ পৰা* জনপ্ৰতিনিধিসকলক সমালোচনা কৰি বিশেষকৈ পূৰ্বৰ বিধায়ক পবিন্দ্ৰ ডেকাক কঠোৰ ভাষাৰে সমালোচনা কৰে। ভাষণ প্ৰসংগত তেওঁ বিজেপি মিত্ৰজোঁট চৰকাৰৰ বিভিন্ন আঁচনিৰ বিষয়ে অৱগত কৰে। প্ৰবীণ বিজেপি নেতা খগেন দাসে কাৰ্যালয় উদ্বোধন কৰি টিহুত বিজেপিৰ প্ৰতিষ্ঠাৰ ইতিহাস দাঙি ধৰে। অগপ নেতা লোহিত কলিতাই আঁত ধৰা সভাখনত অভিনেত্ৰী প্ৰাঞ্জনা দত্তই নৱপ্ৰজন্মৰ ভৱিষ্যতৰ স্বাৰ্থত বিজেপিক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনায়। বজালী জিলা বিজেপিৰ সভাপতি নগেন চৌধুৰী, বিজেপিৰ ৰাজ্যিক উপ-সভাপতি স্বপ্ননীল বৰুৱা, টিহু নগৰ অগপৰ সভাপতি চাণক্য চৰণ কলিতা আৰু প্ৰাক্তন সভাপতি নাৰায়ণ কলিতা, টিহু মণ্ডলৰ বিজেপিৰ সভাপতি জ্যোতিষ শৰ্মা, অভিনেতা ভগৱৎ প্ৰতীম, ইউপিপিএলৰ মহেন্দ্ৰ বড়ো আদিয়ে ভাষণ দিয়া সভাখনত অগপৰ মুখপাত্ৰ ধৰ্মেশ্বৰ ৰয়ে প্ৰাক্তন বিধায়ক পবিন্দ্ৰ ডেকাক 'দল বাগৰা ৰাজনীতিক' আখ্যা দি ডেকাৰ বাবেই পাটাছাৰকুছি সমষ্টিৰ উন্নয়নৰ দিশত পিছুৱাই থকা বুলি তীব্ৰ সমালোচনা কৰে। ভালে সংখ্যক বিজেপি-অগপ-ইউপিপিএলৰ নেতা-কৰ্মী সমৰ্থক উপস্থিত থকা সভাত অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিক ক্ৰমে নাৰায়ণ চন্দ্ৰ কলিতা, গোপাল কলিতা, যোগেন ডেকা, দীনেশ দাস, কুমুদ ভট্ট, দয়া বৰ্মন, কন্দৰ্প শৰ্মা আদিক বিজেপি মিত্ৰজোঁটৰ ফালৰ পৰা বিশেষ সম্বৰ্ধনা জনোৱা হয়।

## বটদ্ৰৱাত আঙুৰলতা-শিৱামণিৰ যুঁজৰ

*তিনি পৃষ্ঠাৰ পৰা* সভাপতি মৌলানা বদৰুদ্দিন আজমল, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰা, প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন, সাংসদ গৌৰৱ গগৈ আদিয়ে।

ইয়াৰ বিপৰীতে আঙুৰলতা ডেকাৰ হৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী প্ৰচাৰ চলায়। কংগ্ৰেছ আৰু বিজেপি নিৰ্বাচনী প্ৰচাৰৰ ক্ষেত্ৰত দুয়ো দলেই সমানে আগবাঢ়ি আছে। বটদ্ৰৱা সমষ্টিৰ উন্নয়ন, বিভিন্ন চৰকাৰী আঁচনিৰ জৰিয়তে হেজাৰ হেজাৰ লোক উপকৃত হোৱা, বটদ্ৰৱাৰ ভূমি বেদখলমুক্ত কৰি ১৮০ কোটিটকীয়া বৃহৎ সাংস্কৃতিক প্ৰকল্প স্থাপনৰ কাম আৰম্ভ কৰা, সৰ্বসাধাৰণ ৰাইজৰে ব্যৱধান নাৰাখি সকলোকে স'তে মধুৰ সম্পৰ্ক বৰ্তাই ৰখা আদি বিজেপিৰ প্ৰাৰ্থী আঙুৰলতাৰ ইতিবাচক দিশ। তদুপৰি এইবাৰ তেওঁ বিজীয় হলে, যদিহে অসমত পুনৰ বিজেপি দলৰ চৰকাৰ হয় তেন্তে তেওঁ চৰকাৰৰ মন্ত্ৰীসভাত স্থান লাভ কৰিব বুলিও বিজেপি কৰ্মীসকলে ব্যাপক প্ৰচাৰ চলাইছে। ইয়ো আঙুৰলতাৰ আন এক ইতিবাচক দিশৰূপে বিবেচিত হৈছে। সমষ্টিটোৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী অৰূপ শইকীয়াৰ মনোনয়নপত্ৰ নাকচ হোৱা, এআইইউডিএফ দলৰ পৰা টিকট নাপাই ক্ষুব্ধ দলটোৰ জ্যেষ্ঠ নেতা ৰহমানে নিৰ্দলীয় প্ৰাৰ্থীৰূপে মনোনয়ন দাখিল কৰি মহাজোঁটক প্ৰত্যাহ্বান জনোৱা, প্ৰাক্তন মন্ত্ৰী তথা কংগ্ৰেছ নেতা বৰাই কংগ্ৰেছ দল ত্যাগ কৰি সমৰ্থকসহ বিজেপিত যোগদান কৰি আঙুৰলতাৰ হৈ নিৰ্বাচনী প্ৰচাৰত নামি পৰা আদি বিজেপি প্ৰাৰ্থী আঙুৰলতাৰ ইতিবাচক দিশ বুলি ৰাইজৰ মাজত চৰ্চা আৰম্ভ হৈছে। আনহাতে, কংগ্ৰেছ তথা মহাজোঁটৰ সমৰ্থিত প্ৰাৰ্থী শিৱামণি সংসদীয় ৰাজনীতিত তেনেই নৱাগত যদিও তেওঁ সমষ্টিটোৰ প্ৰাক্তন বিধায়ক কিৰণ বৰাৰ কন্যা। সমষ্টিটোত তেওঁৰ পিতৃৰ কিছু প্ৰভাৱ এতিয়াও আছে. সেয়েহে প্ৰকৃত কংগ্ৰেছ কৰ্মীয়ে শিৱামণিকেই সমৰ্থন কৰাৰ সম্ভাৱনা আছে। তদুপৰি মহাজোঁটৰ অংশীদাৰ হোৱা হেতুকে সমষ্টিটো এআইইউডিএফে এইবাৰ কংগ্ৰেছক এৰি দিছে। সেয়েহে এআইইউডিএফ দলে সমষ্টিটোত এইবাৰ কংগ্ৰেছ প্ৰাৰ্থী শিৱামণিৰ হৈ দেহে-কেহে লাগিছে। দলটোৱে শিৱামণিক ভোট দিয়াৰো আনুষ্ঠানিক সিদ্ধান্ত গ্ৰহণ কৰিছে। ই নিশ্চিতভাৱে কংগ্ৰেছৰ প্ৰাৰ্থী শিৱামণিৰ বাবে ইতিবাচক দিশ। কিয়নো সমষ্টিটোত এআইইউডিএফ দলৰ যথেষ্ট প্ৰভাৱ আছে। তদুপৰি, সংসদীয় ৰাজনীতিত নৱাগত হ'লেও চাকৰি সূত্ৰে শিৱামণি সুদীৰ্ঘ কাল বটদ্ৰৱা সমষ্টিৰ ৰাইজৰ লগত এক মধুৰ সম্পৰ্ক আছে। তদুপৰি হাতীচোঙৰ জীয়ৰীৰূপেও ভোটাৰৰ মাজত হাতীচোঙৰ স্থানীয় প্ৰাৰ্থীৰ এক আবেগ সৃষ্টি কৰিবলৈ চেষ্টা চলাই আছে কংগ্ৰেছে। অৱশ্যে আঙুৰলতায়ো স্থানীয় প্ৰাৰ্থী সেয়েহে এই সন্দৰ্ভত কিমান সফল হ'ব পাৰে সেয়া সময়েহে ক'ব। ইয়াৰ মাজতে শিৱামণিৰ আশা এইবাৰ কংগ্ৰেছে বটদ্ৰৱা সমষ্টিত একচেটিয়াভাৱে সংখ্যালঘুৰ ভোট লাভ কৰিব যিটোৱে তেওঁক সহায় কৰিব। ইপিনে, ২০১৯ৰ লোকসভা নিৰ্বাচনত সমষ্টিটোত বিজেপিৰ সমৰ্থিত অগপ প্ৰাৰ্থীয়ে ৪৭,৪০৬ টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে ৭৮,৮০৫ টা ভোট লাভ কৰিছিল। সেই নিৰ্বাচনত এআইইউডিএফ দলৰ প্ৰাৰ্থী নাছিল। সেয়েহে কংগ্ৰেছ দলে বটদ্ৰৱা দখলক লৈ বিভোৰ হৈ আছে। কিন্তু লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ দৃশ্যপট আৰু ৰাজনীতি সম্পূৰ্ণ পৃথক।

উল্লেখ্য যে ২০১১ৰ বিধানসভা নিৰ্বাচনত সমষ্টিটোত কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌতম বৰাই ৪০,৯০৮ টা ভোট লাভ কৰাৰ বিপৰীতে এআইইউডিএফৰ প্ৰাৰ্থী মতিউৰ ৰহমানে ৪০,৭৯৩ টা ভোট লাভ কৰিছিল। আনহাতে, অগপৰ প্ৰাৰ্থী মামনি বৰাই লাভ কৰিছিল মাত্ৰ ১৪,১৮৮ টা ভোট। সেই নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী বৰা ১১৫ টা ভোটৰ ব্যৱধানত বিজয়ী হৈছিল। সেই নিৰ্বাচনত সমষ্টিটোত এআইইউডিএফ দলৰ প্ৰভাৱৰ কথা প্ৰতিপন্ন হৈছিল। আনহাতে, ২০১৯ৰ বিধানসভা নিৰ্বাচনত সমষ্টিটোত বিজেপিৰ প্ৰাৰ্থী আঙুৰলতাই ৪৬,৩৪৩ টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰাৰ্থী বৰাই ৪০,৪৫৮ টা ভোট আৰু এআইইউডিএফ দলৰ প্ৰাৰ্থী নজিৰ উদ্দিন আহমেদে ৩৩,০২২ টা ভোট লাভ কৰিছিল। সেই নিৰ্বাচনত এআইইউডিএফ দলে সংখ্যালঘু ভোট বিভাজন কৰা বাবেই কংগ্ৰেছৰ প্ৰাৰ্থীজনৰ পৰাজয়ৰ কথাটো স্পষ্ট হৈ পৰে। বিগত লোকসভা নিৰ্বাচনৰ এই পৰিসংখ্যাৰ ওপৰতেই কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটে শিৱামণি বৰাৰ জয়ৰ অংক কৰি অত্যুৎসাহী হৈ আছে। অৱশ্যে বিজেপিৰ প্ৰাৰ্থী আঙুৰলতাৰো বটদ্ৰৱা সমষ্টিত ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ একাংশ লোকৰ মাজত যথেষ্ট প্ৰভাৱ আছে।

## সৰভোগত মহাজোঁটৰ মনোৰঞ্জন তালুকদাৰৰ মটৰ চাইকেল সমদল

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২৪ মাৰ্চ ঃ** সৰভোগ বিধানসভা সমষ্টিত মহাজোঁটৰ মনোনীত প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰৰ সমৰ্থনত আজি উলিওৱা হয় এক মটৰ চাইকেল ৰেলী। এই ৰেলীত বহুসংখ্যক লোকে অংশগ্ৰহণ কৰি সমষ্টিটোৰ অন্তৰ্গত তথা বাগ্‌সা জিলাৰ খাৰিজা বিজনী অঞ্চল পৰিভ্ৰমণ কৰে। সংবাদ মাধ্যমেৰে হোৱা বাৰ্তালাপত মহাজোঁটৰ প্ৰাৰ্থী তালুকদাৰে বিপুল ভোটত জয়ী হ'ব বুলি দাবী কৰাৰ লগতে পৰাজয়ৰ ভয়ত সৰভোগৰ দুবাৰৰ বিজেপি বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত দাসে এইবাৰ সমষ্টি এৰি পলায়ন কৰিছে বুলিও মন্তব্য কৰে। একেদৰে হিন্দু বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনক লৈ আক্ৰমণাত্মক হৈ মন্তব্য কৰি বৰ্ষীয়ান নেতা তালুকদাৰে কয়, 'বিগত কিছুদিনৰ পৰা এটা মন্তব্যৰ স'তে মহাজোঁটৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰৰ ভিডিঅ' সমষ্টিৰ প্ৰান্তে প্ৰান্তে ভাইৰেল হৈ পৰিছে। উক্ত ভিডিঅ'টো হিন্দু বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনেহে বিকৃত কৰি প্ৰচাৰ কৰিছে। বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছন বাঙালীৰ মালিক নহয়, বিজেপিৰ এজেন্টৰূপে দালালিহে কৰি আহিছে তেওঁলোকে।' আজিৰ এই কাৰ্যসূচীত চি পি আই (এম)ৰ বিভিন্ন নেতা-কৰ্মীৰ উপৰি কংগ্ৰেছ, বিপিএফ আৰু এআইইউডিএফৰ বহুসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। উল্লেখ্য যে এইবেলি সৰভোগ সমষ্টিত ১০ জন প্ৰাৰ্থীয়ে মনোনয়নপত্ৰ দাখিল কৰিছে যদিও মূল যুঁজখন মহাজোঁট আৰু মিত্ৰজোঁটৰ মাজতেই সীমাবদ্ধ থাকিব। বিগত নিৰ্বাচনত সমষ্টিটোত কংগ্ৰেছে ৩৬,৯১৫, চি পি আই এমে ২৯,০২৬ আৰু এআইইউডিএফে ১৭,৫০৪ টা ভোট লাভ কৰিছিল। আনফালে, বিজেপিয়ে জয়লাভ কৰিছিল ৫৬,৪১২ টা ভোটত। ভোটৰ অংকই প্ৰমাণ কৰে যে এইবেলি সমষ্টিটোত মহাজোঁট শক্তিশালী স্থিতিত আছে।

## কংগ্ৰেছক ৰাজ্যৰ পৰা উৎখাতৰ আহ্বান ড° ৰমণ সিঙৰ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৪ মাৰ্চ ঃ** মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী পৃথ্বিৰাজ ৰাভাৰ হৈ আজি তেজপুৰত নিৰ্বাচনী প্ৰচাৰ চলালে বিজেপিৰ ৰাষ্ট্ৰীয় উপ-সভাপতি তথা ছত্তিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ড° ৰমণ সিঙে। তেজপুৰৰ হাৰিয়াগাঁৱৰ ৰাজহুৱা খেলপথাৰত আজি বিয়লি অগপ-বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীজনৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হৈ পৰে। কেৰালাত চিপিএমৰ বিৰুদ্ধে নিৰ্বাচনত অৱতীৰ্ণ হোৱা কংগ্ৰেছে পশ্চিমবংগত এই দলৰ স'তে একেলগ হৈ আৰু অসমত ইয়াতকৈ বিপজ্জনক বদৰুদ্দিন আজমলৰ এআইইউডিএফৰ দৰে সাম্প্ৰদায়িক শক্তিৰ লগত মিলি নিৰ্বাচনত অৱতীৰ্ণ হৈছে। আনহাতে, যোৱা ৭০ বছৰে দেশক কংগ্ৰেছে ঠগাই আহিছে বুলি উল্লেখ কৰি কয় যে কংগ্ৰেছে বড়োসকলক আন জনগোষ্ঠীৰ স'তে 'চাহ জনগোষ্ঠীক জনজাতীয়সকলৰ স'তে আৰু অসমীয়াসকলক অনা অসমীয়াৰ স'তে সংঘাতত লিপ্ত কৰাই আহিছে। সেয়েহে কংগ্ৰেছক ৰাজ্যৰ পৰা বাহিৰ কৰি দিবলৈ তেওঁ দাবী কৰে। বিজেপি চৰকাৰৰ দিনত ৰাজ্যখনত যথেষ্ট উন্নয়নমূলক কাম কৰা বুলিও তেওঁ দাবী কৰে।

## হিমন্ত-সৰ্বানন্দৰ দৰে

*তিনি পৃষ্ঠাৰ পৰা* সাম্প্ৰদায়িকতাৰ নামত অসমখনক ভাগ ভাগ কৰিলে। হিন্দু-মুছলমানৰ মাজত ভাগ ভাগ কৰিছে বিজেপিয়ে। গতিকে এইবাৰ অসমত গণতন্ত্ৰ প্ৰতিষ্ঠা হ'ব লাগিব।'

## অসমত শান্তি-সম্প্ৰীতি বজাই

*তিনি পৃষ্ঠাৰ পৰা* দুশ ইউনিট বিদ্যুৎ, পাঁচ লাখক চৰকাৰী চাকৰি, ৩৬৫ টকা বাগানৰ মজুৰি আৰু কা নমনাৰ বিষয়ে সাংসদজনে কয়। উক্ত সভাতেই তেওঁ বিজেপি চৰকাৰক এখন দুৰ্বল চৰকাৰ বুলি কয়। অখিল গগৈক সোনকালে জেলৰ পৰা ৰেহাই দিব আৰু দেৰগাঁও সমষ্টিৰ কৰিবলগীয়া সকলো কাম কৰিব বুলি তেওঁ কয়। সভাত কংগ্ৰেছৰ প্ৰাৰ্থী বাণী হাজৰিকা প্ৰমুখ্যে কংগ্ৰেছৰ সমূহ কৰ্মকৰ্তা উপস্থিত থাকে।

## মৰাণ, মাহমৰা, থাওৰা

*তিনি পৃষ্ঠাৰ পৰা* নহ'ল। শেহতীয়াভাৱে ৫০ টকা বৃদ্ধিৰে ২১৭ দৈনিক মজুৰি বৃদ্ধিৰ ঘোষণা কৰিছিল যদিও চাহ সন্থাই চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে আদালতৰ কাষ চপাত সেয়াও বন্ধ হ'ল। শ্ৰমিকসকলৰ বেংক একাউন্টত টকা সোমোৱাই দিয়া, বিনামূলীয়াকৈ চাউলৰ যোগান দিলেও অন্যান্য খাদ্য সামগ্ৰীৰ মূল্য অতিপাত বৃদ্ধি হোৱাত শ্ৰমিকসকল অসন্তুষ্ট হৈ পৰিছে। চাহ বাগিচাৰ শিক্ষিত যুৱক-যুৱতীক চাকৰিত মকৰল কৰা প্ৰতিশ্ৰুতিও প্ৰতিশ্ৰুতি ভাগেই থাকিল। বিজেপিয়ে শাসনত আহিলেই চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ টকালৈ বৃদ্ধি কৰিম বুলি প্ৰতিশ্ৰুতি দিছিল, কিন্তু সেয়াও ভুৱা প্ৰতিশ্ৰুতি হিচাপে প্ৰতিপন্ন হ'ল। সেয়ে চাহ বাগিচাৰ শ্ৰমিকসকলে বিজেপি চৰকাৰৰ বিৰুদ্ধে এতিয়া জাঙুৰ খাই উঠিছে। বিজেপি হটাও অভিযান আৰম্ভ কৰি চাহ বাগিচাৰ শ্ৰমিকসকল দলে-বলে ওলাই আহি কংগ্ৰেছৰ পক্ষত থিয় দি কংগ্ৰেছৰ প্ৰাৰ্থীক জয়যুক্ত কৰিবলৈ নিৰ্বাচনী প্ৰচাৰত উঠি পৰি লাগিছে বুলি বাৰ্তাটোত উল্লেখ কৰিছে। বাৰ্তাটোত উল্লেখ কৰা মতে, চাহ বাগিচাৰ শ্ৰমিকসকলে উজনি অসমৰ মৰাণ, মাহমৰা, থাওৰা, টিংখাং, সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থীসকলক বিপুল ভোটত জয়ী কৰিবলৈ সিদ্ধান্ত লৈছে।

## বিজেপিৰ এশ প্লাছৰ সপোন

*তিনি পৃষ্ঠাৰ পৰা* প্লাছ ক'ত দেখিছে।' তেওঁলোকৰ এইবাৰ সকলো ফালেই মাইনাছ। অসমৰ ৰাইজে সকলো সমষ্টিতে এইবাৰ কংগ্ৰেছ মহাজোঁটৰ সপক্ষে ওলাই আহিছে। বিজেপিক অসমৰ পৰা বাহিৰ কৰি দিবলৈ সংকল্প লৈছে। দলটোৰ সভাপতি ৰঞ্জিত দাসে নিজ সমষ্টি এৰি পাটাছাৰকুছিলৈ পলাবলগা হৈছে।' ইপিনে, মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰসংগত তেওঁ কয়, 'হাগ্ৰামা লগত থাকোতেহে হিমন্ত হিৰ'। এতিয়া হিমন্ত জিৰ'। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত কংগ্ৰেছৰ টুৱেণ্টি প্লাছ হ'ব। বিজেপিৰ টুৱেণ্টি মাইনাছ।' স্বভাৱসুলভ ব্যংগৰে দিয়া ভাষণত তেওঁ বিজেপি-আৰ এছ এছেহে গোমাংসৰ বেপাৰ কৰাৰ অভিযোগ তুলি কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে মহাপুৰুষজনক ব্ৰিটিছৰ লগত যুদ্ধত মৰা বুলি কয়। অমিত শ্বাহে অসমত আন্দোলন, সন্ত্ৰাসবাদ নাই বুলি কয়, এইবোৰ কাৰণতে তেওঁ বিজেপিৰ লগ এৰা বুলি মন্তব্য কৰি ৰাইজক উন্নয়নৰ স্বাৰ্থত কংগ্ৰেছক ভোট দিবলৈ আহ্বান জনায়। প্ৰাৰ্থী গগৈয়ে আদৰণি ভাষণ দি ৰাইজৰ আশীৰ্বাদ বিচৰা সভাত নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ সম্পাদক তথা মুখপাত্ৰ মুকুল বাছনিকেও ভাষণ দিয়ে। বিজেপিৰ মিছা প্ৰতিশ্ৰুতিত ভোল নাযাবলৈ ৰাইজক আহ্বান জনাই তেওঁ কংগ্ৰেছৰ পাঁচটা গেৰাণ্টি আখৰে আখৰে পালন কৰা হ'ব বুলি ব্যক্ত কৰে। বিজেপিয়ে ২১ লাখ নিবনুৱাক চাকৰি দিম বুলি কৰা প্ৰৱঞ্চনা, চাহ শ্ৰমিকক কৰা প্ৰৱঞ্চনাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কংগ্ৰেছ শাসনলৈ আহিলে নিবনুৱা সমস্যা সমাধানত সৰ্বাধিক গুৰুত্ব দিয়াৰ আশ্বাস দিয়ে।

## ৰাষ্ট্ৰীয়তাবাদৰ কু-শাসনৰ

*তিনি পৃষ্ঠাৰ পৰা* বিচাৰি আহিছে। ৰাজ্যৰ পঞ্চদশ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণলৈ আৰু দুটা দিন বাকী থকা অৱস্থাত আজি মৰাণত সাংবাদিকৰে হোৱা এক মত বিনিময় অনুষ্ঠানত এনেদৰে কয় অসম জাতীয় পৰিষদৰ চৰাইদেউ জিলাৰ ১০৫ নম্বৰ মাহমৰা বিধানসভা সমষ্টিৰ দলটোৰ প্ৰাৰ্থী তথা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি মাণিক গগৈয়ে। তেওঁ পুনৰ কয়, 'অসমত এতিয়া আঞ্চলিকতাবাদৰ ঢৌ সৃষ্টি হৈছে। আঞ্চলিক শক্তি একত্ৰিত হৈ শাসনৰ নামত অপশাসন সৃষ্টি কৰা শাসকীয় বিজেপিক আমি প্ৰতিহত কৰিব লাগিব। বিগত পাঁচটা বছৰে বিজেপি চৰকাৰখনে খিলঞ্জীয়া জনসাধাৰণৰ ওপৰত যি অমানুষিক নিৰ্যাতন চলালে ইয়াৰ প্ৰত্যুত্তৰ আমি এইবাৰ নিৰ্বাচনত দিব পাৰিব লাগিব। জাতিধ্বংসী নাগৰিকত্ব সংশোধনী আইন ২০১৬ক জাপি দি চৰকাৰখনে অসম চুক্তি অৱমাননা কৰিছে। অসমৰ খিলঞ্জীয়া জনসাধাৰণক দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে এইখন বিজেপি চৰকাৰে স্বীকৃতি দিবলৈ চেষ্টা কৰিছে। গগৈয়ে মাহমৰা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ ৰাজহ, দুৰ্যোগ ব্যৱস্থাপনা (স্বতন্ত্ৰ) আৰু লোক নিৰ্মাণ (ৰাজ্যিক) মন্ত্ৰী যোগনে মহনক তীব্ৰ আক্ৰমণ কৰি কয়, 'মন্ত্ৰী হিচাপে যোগেন মহনে তেওঁৰ আটাইকেইটা বিভাগতে সমষ্টিটোত উন্নয়নত ব্যৰ্থ হৈ পৰিল। কেৱল মাত্ৰ ছিণ্ডিকেট আৰু বৈধ মাৰণাস্ত্ৰ অনুজ্ঞাপত্ৰ প্ৰদানত তেওঁ সফল হ'ল। সমষ্টিটোৰ দলীয় কৰ্মী আৰু পঞ্চায়ত প্ৰতিনিধিৰ হাতে হাতে বন্দুকৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰি মন্ত্ৰীজনে নিজৰ অভিলেখ সৃষ্টি কৰাত অস্কাৰ বঁটা লাভ কৰিলেও আচৰিত হ'বলগীয়া কোনো কাৰণ নাথাকিব।' তেওঁ এইবাৰ নিৰ্বাচনী যুঁজখন মাহমৰা সমষ্টিত বিজেপি আৰু অজাপৰ মাজতে সীমাবদ্ধ থাকিব বুলি উল্লেখ কৰে। উল্লেখ্য যে এইবাৰ সমষ্টিটোত ১,৩৬,০৬৯ গৰাকী ভোটাৰৰ বিপৰীতে সাতজন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। আহোম জনগোষ্ঠীৰ সৰ্বাধিক ভোটাৰ থকা সমষ্টিটোত ছজন আহোম জনগোষ্ঠীয় প্ৰাৰ্থীৰ বিপৰীতে কেৱল এজন চাহ জনগোষ্ঠীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। কিন্তু শেহতীয়াভাৱে সমষ্টিটোত বিজেপি, কংগ্ৰেছ আৰু অজাপৰ মাজতে প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে।

## টংলা চহৰৰ ব্যৱসায়িক প্ৰতিষ্ঠান-বজাৰত ভোট ভিক্ষা বিশ্বজিৎ দৈমাৰীৰ

**অগ্ৰদূত বাৰ্তা**

**টংলা, ২৪ মাৰ্চ ঃ** নিৰ্বাচনী অংকত মোৰ প্ৰতিদ্বন্দ্বিতা কাৰো স'তে নহয় বাবে মোৰ বিজয় নিশ্চিত। বিজেপি, ইউপিপিএল, অগপ আৰু জি এছ পিৰ মিত্ৰতাৰ প্ৰতি ৰাইজৰ সমৰ্থন আছে আৰু সেই বাবে পানেৰীত আমাৰ বিজয় এশ শতাংশ। যদিও বিৰোধী বুলি বিপিএফ আছে; কিন্তু বিপিএফক আজি ৰাইজে প্ৰত্যাখ্যান কৰিছে। বিপিএফৰ অপশাসন সমষ্টিবাসীয়ে পাহৰা নাই।' এই মন্তব্য পানেৰী বিধানসভা সমষ্টিৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী বিশ্বজিৎ দৈমাৰীৰ। আসন্ন বিধানসভা নিৰ্বাচনৰ নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে দৈমাৰীয়ে আজি সমষ্টিটোৰ প্ৰাণকেন্দ্ৰ টংলা চহৰৰ ব্যৱসায়ীক প্ৰতিষ্ঠান আৰু বজাৰত ব্যৱসায়িসকলৰ লগতে ঠেলাচালক, বিক্সাচালক আৰু সাধাৰণ পথচাৰীক সাক্ষাৎ কৰি সমষ্টিৰ উন্নয়নৰ স্বাৰ্থত বিজেপিৰ পক্ষত বহুমূলীয়া ভোট দি তেওঁক বিজয়ী কৰিবলৈ ভোট ভিক্ষা কৰি সাংবাদিকসকলৰ স'তে মত বিনিময় কৰে। পানেৰী সমষ্টিটো প্ৰথমবাৰৰ বাবে বিজেপিৰ দখলত আহিব বুলি মত ব্যক্ত কৰাৰ লগতে বিপিএফ আৰু হাগ্ৰামা মহিলাৰীক তেওঁ ক্ষুৰধাৰ সমালোচনা কৰে। তেওঁ কয়, 'এতিয়া বিপিএফৰ দিন নাই, বিপিএফত মই আছিলো। কিন্তু বিপিএফ দুৰ্নীতিত গেলা দেখি বিপিএফ এৰি বিজেপিত আহিছো।' তেওঁ কয় যে বিপিএফৰ একো পৰিকল্পনা নাই। চাৰিটা কাৰ্যকাল বিপিএফৰ দখলত থকাৰ পাছতো পৰিকল্পনা নথকা বাবে পানেৰী সমষ্টিৰ উন্নয়ন হোৱা নাই। পৰিকল্পনা আৰু আঁচনি নথকাৰ বাবে মহিলাৰীয়ে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা এহেজাৰ কোটি টকা লাভ কৰিও পানেৰী সমষ্টিত ২০ কোটি খৰচ কৰিবলৈ সক্ষম নহ'ল। সেই কাৰণে সমষ্টিৰ ৰাইজে এইবাৰ বিপিএফক আঁতৰাই বিজেপিক বিচাৰিছে বুলি উল্লেখ কৰে। আনহাতে, নিৰ্বাচনী প্ৰচাৰত ব্যস্ত থকাৰ সময়তে চাহ হোটেলৰ এগৰাকী মহিলা কৰ্মচাৰীয়ে বিশ্বজিৎ দৈমাৰীক অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি কমাবলৈ অনুৰোধ জনাই কয় যে দুখীয়াসকলক চাব লাগিব, তেতিয়া ভোট দিম। বস্তুৰ দাম ইমান বেছি যে আমি তিনিশ টকাত দিন হাজিৰা কৰি ঘৰ চলাব নোৱাৰো। আমাৰ দৰে দুখীয়াসকলে আজি মিঠাতেল কিনি খাব নোৱাৰা হৈছো বুলি দৈমাৰীৰ ওচৰত নিজৰ দুখ প্ৰকাশ কৰি বিজয়ী হওক তাৰ পাছত ৰাইজক চাওক বুলি আহ্বান জনায় মহিলা শ্ৰমিকগৰাকীয়ে।

## ঘগ্ৰাপাৰত মহাজোঁটৰ নিৰ্বাচনী কাৰ্যালয় উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৪ মাৰ্চ ঃ** নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত যোৱা ২৩ মাৰ্চত মহাজোঁটৰ এটি কাৰ্যালয় মুকলি কৰে নলবাৰীৰ চিপিআই(এম)ৰ নেতা ৰবীন মিশ্ৰই। সন্ধিয়া দক্ষিণ ঘগ্ৰাপাৰ বজাৰ চ'কৰ সমীপত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি চিপিআই(এম) নেতাজনে ভাষণ প্ৰসংগত সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰ আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্তমল্ল বৰুৱাক চোকা ভাষাৰে সমালোচনা কৰি এইবাৰৰ নিৰ্বাচনত ভোটাৰ ৰাইজে কয়লা ছিণ্ডিকেটৰ পক্ষত ভোট দিবনে, উন্নয়ন-দুৰ্নীতি আৰু ৰাজহাড় পোন কৰাৰ পক্ষত ভোট দিব বুলি প্ৰশ্ন উত্থাপন কৰে। তেওঁ অহা দুই মে'ৰ পাছত বিজেপিৰ চৰকাৰ পতন হোৱাটো নিশ্চিত বুলি উল্লেখ কৰি সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে ৰাইজক ভোট দিবলৈ আহ্বান জনায়। যদি কিবাকৈ এই যুঁজত পৰাজয় হ'বলগীয়া হয়, তেতিয়াহ'লে পাছৰ প্ৰজন্মসকলে মূৰ দাঙি থিয় হৈ থাকিব নোৱাৰিব বুলি মন্তব্য কৰে। অসম তথা খিলঞ্জীয়াৰ বৰ্তমান আৰু ভৱিষ্যতৰ উন্নয়ন, উদ্যোগ-প্ৰতিষ্ঠান, কল-কাৰখানা, মাটি-ভেটি, তথা ভাষা, সভ্যতা আৰু সংস্কৃতিৰ সুৰক্ষাৰ কাৰণে সকলো ৰাইজ আৰু কৰ্মীসকলক একগোট হৈ মহাজোঁট প্ৰাৰ্থীৰ হৈ তেওঁ প্ৰচাৰ চলাবলৈ আহ্বান জনায়। বিজেপিৰ কাৰ্যকালত উন্নয়নৰ মুখ নেদেখা বৃহত্তৰ অঞ্চলটোত এইবাৰ মহাজোঁটৰ চৰকাৰ হ'লে উন্নয়ন কৰিব বুলিও প্ৰতিশ্ৰুতি দিয়ে। তেওঁ লগতে কয় যে মিত্ৰজোঁটৰ প্ৰাৰ্থী বৰুৱাৰ পক্ষত এইবাৰ ভোটাৰ ৰাইজ নাই। সম্প্ৰতি হিন্দু গাঁওসমূহত খহনীয়া অব্যাহত আৰম্ভ হোৱাৰ সময়তে বৰুৱা বাহিনী মুছলমান গাঁৱত সোমাই মিছা আৰু ভুৱা প্ৰতিশ্ৰুতিৰে তেওঁলোকৰ মন জয় কৰিবলৈ চেষ্টা ৰখা বুলি মন্তব্য কৰে। ঘগ্ৰাপাৰ মণ্ডল কংগ্ৰেছৰ সাধাৰণ সম্পাদক খনীন্দ্ৰ কুমাৰ লহকৰ আৰু সম্পাদক হৰকান্ত হালৈ আঁত ধৰা কাৰ্যালয় মুকলি সভাত বড়িগোগ বনভাগ ব্লক কংগ্ৰেছৰ সভাপতি ভূৱনেশ্বৰ কলিতা, নলবাৰী জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক লুটফুৰ ৰহমানে বিজেপি চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰে। অনুষ্ঠানত বিজেপি-অগপৰ ২০ গৰাকী কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে।

## বৰভাগত কংগ্ৰেছৰ প্ৰচাৰ অভিযান

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ২৪ মাৰ্চ ঃ** ৰাজ্যখনৰ তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া নলবাৰী জিলাৰ ৬০ নম্বৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টিত নিৰ্বাচনী বতাহ তীব্ৰতৰ হৈ পৰিছে। সমষ্টিটোত মহাজোঁটৰ কংগ্ৰেছৰ প্ৰাৰ্থী দিগন্ত বৰ্মনৰ সমৰ্থনত দলটোৰ নেতা-কৰ্মীসকলে নিৰ্বাচনী প্ৰচাৰ অভিযান ক্ৰমে তীব্ৰতৰ কৰিছে। কালি সমষ্টিটোৰ বৰভাগ অঞ্চলৰ বিভিন্ন ঠাইত মহাজোঁটৰ কংগ্ৰেছৰ প্ৰাৰ্থীজনে অঞ্চলটোৰ গাঁৱে গাঁৱে প্ৰচাৰ চলাই বিজেপিক শাসনৰ পৰা উৎখাত কৰি মহাজোঁট চৰকাৰ গঠন কৰিবলৈ ৰাইজক আহ্বান জনায়। তেওঁ অঞ্চলটোৰ কৰিয়া, উলাবড়ী, কমাৰকুছি, ৰাইমাধা, কোটালকুছি, সোনকানি, বড়িদতৰা, সানেকুছি আদি গ্ৰামাঞ্চলত প্ৰচাৰ চলোৱাৰ লগতে বাউসী উদয়পুৰ, বজালী উদয়পুৰ আৰু কমাৰকুছিত কে'বাগৰাকী মহিলা আৰু যুৱকে কংগ্ৰেছ দলত যোগদান কৰে। প্ৰাক্তন মুখ্যমন্ত্ৰী ভূমিধৰ বৰ্মনৰ পুত্ৰ দিগন্ত বৰ্মনে জয়ী হ'ব পাৰিলে বৰভাগত এখন উচ্চ শিক্ষাৰ অনুষ্ঠান আৰু নিবনুৱা যুৱকক সংস্থাপিত কৰাৰ বিশেষ ব্যৱস্থা ল'ব বুলিও আশ্বাস দিয়ে।

## ধুবুৰীত ৰাজনৈতিক দল-প্ৰাৰ্থীৰ লগত প্ৰশাসনৰ বৈঠক

**ধুবুৰী, ২৪ মাৰ্চ ঃ** ধুবুৰী নিৰ্বাচন জিলাৰ তিনিওটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী বা তেওঁলোকৰ প্ৰতিনিধিৰ স'তে কালি ধুবুৰী জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত প্ৰশাসনৰ এখন বৈঠক অনুষ্ঠিত হয়। ধুবুৰী আৰু গৌৰীপুৰ সমষ্টিৰ সাধাৰণ পৰ্যবেক্ষক সতীশ মহাদেউ লখাণ্ডে, গোলকগঞ্জৰ সাধাৰণ পৰ্যবেক্ষক কান্ত কিশোৰ মিশ্ৰ, তিনিওটা সমষ্টিৰ বাবে নিযুক্ত ব্যয় পৰ্যবেক্ষক অৱনীশ কুমাৰ যাদুৱৰ উপস্থিতিত অনুষ্ঠিত বৈঠকখনিত সভাপতিত্ব কৰে জিলা নিৰ্বাচন বিষয়া তথা জিলা উপায়ুক্ত দেৱ কুমাৰ কলিতাই। সকলো দল আৰু প্ৰাৰ্থীক আদৰ্শ নিৰ্বাচনী আচৰণবিধি মানি চলি নিকা আৰু মুক্ত নিৰ্বাচন অনুষ্ঠিত কৰাত সহযোগ কৰিবলৈ জিলা নিৰ্বাচন বিষয়াই আহ্বান জনায়।তেওঁ সকলোকে ক'ভিড বিধি মানি চলিবলৈ আৰু ৰাইজকো মাস্ক পিন্ধা, সমাজিক দূৰত্ব মানি চলাৰ বাবে উৎসাহিত কৰিবলৈ আহ্বান জনায়। নিৰ্বাচনী প্ৰচাৰৰ সময়ত যাতে ক'ভিড বিধি সম্পূৰ্ণৰূপে মানি চলা হয় তাৰ প্ৰতি বিশেষভাৱে সতৰ্ক হ'বলৈ তেওঁ সকলো দল আৰু প্ৰাৰ্থীক আহ্বান জনায়। ৰাজনৈতিক দল আৰু প্ৰাৰ্থী বা তেওঁলোকৰ সমৰ্থকে মানি চলিবলগীয়া আচৰণবিধি সম্পৰ্কত ব্যাখ্যা আগবঢ়াই ধুবুৰী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনিমেষ তালুকদাৰে। সেই অনুসৰি প্ৰশাসনৰ অনুমতি নোহোৱাকৈ কোনো দল বা প্ৰাৰ্থীয়ে সভা, সমদল, পথসভা আদি কৰিব নোৱাৰিব আৰু যাৱতীয় অনুমতিৰ বাবে তেওঁলোকে 'সুবিধা' নামৰ এপটোৰ জৰিয়তে আবেদন কৰিব লাগিব। প্ৰচাৰৰ সময়তে কোনো প্ৰাৰ্থীয়ে কাকো ব্যক্তিগতভাৱে আক্ৰমণ কৰিব নোৱাৰিব।

## সৰবৰহী ধৰ্মপ্ৰাণা মহিলা হিৰণ বালা দাসৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২৪ মাৰ্চ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম অঞ্চলৰ সৰবৰহী ধৰ্মপ্ৰাণা মহিলা হিৰণ বালা দাসৰ যোৱা ২৩ মাৰ্চৰ পুৱা দেহাৱসান হোৱাত শোকৰ ছাঁ পৰিছে অঞ্চলটোত। সৃজনগ্ৰাম অঞ্চলৰ চক্ৰভৌম পঞ্চায়তৰ পাখিৰীগুৰী নিৱাসী দীনেশ দাসৰ পত্নী তথা সৰবৰহী মহিলা হিৰণ বালা দাসে কিছুদিনৰ পৰা মধুমেহ ৰোগত আক্ৰান্ত হোৱাৰ পাছত চিকিৎসাধীন হৈ আছিল। স্বাস্থ্যৰ অধিক অৱনতি হোৱাত বঙাইগাঁওলৈ চিকিৎসাৰ বাবে নিয়ে যদিও তাতেই শেষ নিশ্বাস ত্যাগ কৰে। পাছত দাসৰ মৃতদেহটো নিজ ঘৰত অনাৰ পাছত গুণমুগ্ধ, আত্মীয়-স্বজনে শেষ শ্ৰদ্ধা জনায় আৰু স্থানীয় শ্মশানত শেষকৃত্য সম্পন্ন কৰে। স্বামীসহ দুই পুত্ৰ আৰু এগৰাকী কন্যাক এৰি যোৱা দাসৰ মৃত্যুত সৃজনগ্ৰাম আঞ্চলিক সাৰ্বজনীন পালনাম মহোৎসৱ উদ্‌যাপন সমিতিস চক্ৰভৌম পঞ্চায়তৰ সভাপতি ৰজনী ৰায়ে গভীৰ শোক প্ৰকাশ কৰি বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰে।

## হাউলীৰ পৰাভড়াল গোপাল আতা সত্ৰত তিনিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন

**হাউলী, ২৪ মাৰ্চ ঃ** হাউলীৰ পৰাভঁড়াল আতা সত্ৰত অহা ২৭ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। ইতিমধ্যে উৎপল নাথক সভাপতি, ধৰণীধৰ দাসক কাৰ্যকৰী সভাপতি, ৰূপম দাস, জোতিৰ্ময় দাস আৰু প্ৰীতম নাথক সম্পাদক হিচাপে লৈ দৌল উৎসৱ উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি, ২৭ মাৰ্চৰ পৰা পুৱা গছপুলি ৰোপণৰ পাছতে বনমালী মুদৈ সোঁৱৰণী কুইজ আৰু আবৃত্তি প্ৰতিযোগিতা। লম্বোধৰ দাস সোঁৱৰণী জ্যোতি, বিষ্ণু আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা। আবেলি অভিনেত্ৰী দেবযানী গায়নে সুৰেন্দ্ৰ নাৰায়ণ গোস্বামী সোঁৱৰণী প্ৰতিযোগিতামূলক সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব। সন্ধিয়া বন্তি প্ৰজুলন কৰাৰ পাছতে গোসাঁই দৌলত আৰোহণ আৰু আতচবাজী প্ৰদৰ্শন কৰা হ'ব। নিশা হেমেন দাস সোঁৱৰণী আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। বিয়লি 'আলোকৰ সন্ধানত' শীৰ্ষক ছাত্ৰ-ছাত্ৰী স'তে মত বিনিময় অনুষ্ঠান আৰু সন্ধিয়া মঞ্জুলা নাথ সোঁৱৰণী প্ৰাইজমানি ঘোষানাম প্ৰতিযোগিতা। সন্ধিয়া প্ৰাইজমানি মুকলি হোলীগীত প্ৰতিযোগিতা। নিশা স্থানীয় শিল্পীসকলৰ দ্বাৰা সংগীতানুষ্ঠান। ইফালে, ২৯ মাৰ্চৰ পুৱাৰ পৰাই সুৰেৰী। সন্ধিয়া পৰাভড়াল দৌল উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি উৎপল নাথৰ পৌৰোহিত্যত অনুষ্ঠিত হ'ব মুকলি, বঁটা বিতৰণী অনুষ্ঠান আৰু স্মৃতিগ্ৰন্থ উন্মোচনী সভা। সভাত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, শিল্পী হিৰন্ময় দেউৰী আৰু নকুল দাস, বৰপেটাৰ বিধায়ক গুণীন্দ্ৰ নাথ দাস, বিটিআৰৰ কাৰ্যবাহী বিষয়া গৌতম দাস, ৫৪ বেটেলিয়ন এছ এছ বি অফিচ কমাণ্ডেণ্ট আৰ কে তেজ কুমাৰ, শালবাৰী মহকুমাৰ মহকুমা আৰক্ষী বিষয়া সমীৰণ বৈশ্য, বৰপেটা জিলাৰ যানবাহন পৰিদৰ্শক পংকজ কুমাৰ দাসে অংশগ্ৰহণ কৰিব। উদ্‌যাপন সমিতিৰ উদ্যোগত প্ৰকাশিত হ'বলগীয়া স্মৃতিগ্ৰন্থ 'আবিৰ অঞ্জলি' উন্মোচন কৰিব পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত হেমেন দাসে। নিশা ভোজপুৰী ৰাণী খ্যাত বিশিষ্ট সংগীত শিল্পী কল্পনা পাটোৱাৰীয়ে উদ্বোধন কৰিবলগীয়া সাংস্কৃতিক সমাৰোহৰ অনুষ্ঠানত জনপ্ৰিয় জয় চক্ৰৱৰ্তী আৰু মৃদুস্মিতাই সংগীত পৰিৱেশন কৰিব। দৌল উৎসৱৰ সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি কামনা কৰিছে প্ৰচাৰ সম্পাদক পুলিন দাসে।



## উত্তৰসূৰী হিচাপে ৰমন্নাৰ নাম প্ৰস্তাৱ কৰিলে এছ এ ব'বডেয়ে

নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৪ মাৰ্চ ঃ** উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এছ এ ব'বডেয়ে সৰ্বোচ্চ ন্যায়ালয়ৰ পৰৱৰ্তী মুৰব্বী হিচাপে এন ভি ৰমন্নাৰ নাম প্ৰস্তাৱ কৰিলে। উল্লেখ্য যে অহা ২৩ এপ্ৰিলত মুখ্য ন্যায়াধীশৰ পদৰ পৰা ব'বডেয়ে অৱসৰ গ্ৰহণ কৰিব। ইয়াৰ পাছতে সৰ্বোচ্চ ন্যায়ালয়ৰ নতুন মুখ্য ন্যায়াধীশ নিয়োগ কৰা হ'ব। যোৱা সপ্তাহত কেন্দ্ৰীয় চৰকাৰে ব'বডেৰ পৰা তেওঁৰ উত্তৰসূৰীৰ নামৰ প্ৰস্তাৱ বিচাৰিছিল। বৰ্তমানে সৰ্বোচ্চ ন্যায়ালয়ত ব'বডেৰ পাছত ৰমন্নাই হৈছে সবাতোকৈ বৰ্ষীয়ান ন্যায়াধীশ। ২০২২ৰ ২৬ আগষ্টলৈকে ৰমন্নাৰ কাৰ্যকাল আছে। ভাৰতৰ আইন ব্যৱস্থাত সৰ্বোচ্চ পদত সাধাৰণতে বৰ্ষীয়ান ন্যায়াধীশক নিয়োগ কৰা হয়।

### দেশত ক'ভিডৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌ বৃদ্ধি ঃ ক'ভিড বিধি মানি চলিবলৈ প্ৰাৰ্থীক সকীয়নি আয়োগৰ

# প্ৰচাৰলৈ গৈ আলিংগন-কৰমৰ্দন কৰিলে হ'ব পাৰে কাৰাদণ্ড

নিউজ ব্যুৰ'
**কলকাতা, ২৪ মাৰ্চ ঃ** নিৰ্বাচনৰ বতৰত প্ৰচাৰলৈ গৈ জনসংযোগৰ নামত প্ৰাৰ্থীয়ে কোনো ব্যক্তিৰ স'তে আলিংগন, কৰমৰ্দন তথা আন ধৰণৰ শাৰীৰিক সংস্পৰ্শ কৰিলে তেনে প্ৰাৰ্থীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ হুংকাৰ দিলে নিৰ্বাচন আয়োগে। দেশত ক'ভিডৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌ বৃদ্ধি পাইছে আৰু এই সংক্ৰমণ প্ৰতিৰোধৰ স্বাৰ্থত প্ৰাৰ্থীসকলক নিৰ্বাচনৰ প্ৰচাৰত ক'ভিড বিধি মানি চলিবলৈ আয়োগে সকীয়াই দিলে। নিৰ্বাচনত প্ৰচাৰলৈ গৈ



একাংশ প্ৰাৰ্থী, নেতাই শিশুক কোলাত তুলি লোৱা, কৰমৰ্দন কৰা, সাবটি ধৰা, একেলগে ছেলফি উঠা আদি কাৰ্যত লিপ্ত হোৱাটো সকলোৰে দৃষ্টিগোচৰ হৈ আহিছে। এনে আচৰণৰ পৰা প্ৰাৰ্থীসকলক আঁতৰি থাকিবলৈ আহ্বান জনাই আয়োগে জিলা প্ৰশাসন আৰু জিলা নিৰ্বাচন বিষয়াক প্ৰয়োজনত কঠোৰ পদক্ষেপ গ্ৰহণৰ নিৰ্দেশ দিলে। প্ৰাৰ্থীয়ে এই ধৰণৰ হঠকাৰী আচৰণ প্ৰদৰ্শন কৰিলে প্ৰাৰ্থিত্ব বাতিল কৰাৰ লগতে আইন অনুসৰি কাৰাদণ্ডও বিহা হ'ব পাৰে বুলি আয়োগে সকীয়নি জাৰি কৰিলে। ঘৰে ঘৰে প্ৰচাৰৰ ক্ষেত্ৰত প্ৰাৰ্থীয়ে পাঁচজনতকৈ অধিক সমৰ্থক-সদস্য লগত নিব নোৱাৰিব। তদুপৰি প্ৰচাৰৰ সময়ত প্ৰাৰ্থীয়ে মাস্ক পৰিধান কৰাৰ লগতে ছেনিটাইজাৰ ৰাখিব লাগিব। তদুপৰি অতিমাৰী সংক্ৰান্ত দূৰত্ব বিধিও মানি চলিব লাগিব। এই ধৰণৰ একাধিক নিৰ্দেশনা জাৰি কৰিলে নিৰ্বাচন আয়োগে।

## হোলী-ঈদ পালনত সতৰ্কতা অৱলম্বনৰ পৰামৰ্শ কেন্দ্ৰৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ মাৰ্চ ঃ** কেন্দ্ৰীয় অতিৰিক্ত স্বাস্থ্য সচিবে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশৰ মুখ্য সচিবলৈ পত্ৰ প্ৰেৰণৰে হোলী, বিহু, শ্বব-এ-বাৰাত, ঈদ, ইষ্টাৰৰ দৰে উৎসৱসমূহ পালনৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বনৰ পৰামৰ্শ দিলে। এই পত্ৰত স্বাস্থ্য সচিবে কয় যে হোলী, শ্বব-এ-বাৰাত, ঈদ, বিহু, ইষ্টাৰৰ দৰে উৎসৱসমূহ পালনৰ ক্ষেত্ৰত ৰাজ্যসমূহ তথা স্থানীয় প্ৰশাসনে নিষেধাজ্ঞা আৰোপ কৰিব পাৰিব। কৰ'নাৰ পুনৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি এনেবোৰ উৎসৱ পালনৰ ক্ষেত্ৰত স্থানীয় প্ৰশাসনক প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ কেন্দ্ৰীয় অতিৰিক্ত স্বাস্থ্য সচিবে আহ্বান জনাইছে। উৎসৱ পালনৰ ক্ষেত্ৰত জনসাধাৰণে যাতে ভিৰ কৰিব নোৱাৰে তাক নিশ্চিত কৰিবলৈ দুৰ্যোগ ব্যৱস্থাপনা আইনৰ ২২ ধাৰাৰ জৰিয়তে ৰাজ্যসমূহে নিজা সিদ্ধান্ত আৰু নিয়ম-নীতি জাৰি কৰিব পাৰিব।



## মুম্বাইত নিষিদ্ধ হ'ল হোলী



**নিউজ ব্যুৰ', মুম্বাই, ২৪ মাৰ্চ ঃ** কৰ'নাৰ ব্যাপক সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি বৃহনমুম্বাই পৌৰ নিগম (বি এম চি)-এ অহা ২৮ আৰু ২৯ মাৰ্চত মুম্বাইত হোলী উদ্‌যাপনত নিষেধাজ্ঞা আৰোপ কৰিলে। এই সংক্ৰান্ত এক নিৰ্দেশনা জাৰি কৰি বি এম চিয়ে কয় যে পথ আৰু ব্যক্তিগত পৰিসৰতো এইবাৰ মুম্বাইবাসীয়ে হোলী খেলিব নোৱাৰিব। কোনো ব্যক্তিয়ে এই নিৰ্দেশনা ভংগ কৰিলে ১৮৯৭ত মহামাৰী আইন আৰু ২০০৫ৰ দুৰ্যোগ ব্যৱস্থাপনা আইনৰ অধীনত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি বি এম চিয়ে সকীয়াই দিয়ে।

## সলনি হ'ল পশ্চিমবংগৰ দৃশ্যপট, শেহতীয়া সমীক্ষাত যথেষ্ট উত্থান বিজেপিৰ

**নিউজ ব্যুৰ', কলকাতা, ২৪ মাৰ্চ ঃ** পশ্চিমবংগৰ বিধানসভাৰ নিৰ্বাচনে এইবাৰ সমগ্ৰ দেশবাসীৰে দৃষ্টি আকৰ্ষিত কৰিছে। শাসনাধিষ্ঠিত তৃণমূল কংগ্ৰেছক ৰাজ্যখনৰ ক্ষমতাৰ পৰা অপসাৰণ কৰিবলৈ এইবাৰ বিজেপিয়ে ৰণহুংকাৰ দিছে। পূৰ্বৰ সমীক্ষাত পশ্চিমবংগত বিজেপিৰ বাবে এইবাৰ চৰকাৰ গঠনৰ স্বপ্ন পূৰণ নহ'ব বুলি দাবী কৰা হৈছিল। কিন্তু শেহতীয়া প্ৰাক নিৰ্বাচনী জনমত সমীক্ষাত তৃণমূল কংগ্ৰেছৰ বৃহৎ প্ৰত্যাহ্বান জনালে বিজেপিয়ে। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে জনমত সমীক্ষাত ৰাজ্যখনত বিজেপিয়ে লাভ কৰিবলগা সম্ভাব্য আসনৰ সংখ্যা যথেষ্ট বৃদ্ধি পালে। এ বি পি-চি এন এক্সৰ শেহতীয়া জনমত সমীক্ষাত বিজেপি আৰু তৃণমূল কংগ্ৰেছৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা প্ৰকট হ'ল। শেহতীয়া সমীক্ষাটোৰ তথ্য অনুসৰি মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছে ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনত ১৩৬-১৪৬ আসন লাভ কৰাৰ সম্ভাৱনা আছে। আনহাতে, এই নিৰ্বাচনত বিজেপিয়ে ১৩০-১৪০ সমষ্টিত জয়লাভ কৰিব পাৰে। উল্লেখ্য যে ৰাজ্যখনত চৰকাৰ গঠনৰ বাবে ১৪৮ সমষ্টিত জয়ৰ প্ৰয়োজন। কিছুদিন পূৰ্বে চলোৱা এ বি পি নিউজ-চি এন এক্সৰ প্ৰথমটো সমীক্ষাত মমতাৰ দলটোৱে ১৫৪-১৬৪ আসন লাভৰে অনায়াসে ৰাজ্যখনত চৰকাৰ গঠন কৰিব বুলি কোৱা হৈছিল। উক্ত সমীক্ষাত বিজেপিক দিয়া হৈছিল ১০২-১১২ সমষ্টি। কিন্তু মাত্ৰ কেইটামান দিনৰ ভিতৰতে বিজেপিৰ জনপ্ৰিয়তা ভোটাৰৰ মাজত বৃদ্ধি পোৱাৰ ইংগিত দিলে এ বি পি-চি এন এক্সৰ দ্বিতীয়টো জনমত সমীক্ষাই।



## পশ্চিমবংগত ১০৫ সমষ্টিত নিৰ্ণায়কৰ ভূমিকাত অৱতীৰ্ণ হ'ব মুছলমান ভোটদাতা

নিউজ ব্যুৰ'
**কলকাতা, ২৪ মাৰ্চ ঃ** পশ্চিমবংগৰ বিধানসভাৰ নিৰ্বাচনত মুছলমান ভোটদাতাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰকাশিত তথ্য অনুসৰি ৰাজ্যখনৰ ৩০ শতাংশ ভোটদাতা মুছলমান। পশ্চিমবংগ বিধানসভাৰ মুঠ ২৯৪ সমষ্টিৰ ১০৫টাত মুছলমান ভোটদাতাই নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰি আহিছে। উত্তৰ আৰু দক্ষিণ দিনাজপুৰ, মুৰ্চিদাবাদ, মালদা আৰু দক্ষিণ ২৪ পৰগনা জিলাত মুছলমান ভোটদাতাৰ সংখ্যা ৪০ শতাংশৰো অধিক। মুৰ্চিদাবাদত



প্ৰায় ৭০ শতাংশ আৰু মালদাত ৫৭ শতাংশ মুছলমান ভোটদাতা আছে। এই দুয়োখন জিলা বাংলাদেশৰ সীমাত অৱস্থিত। এই আটাইকেইখন জিলাৰ সমষ্টিত মুছলমান ভোটদাতাই বিজয়ী নিৰ্ণয় কৰাটো প্ৰায় নিশ্চিত। উল্লেখ্য যে পূৰ্বে বামমৰ্চাই মুছলমানৰ এই ভোটবেংকৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল যদিও মমতা বেনাৰ্জীৰ আগমনৰ পাছত তৃণমূল কংগ্ৰেছে মুছলমানৰ ভোটৰ বিভাজন ঘটাইছিল। এইবাৰৰ নিৰ্বাচনত ফুৰফুৰা শ্বৰীফৰ পীৰজাদা আব্বাছ ছিদ্দিকীয়ে ছেকুলাৰ ফ্ৰন্ট দল গঠন কৰি প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে আৰু কে'বাখনো জিলাত বিশেষ প্ৰভাৱ থকা ছিদ্দিকীৰ দলটোৱে মুছলমানৰ ভোটবেংকৰ পুনৰ বিভাজন ঘটোৱাৰ যথেষ্ট সম্ভাৱনা আছে।

## সন্ত্ৰাস বন্ধ হ'লেই আস্থা বৃদ্ধি পাব ঃ ইমৰানলৈ সুসম্পৰ্কৰ বাৰ্তা মোদীৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ মাৰ্চ ঃ** ভাৰত-পাকিস্তানৰ মাজত সুসম্পৰ্কৰ বাবে সন্ত্ৰাসমুক্ত আৰু হিংসাবিহীন আস্থাৰ পৰিৱেশ গঢ়ি তোলা প্ৰয়োজন বুলি পাক প্ৰধানমন্ত্ৰী ইমৰান খানক অৱগত কৰিলে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। পাকিস্তান দিৱস উপলক্ষে মোদীয়ে পত্ৰযোগে ইমৰানক শুভেচ্ছা জ্ঞাপন কৰে আৰু এই পত্ৰত কয় যে প্ৰতিবেশী দেশৰ স'তে ভাৰতে সদায় সুসম্পৰ্ক বিচাৰে। সুসম্পৰ্ক গঢ়ি তোলাৰ বাবে বিশ্বাস আৰু হিংসামুক্ত পৰিৱেশৰ প্ৰয়োজন বুলি উল্লেখ কৰি মোদীয়ে কৰ'নাৰ প্ৰত্যাহ্বান অতিক্ৰম কৰাৰ বাবে ইমৰান আৰু পাকিস্তানৰ জনগণক শুভেচ্ছা জনায়। উল্লেখ্য যে দীৰ্ঘদিন প্ৰতিবেশী ৰাষ্ট্ৰখনৰ স'তে ভাৰতৰ সম্পৰ্ক অৱনমিত হৈছে আৰু অলপতে ইছলামাবাদে ভাৰতৰ স'তে সুসম্পৰ্ক স্থাপনৰ বাৰ্তা প্ৰেৰণ কৰিছিল। পাকিস্তানৰ এনে সদিচ্ছা প্ৰকাশৰ পাছতে পাকিস্তান দিৱস উপলক্ষে মোদীয়ে পাক প্ৰধানমন্ত্ৰীক পত্ৰযোগে শুভেচ্ছা জ্ঞাপন কৰে। প্ৰকাশিত বাতৰি অনুসৰি অহা ৩০ মাৰ্চত তাজাকিস্তানৰ ৰাজধানী ডুছানবেটত ভাৰত আৰু পাকিস্তানৰ বৈদেশিক মন্ত্ৰীৰ মাজত বৈঠক অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে।



## আমেৰিকাৰ ছাৰ্জন জেনেৰেল পদত নিযুক্ত ডাঃ বিবেক মূৰ্তি

নিউজ ব্যুৰ'
**ৱাশ্বিংটন, ২৪ মাৰ্চ ঃ** ক'ভিড বিৰোধী যুঁজত মাৰ্কিন ৰাষ্ট্ৰপতি জ' বাইডেনে আস্থা প্ৰকাশ কৰিলে ভাৰতীয় বংশোদ্ভূত চিকিৎসক বিবেক মূৰ্তিৰ প্ৰতি। নাগৰিকৰ স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত আমেৰিকাৰ সৰ্বোচ্চ প্ৰশাসনিক পদ ছাৰ্জন জেনেৰেল হিচাপে ডাঃ মূৰ্তিক নিৰ্বাচন কৰিলে বাইডেন প্ৰশাসনে। জনস্বাস্থ্য সেৱাৰ লগতে কৰ'না ভাইৰাছৰ প্ৰতিৰোধত সহযোগিতা আগবঢ়োৱাৰ বাবে ডাঃ মূৰ্তিক মাৰ্কিন ৰাষ্ট্ৰপতিৰ উপদেষ্টা হিচাপেও দায়িত্ব অৰ্পণ কৰা হৈছে। উল্লেখ্য যে বাৰাক অ'বামাই ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়ত ২০১৪ৰ পৰা ২০১৭ লৈ ছাৰ্জন জেনেৰেলৰ দায়িত্বত আছিল এইজন ভাৰতীয়মূলৰ চিকিৎসক। পাছত ড'নাল্ড ট্ৰাম্পৰ শাসন কালত ডাঃ মূৰ্তিক উক্ত পদৰ পৰা অপসাৰণ কৰা হৈছিল। এইবাৰ বাইডেন প্ৰশাসনে ডাঃ মূৰ্তিক পুনৰ পূৰ্বৰ দায়িত্বত নিয়োজিত কৰিলে।

## এশ কোটিৰ গুণ্ডাকৰৰ অভিযোগ ঃ পৰমবীৰৰ আবেদনৰ শুনানি গ্ৰহণত আপত্তি উচ্চতম ন্যায়ালয়ৰ

**নিউজ ব্যুৰ', নতুন দিল্লী , ২৪ মাৰ্চ ঃ** মুম্বাই আৰক্ষীৰ প্ৰাক্তন আয়ুক্ত পৰমবীৰ সিঙৰ এখন আবেদনৰ শুনানি গ্ৰহণ কৰিবলৈ আজি অস্বীকাৰ কৰিলে উচ্চতম ন্যায়ালয়ে। সৰ্বোচ্চ ন্যায়ালয়ে আজি আবেদনকাৰী সিঙক কয়, 'আপুনি যি অভিযোগ আনিলে সেয়া অতি গুৰুতৰ, তাত সন্দেহ নাই। কিন্তু আপুনি কিয় উচ্চ ন্যায়ালয়লৈ নগ'ল? প্ৰথমে আপুনি উচ্চ ন্যায়ালয়লৈ যোৱা উচিত।' উচ্চতম ন্যায়ালয়ে শুনানি গ্ৰহণৰ বাবে অস্বীকাৰ কৰাৰ পাছত সিঙে কয় যে তেওঁ এই সন্দৰ্ভত বোম্বে উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিব। উল্লেখ্য যে প্ৰাক্তন আৰক্ষী বিষয়াজনে মহাৰাষ্ট্ৰৰ গৃহমন্ত্ৰী অনিল দেশমুখৰ বিৰুদ্ধে মাহে ১০০ কোটি টকাৰ গুণ্ডাকৰ সংগ্ৰহৰ অভিযোগ উত্থাপন কৰি এই সন্দৰ্ভত চি বি আইৰ তদন্তৰ দাবীৰে সৰ্বোচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছিল।



## আম্বানী কাণ্ডৰ পৰিণতিত মুম্বাইত ৮৬ আৰক্ষীক বদলি

নিউজ ব্যুৰ'
**মুম্বাই, ২৪ মাৰ্চ ঃ** মুম্বাই আৰক্ষীত ব্যাপক সালসলনি ঘটালে ৰাজ্য প্ৰশাসনে। এদিনতে দেশৰ বাণিজ্যিক ৰাজধানীখনত ৮৬ জন আৰক্ষী বিষয়াক বদলি কৰা হ'ল। মঙলবাৰে বিয়লিবেলা মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেক ৰাজ্যৰ গৃহমন্ত্ৰী অনিল দেশমুখে সাক্ষাৎ কৰিছিল আৰু নিশা ৮৬ আৰক্ষী



বিষয়াক বদলিকৰণৰ নিৰ্দেশনা জাৰি কৰে। ইয়াৰ পূৰ্বে মুম্বাই আৰক্ষীৰ মুৰব্বী পদতো ৰাজ্য প্ৰশাসনে পৰমবীৰ সিঙক অপসাৰণ কৰি হেমন্ত নাগৰালেকক নিযুক্ত কৰিছিল। উল্লেখ্য যে যোৱা ২৫ ফেব্ৰুৱাৰীত দেশৰ বিশিষ্ট উদ্যোগপতি মুকেশ আম্বানীৰ বাসগৃহৰ সমীপত বিস্ফোৰক ভৰ্তি পৰিত্যক্ত গাড়ী এখন উদ্ধাৰ হোৱাৰ পাছৰে পৰা মুম্বাইত চাঞ্চল্য অব্যাহত আছে। শেহতীয়াভাৱে মহাৰাষ্ট্ৰৰ গৃহমন্ত্ৰী দেশমুখে গুণ্ডাকৰ সংগ্ৰহ কৰাৰ গুৰুতৰ অভিযোগো প্ৰাক্তন আৰক্ষী আয়ুক্ত পৰমবীৰ সিঙে উত্থাপন কৰিলে। এনেবোৰ অভিযোগ-প্ৰতিঅভিযোগৰ মাজতে থাকৰে চৰকাৰে ৮৬ জন আৰক্ষীক বদলিকৰণৰ নিৰ্দেশ দিলে। অপৰাধ দমন শাখাৰ ৬৫ জন বিষয়াক যান-বাহন শাখা আৰু জিলা স্তৰলৈ বদলি কৰা হয়।

## ৪৫ ঊৰ্দ্ধৰ বয়সৰ সকলোকে কৰ'নাৰ প্ৰতিষেধক

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ মাৰ্চ ঃ** ক'ভিডৰ টিকাকৰণৰ ক্ষেত্ৰত নতুন নিয়ম জাৰি কৰিলে কেন্দ্ৰীয় চৰকাৰে। এতিয়াৰে পৰা দেশৰ ৪৫ বছৰ ঊৰ্দ্ধৰ বয়সৰ যিকোনো নাগৰিকে কৰ'নাৰ প্ৰতিষেধক গ্ৰহণ কৰিব পাৰিব। অহা পহিলা এপ্ৰিলৰ পৰা ক'ভিড টিকাকৰণৰ ক্ষেত্ৰত এই নতুন নিয়ম প্ৰযোজ্য হ'ব। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা মতে, দেশজুৰি উক্ত বয়সৰ সীমাৰ প্ৰায় ৩৪ কোটি নাগৰিক আছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে ৬০ৰ ঊৰ্দ্ধৰ ব্যক্তি আৰু গুৰুতৰ ৰোগত আক্ৰান্ত ৪৫ বছৰ ঊৰ্দ্ধৰ বয়সৰ লোকক ক'ভিডৰ টিকা প্ৰদান কৰা হৈছিল। শেহতীয়াভাৱে কৰ'না সংক্ৰমণ দেশত বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ৪৫ বছৰ ঊৰ্দ্ধৰ সকলো লোকক টিকা প্ৰদানৰ সিদ্ধান্ত ল'লে।



## মোদীৰ নিচিনা মিছলীয়া দেখা নাই, উত্তৰ প্ৰদেশৰ পৰা আনিছে গুণ্ডা ঃ মমতাৰ মন্তব্য



**নিউজ ব্যুৰ', বিষ্ণুপুৰ, ২৪ মাৰ্চ ঃ** পশ্চিমবংগৰ নিৰ্বাচনৰ প্ৰচাৰত অংশ লৈ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আক্ৰমণৰ লক্ষ্য হিচাপে ল'লে। ৰাজ্যখনৰ বিষ্ণুপুৰত আজি এখন ৰেলীত অংশ লোৱাৰ সময়ত মমতাই প্ৰধানমন্ত্ৰী মোদীক এজন মিছলীয়া বুলি অভিহিত কৰে। 'মই প্ৰধানমন্ত্ৰীৰ আসনক বহুত সন্মান কৰিছিলো। মই প্ৰধানমন্ত্ৰী মোদীৰ দৰে মিছলীয়া দেখা নাই। নৰেন্দ্ৰ মোদীয়ে মিছা কথা কয় বুলি ক'বলৈকো মোৰ আফচোচ হয়। পান মচলা খোৱা আৰু তিলক লগোৱা লোকক উত্তৰ প্ৰদেশৰ দৰে ৰাজ্যৰ পৰা নিৰ্বাচনৰ পূৰ্বে আমাৰ ইয়াত গন্দগোল লগাবলৈ প্ৰেৰণ কৰিছে, যিসকল লোক আমাৰ বাবে বাহিৰৰ গুণ্ডা। আজি বিজেপিৰ নিৰ্যাতনৰ ফলত উত্তৰ প্ৰদেশত আই পি এছ বিষয়াই চাকৰি এৰিবলৈ বাধ্য হৈছে। বিজেপিয়ে বাংলাৰ সংস্কৃতি ধ্বংস কৰিবলৈ উত্তৰ প্ৰদেশৰ পৰা গুণ্ডা আনিছে।' মমতাই আজি ভাষণ প্ৰসংগত এইদৰে কয়।

## বাহিৰৰ নহয়, আমি সকলোৱে ভাৰত মাতৃৰ সন্তান ঃ মমতাক প্ৰত্যুত্তৰ মোদীৰ

নিউজ ব্যুৰ'
**মেদিনীপুৰ, ২৪ মাৰ্চ ঃ** বিজেপিৰ প্ৰচাৰ সভাত অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মেদিনীপুৰত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী আৰু তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীক কঠোৰভাৱে আক্ৰমণ কৰিলে। 'দিদি অ' দিদি... পশ্চিমবংগৰ প্ৰতিটো শিশুৱে আপোনাৰ খেলা এতিয়া বুজি পায়। সমগ্ৰ পশ্চিমবংগই আজি আপোনাক সুধিছে আমফানৰ সাহায্যৰ ধন কোনে লুটিলে? গৰীবৰ চাদৰ কোনে লুটিলে? যেতিয়া প্ৰয়োজন হয়, তেতিয়া দিদিক কোনেও দেখা নাপায়, যেতিয়া নিৰ্বাচন আহে তেওঁ কয়, চৰকাৰ দুৱাৰে দুৱাৰে। এয়াই তেওঁলোকৰ খেলা। এই খেলা এতিয়া পশ্চিমবংগৰ প্ৰতিটো শিশুৱে বুজি পায়। টি এম চিৰ খেলা শেষ হ'ব, বিকাশ আৰম্ভ হ'ব। দু মে' দিদি জায়ে, আচল পৰিৱৰ্তন আয়ে।' মোদীয়ে এইদৰে মন্তব্য কৰি বিজেপিৰ নেতৃবৃন্দক মমতাই 'বাহিৰৰ গুণ্ডা' বুলি অভিহিত কৰাৰ প্ৰসংগত পুনৰ কয়, 'দিদি... অ' দিদি... আপুনি খেল খেলিলে, মই সেৱা কৰিম। পশ্চিমবংগই সমগ্ৰ ভাৰতক বন্দে মাতৰমৰ ভাৱনাৰে বান্ধিলে। সেইখন বংগৰ মমতা দিদিয়ে এতিয়া বহিৰাগতৰ কথা কয়। ইয়াত সকলোৱে ভাৰত মাতৃৰ সন্তান, আমি কোনো বহিৰাগত নহয়।'



## হঠাৎ কংগনাক প্ৰশংসা ৰাম গোপালৰ, অভিনেত্ৰীয়ে কি ক'লে?



**নিউজ ব্যুৰ', মুম্বাই, ২৪ মাৰ্চ ঃ** বলিউডৰ বিতৰ্কিত অভিনেত্ৰী কংগনা ৰণৌট অভিনীত 'থালাইভী' ছবিখনৰ ট্ৰেইলৰ কালি আনুষ্ঠানিকভাৱে মুকলি কৰা হৈছিল। ছবিখনৰ ট্ৰেইলৰ উপভোগ কৰি অনুৰাগীৰ পৰা আৰম্ভ কৰি বলিউডৰ বহু শিল্পীয়ে কংগনাক ভূয়সী প্ৰশংসা কৰিলে। বলিউডৰ আগশাৰীৰ চলচ্চিত্ৰ নিৰ্মাতা-নিৰ্দেশক ৰাম গোপাল বাৰ্মায়ো 'থালাইভী'ৰ ট্ৰেইলৰ উপভোগৰ পাছত কংগনাক প্ৰশংসা কৰিলে। টুইট কৰি বাৰ্মাই কয়, 'হে, কংগনা... কিছুমান কথা আৰু অতিযুক্তিৰ ক্ষেত্ৰত মই আপোনাৰ স'তে সহমত নহ'ব পাৰো, কিন্তু মই আপোনাক চালাম জনাওঁ। ছুপাৰ-ডুপাৰ 'থালাইভী'ৰ বাবে... ছবিখনৰ ট্ৰেইলৰ সুন্দৰ হৈছে আৰু মই ক'ব বিচাৰো যে স্বৰ্গত জয়ললিতায়ো এইখন ছবি উপভোগ কৰি ৰোমাঞ্চিত হ'ব।' বাৰ্মাৰ এই টুইটৰ উত্তৰ দি কংগনাই কয়, 'আৰে ছাৰ, মই আপোনাৰ মতৰ স'তে একমত... মই আপোনাক যথেষ্ট পছন্দ কৰো আৰু আপোনাক সদায় প্ৰশংসা কৰো। অহংকাৰৰে ভৰা এই মৃতপ্ৰায় পৃথিৱীত সকলোৱে অহংকাৰ আৰু গৌৰৱত বহু সোনকালে আহত হয়। কিন্তু আপুনি কোনো কথাক অতি গভীৰতাৰে গ্ৰহণ নকৰে। আনকি আপুনি নিজকো সিমান গভীৰতাৰে গ্ৰহণ নকৰে। আপোনাৰ এই গুণক মই প্ৰশংসা কৰো। মোক প্ৰশংসাৰ বাবে ধন্যবাদ।' উল্লেখ্য যে তামিলনাডুৰ মুখ্যমন্ত্ৰী প্ৰয়াত জে জয়ললিতাৰ জীৱনৰ আধাৰত নিৰ্মিত 'থালাইভী' অহা ২৩ এপ্ৰিলত চিত্ৰগৃহত প্ৰদৰ্শিত হ'ব।

## এদিনতে দেশত আক্ৰান্ত ৪৭ হেজাৰ, মৃত্যু হ'ল ২৭৫ জনৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ মাৰ্চ ঃ** নতুন বছৰৰ আৰম্ভণিৰে পৰা দেশত কৰ'নাৰ সংক্ৰমণ ক্ৰমে বৃদ্ধি পাইছে। মাৰ্চৰ প্ৰথম ভাগৰ পৰা হঠাতে ক'ভিড আক্ৰান্তৰ সংখ্যা যথেষ্ট বৃদ্ধি পায় আৰু যোৱা ১৮ মাৰ্চত দৈনিক আক্ৰান্তৰ সংখ্যাই দেশত ৩০ হেজাৰৰ সীমা অতিক্ৰম কৰিছিল। বিগত ২৪ ঘণ্টাত ভাৰতত ক'ভিডৰ দৈনিক আক্ৰান্তৰ সংখ্যাই ৪৭ হেজাৰৰ সীমা অতিক্ৰম কৰিলে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, যোৱা ২৪ ঘণ্টাত দেশত ৪৭,২৬২ জন লোক ক'ভিডত সংক্ৰমিত হৈছিল। বিগত ১৩২ দিনৰ পাছত দেশত সৰ্বাধিক হ'ল ক'ভিড ৰোগীৰ সংখ্যা। আনহাতে, যোৱা ২৪ ঘণ্টাত দেশজুৰি ২৭৫ জন লোকৰ ক'ভিডত মৃত্যু হ'ল। চলিত বৰ্ষত ক'ভিডত মৃত্যুৰ ক্ষেত্ৰত এয়ে হৈছে সৰ্বাধিক। কেৰল মহাৰাষ্ট্ৰতে ২৮,৬৯৯ জন লোক এদিনত ক'ভিডত সংক্ৰমিত হ'ল। পঞ্জাৱ, কৰ্ণাটক, গুজৰাট, তামিলনাডু, চত্তিছগড় আৰু মধ্য প্ৰদেশতো ক'ভিড আক্ৰান্তৰ সংখ্যা দিনকদিনে বৃদ্ধি পাইছে।



## কৰ'না আক্ৰান্ত হ'ল মহাতাৰকা অভিনেতা আমিৰ খান



**নিউজ ব্যুৰ', মুম্বাই, ২৪ মাৰ্চ ঃ** বলিউডৰ আৰু এজন জনপ্ৰিয় অভিনেতা ক'ভিড-১৯ত সংক্ৰমিত হ'ল। ক'ভিড পৰীক্ষণত আমিৰৰ ফলাফল 'পজিটিভ' লাভ কৰা হৈছে বুলি অভিনেতাজনৰ ঘনিষ্ঠ সূত্ৰই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিলে। নিৰ্মীয়মান ছবি 'লাল সিং চড্ডা'ৰ দৃশ্যগ্ৰহণত ব্যস্ত থকাৰ সময়তে কৰ'নাত আক্ৰান্ত হ'ল বলিউডৰ 'মিষ্টাৰ পাৰফেকচনিষ্ট' হিচাপে পৰিচিত অভিনেতাজন। প্ৰকাশিত বাতৰি অনুসৰি সম্প্ৰতি তেওঁ ঘৰতে নিভৃতবাসত আছে আৰু ক'ভিড বিধি পালন কৰিছে। ক'ভিডৰ সংক্ৰমণ ধৰা পৰাৰ পাছত আমিৰে 'লাল সিং চড্ডা'ৰ দৃশ্যগ্ৰহণ বন্ধ ৰাখে। আমিৰৰ পূৰ্বে শেহতীয়াভাৱে চলচ্চিত্ৰ নিৰ্মাতা সতীশ কৌশিক, অভিনেত্ৰী তাৰা ছুটাৰিয়া, গৌহৰ খান, অভিনেতা কাৰ্তিক আৰিয়ান, আশিষ বিদ্যাৰ্থী আদি ক'ভিডত সংক্ৰমিত হৈছিল।

## মুম্বাইৰ আন্ধেৰী পশ্চিম কৰ'নাৰ নতুন হটস্পটত পৰিণত

**নিউজ ব্যুৰ', মুম্বাই, ২৪ মাৰ্চ ঃ** দেশত কৰ'নাৰ সংক্ৰমণ আকৌ বৃদ্ধি পালে। সংক্ৰমণ বৃদ্ধিৰ তালিকাত শীৰ্ষত আছে মহাৰাষ্ট্ৰ। দেশৰ দৈনিক কৰ'না আক্ৰান্তৰ ৬০ শতাংশই মহাৰাষ্ট্ৰৰ বাসিন্দা। মহাৰাষ্ট্ৰৰ মুম্বাইত সম্প্ৰতি ক'ভিডৰ সৰ্বাধিক সংক্ৰমণ ধৰা পৰিছে। বৃহনমুম্বাই পৌৰ নিগম (বি এম চি)-এ প্ৰকাশ কৰা তথ্য অনুসৰি মহানগৰখনৰ ২৪ ৱাৰ্ডৰ ভিতৰত কৰ'নাৰ সৰ্বাধিক সংক্ৰমণ হৈছে আন্ধেৰী পশ্চিমত। সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি বি এম চিয়ে জুহুৰ সমুদ্ৰতীৰ বন্ধ ৰখাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। যোৱা সোমবাৰে আন্ধেৰী পশ্চিমত প্ৰায় তিনিশ লোক ক'ভিডত সংক্ৰমিত হৈছিল। জুহুৰ সমুদ্ৰতীৰত সম্প্ৰতি বি এম চিয়ে আৰক্ষীৰ পহৰাৰ ব্যৱস্থা কৰিছে। যোৱা ২৪ ঘণ্টাত মুম্বাইত নতুনকৈ ৩,৫১২ জন লোক কৰ'নাত আক্ৰান্ত আৰু আঠজন লোকৰ মৃত্যু হৈছিল।



## চতলা জিলা পৰিষদৰ সদস্যৰ কংগ্ৰেছ ত্যাগ

**আলোপতি, ২৪ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ৰ নিৰ্বাচনলৈ আৰু মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ বিভিন্ন প্ৰান্তত ধাৰাবাহিকভাৱে প্ৰায় প্ৰতিদিনে তৃণমূল পৰ্যায়ৰ বহু কংগ্ৰেছ কৰ্মীয়ে বিধায়ক তথা কংগ্ৰেছ প্ৰাৰ্থী শ্বেৰমান আলী আহমেদৰ ওপৰত অতিষ্ঠ হৈ দল ত্যাগ কৰি এ আই ইউ ডি এফত যোগদান কাৰ্য অব্যাহত ৰখা পৰিলক্ষিত হৈছে। কংগ্ৰেছৰ এনে খহনীয়াৰ সময়ত আজি পুনৰ বাঘবৰ কংগ্ৰেছত মোক্ষম আঘাত হানি সমষ্টিটোৰ চতলা জিলা পৰিষদৰ সদস্য তথা কংগ্ৰেছ নেতা নুৰুল ইছলাম তালুকদাৰে কংগ্ৰেছৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰে। ইতিমধ্যে তালুকদাৰে তেওঁৰ পদত্যাগপত্ৰ বৰপেটা জিলা কংগ্ৰেছৰ সভাপতিলৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে তিনিবাৰকৈ জিলা পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হোৱা নুৰুল ইছলাম তালুকদাৰে এইবাৰ সমষ্টিটোৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থিত্বৰ শক্তিশালী দাবীদাৰ আছিল। কিন্তু বিধায়ক আহমেদৰ বিৰুদ্ধে দুৰ্নীতি-কমিছনৰাজ, ভ্ৰষ্টাচাৰ, অহংকাৰ, অশালীন ব্যৱহাৰ আদি অভিযোগ উত্থাপিত হোৱাৰ লগতে তালুকদাৰৰ শ শ সমৰ্থকে তেওঁক দলত্যাগ কৰাৰ হেঁচা প্ৰদান কৰাত অৱশেষত আজি পদত্যাগ কৰে। সদ্য কংগ্ৰেছত্যাগী তালুকদাৰে সংবাদ মাধ্যমক সদৰী কৰা মতে, কাইলৈ সমষ্টিটোৰ ধৰ্মপুৰ ভাতনাপাইতিত অনুষ্ঠিত হ'বলগীয়া এক নিৰ্বাচনী সভাত মৌলানা বদৰুদ্দিন আজমলৰ উপস্থিত তেওঁৰ সমৰ্থকসহ এ আই ইউ ডি এফত যোগদান কৰিব।

## ৰঙাপৰাত বনৰীয়া মেথোনৰ আতংক

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২৪ মাৰ্চ ঃ** আজি ৰঙাপৰা সোণজুলি ঢোলকবা চাহ বাগিচাত পুৱাৰে পৰা এটা বনৰীয়া ম'হে অঞ্চলটোত আতংকৰ সৃষ্টি কৰে। বনৰীয়া ম'হে এজনক আক্ৰমণ কৰাৰ লগতে এ এছ-১২ ইউ-০৩৭৪ নম্বৰৰ মটৰ চাইকেলখনৰ ক্ষতিসাধন কৰে। ঘটনাস্থলীত বনৰক্ষীৰ দল উপস্থিত হৈছে যদিও বৰ্তমানলৈ ম'হটোক খেদি পঠিয়াবলৈ সক্ষম হোৱা নাই।

## তিনিচুকীয়াত অগ্নিকাণ্ডত চাৰিটা বাসগৃহ ভস্মীভূত



অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৪ মাৰ্চ ঃ** নিৰ্বাচনৰ খামখুমীয়াৰ মাজতে আজি পুৱাতে তিনিচুকীয়া চহৰৰ হিজুগুৰি এক নম্বৰ গেটৰ সমীপৰ হেদায়েৎপুৰত সংঘটিত এক অগ্নিকাণ্ডৰ ঘটনাই চাৰিটা বাসগৃহ সম্পূৰ্ণ ভস্মীভূত কৰে। জানিব পৰা মতে, হেদায়েৎপুৰৰ বচিৰ আহমেদ নামৰ লোকজনৰ ভাড়াঘৰত এই অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। দাউদাউকৈ জ্বলি উঠা জুই প্ৰত্যক্ষ কৰি ভাড়াতীয়া পৰিয়ালসমূহে চিঞৰ-বাখৰ কৰাত স্থানীয় ৰাইজ ওলাই আহি অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে। পাছত অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ যদিও বাসগৃহকেইটা ভস্মীভূত হয়।

## ডিব্ৰুগড়ত কংগ্ৰেছ প্ৰাৰ্থীৰ সমৰ্থনত উলিওৱা সমদলত বাঘেল

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৪ মাৰ্চ ঃ** ডিব্ৰুগড়ত কংগ্ৰেছ প্ৰাৰ্থী ৰাজকুমাৰ নীলনেত্ৰ নেওগৰ প্ৰচাৰ সভাত আজি অংশগ্ৰহণ কৰে ছত্তিশগড়ৰ মুখ্যমন্ত্ৰী ভূপেশ বাঘেলে। পুৰণি হাইস্কুল খেলপথাৰত সহস্ৰাধিক দলীয় কৰ্মীয়ে উলিওৱা সমদলটোৱে থানা চাৰিআলি, আৰ কে বি পথ, এইচ এছ ৰোডেৰে পৰিভ্ৰমণ কৰে। ১৫ বছৰ ধৰি বিজেপিৰ দখলত থকা ডিব্ৰুগড় বিধানসভা সমষ্টি দখলৰ বাবে কংগ্ৰেছে চেষ্টা অব্যাহত ৰাখিছে। বিজেপিৰ প্ৰাৰ্থী প্ৰশান্ত ফুকনক প্ৰতিহত কৰিবলৈ ছত্তিশগড়ৰ মুখ্যমন্ত্ৰীৰ নেতৃত্বতে ডিব্ৰুগড়ত কে'বাখনো নিৰ্বাচনী সভা অনুষ্ঠিত হৈছে।

## আজি শিমেলিবাড়ী জামে মছজিদত দ্বীনী জলছাহ

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী ২৪ মাৰ্চ ঃ** কামৰূপ জিলাৰ শিমেলীবাড়ী জামে মছজিদ প্ৰাংগণত কাইলৈ দিনজোৰা কাৰ্যসূচীৰে দ্বীনী জলছাহৰ আয়োজন কৰা হৈছে। জামে মছজিদ সমিতিৰ সম্পাদক আৰিফ হুছেইনে জনোৱা অনুসৰি, পুৱা মোক্তাবৰ ছাত্ৰ-ছাত্ৰীৰ কোৰান পাঠ আৰু বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। আবেলি শালেদল দুই নম্বৰ জামে মছজিদৰ ইমাম মৌলানা হাচান আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি দ্বীনী সভা। নিৰ্দিষ্ট ওৱায়িজ হিচাপে অংশগ্ৰহণ কৰিব আলহাজ হজৰত হাফিজ ক্কাৰী মৌলানা মুফতি বাশ্বাৰ চাহেব আৰু আলহাজ হাফিজ চৈয়দ গিয়াছউদ্দিন আহমেদ। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰিব অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° আতোৱাৰ ৰহমানৰ লগতে আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত কেন্দ্ৰ সঞ্চালক লুটফুৰ ৰহমান। দ্বীনী জলছাহৰ সকলো কাৰ্যসূচীতে ধৰ্মপ্ৰাণ আঞ্চলিক ৰাইজৰ উপস্থিতি কামনা কৰিছে জলছাহ উদ্‌যাপন সমিতিয়ে।

### পত্ৰ লেখাটো এক গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ অংশ

## মন্ত্ৰী হিমন্তৰ মন্তব্যত উভতি ধৰিলে দেবব্ৰত শইকীয়াই



অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২৪ মাৰ্চ ঃ** নেডাৰ আহ্বায়ক তথা বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাই নাজিৰাৰ বিধায়ক তথা বিৰোধী দলৰ দলপতি দেবব্ৰত শইকীয়াক কেৱল চিঠি লিখিব জনা বিধায়ক বুলি কৰা মন্তব্যত উভতি ধৰিছে শইকীয়াই। প্ৰথম পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনত মহাজোঁটৰ কংগ্ৰেছ প্ৰাৰ্থী শইকীয়াই কালি সন্ধিয়া নাজিৰাৰ চন্তকত বিজেপিৰ নেতাজনে চলোৱা নিৰ্বাচনী প্ৰচাৰৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ কয় যে বিধায়কৰ কৰ্তব্য পালনৰ জৰিয়তে ৰাইজৰ উন্নয়ন সাধনৰ বেলিকা শাসকীয় দলৰ নানা বাধা নিষেধৰ সন্মুখীন হৈ অহাৰ লগতে এজন বিধায়কৰূপে চৰকাৰৰ মন্ত্ৰীলৈ সমষ্টিৰ সমস্যাৰাজিক বিষয়বস্তু কৰি পত্ৰ প্ৰেৰণ কৰাটো দোষনীয় হ'ব নোৱাৰে। ই এক গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ অংশ বুলি অভিহিত কৰি তেওঁ কয় যে বিধায়ক আৰু মন্ত্ৰীৰ মাজত উন্নয়নৰ বিষয়াৰ পত্ৰই তেওঁক গৌৰৱান্বিত কৰিছে। আজি সাংবাদিকৰ আগত কংগ্ৰেছৰ 'ৰাইজৰ ইস্তাহাৰ-২০২১' দাঙি ধৰি তেওঁ জিলাখনত অসম-নাগা সীমান্তলৈ কোনোজন ব্যক্তিকে প্ৰেৰণ নকৰিলে বুলি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে। তদুপৰি অসমৰ বন ভূমি আৰু কৃষি কাৰ্য ধ্বংসৰ পাছতো কোনো পদক্ষেপ নোলোৱা চৰকাৰখনৰ মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ছিণ্ডিকেটতহে জড়িত বুলি দাবী কৰে।

## সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই ভাগ ভাগ কৰিব বিচাৰিছে ঃ লুৰীণজ্যোতি

### অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত অসমত এখন শক্তিশালী জাতীয়তাবাদী চৰকাৰ হ'বই লাগিব



অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ২৪ মাৰ্চ ঃ** 'অসমৰ জনতাই ৰাজনৈতিকভাৱে প্ৰতাৰিত হৈছে। ৰাষ্ট্ৰীয় দলসমূহ ৰাজনৈতিক অবিচাৰ, অত্যাচাৰ কৰিছে। যাৰ পৰিণতিত আমি এটা আঞ্চলিকতাবাদী দল 'অসম জাতীয় পৰিষদ' নামেৰে এটা ৰাজনৈতিক জাতীয়তাবাদী ধাৰাৰে প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত ল'লো তিনিমাহৰ পূৰ্বে।' এই ভাষ্য অসম জাতীয় পৰিষদৰ সভাপতি দুলীয়াজান বিধানসভা সমষ্টিৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈৰ। দুলীয়াজানৰ টিপলিন হাইস্কুল ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত এক গণসমাবেশত অংশগ্ৰহণ কৰি তেওঁ কয়, 'অসমীয়াৰ সম্পদ, অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত অসমত এখন শক্তিশালী জাতীয়তাবাদী চৰকাৰ গঠন হ'ব। বিভিন্ন প্ৰলোভন, ঠগ-প্ৰৱঞ্চনা, ভোট বেংক ৰাজনীতিৰে অসমৰ জনতাক ৰাষ্ট্ৰীয় দলসমূহে ৰাজনৈতিকভাৱে প্ৰতাৰণা কৰিছে। পাহাৰ-ভৈয়াম প্ৰতিটো চুকে-কোণৰ ৰাইজে অসম জাতীয় পৰিষদক শলাগ লৈ আদৰি লৈছে। অজাপই চৰকাৰ গঠন কৰিলে অসমৰ ৰাইজক পৰিকল্পিতভাৱে আগুৱাই নিয়াৰ প্ৰয়াস কৰিব বুলিও তেওঁ উল্লেখ কৰে। এইখন শংকৰ-আজানৰ দেশ। ইয়াত বিজেপিয়ে অসমৰ জনগণক হিন্দু আৰু মুছলমান পৰিচয় দিয়ে সাম্প্ৰদায়িক বিষ বিয়পাই ভাগ ভাগ কৰিব বিচাৰিছে। যিটো অজাপই কেতিয়াও হ'ব নিদিয়ে বুলি হুংকাৰ দি দলটোৰ কেন্দ্ৰীয় সভাপতিজনে কয় যে আসন্ন বিধানসভা নিৰ্বাচনত ৰাইজে সিদ্ধান্ত ল'ব লাগিব, অংগীকাৰবদ্ধ হ'ব লাগিব প্ৰতিটো ৰাষ্ট্ৰীয় দলক পুলিয়ে পোখালিয়ে উভালি পেলাব লাগিব। আনহাতে, বিজেপিয়ে অসমত নাগৰিকত্ব সংশোধনী আইন প্ৰযোজ্য কৰি অসমীয়াক হত্যা, পংগু, আঘাত হানিলে। অবৈধ বিদেশীক সংস্থাপনৰ ব্যৱস্থা কৰিছে। সেয়েহে অসমৰ ৰাইজে বিজেপিক উৎখাত কৰিবলৈ সিদ্ধান্ত ল'ব লাগিব। তেতিয়াহে জনগণৰ অধিকাৰ পুনৰ লাভ কৰিব বুলি বিজেপিক তীব্ৰ ভাষাৰে সমালোচনা কৰে। কে'বা সহস্ৰাধিক ৰাইজ উপস্থিত হোৱা দলটোৰ সভাপতি লুৰীণজ্যোতিয়ে জাতি-জনগোষ্ঠীৰ লোকে নিজৰ অধিকাৰ পাবই লাগিব আৰু মৌলবাদী চিন্তা অসমত নচলিব বুলি উল্লেখ কৰি তেওঁ কয় যে ১৯৭১ৰ ২৫ মাৰ্চৰ পাছত অসমলৈ অহাত অবৈধ বিদেশী বহিষ্কাৰ হ'বই লাগিব। হিন্দুৱে হওক বা মুছলমানেই হওক কাকো সংস্থাপন নিদিও। অসমত এখন জাতীয় চৰকাৰ গঠন হ'ব। যদিহে ৰাইজে নিজৰ বহুমূলীয়া ভোটটো জাতীয় চিন্তাৰে প্ৰদান কৰে। নিৰ্বাচনলৈ মাথো তিনিটা দিন বাকী থকা অৱস্থাত দলটোৰ সভাপতিজনে অইল, অ'এনজিচি, আছাম গেছ কোম্পানী লিমিটেড আৰু চাহ উদ্যোগৰ পৰা ৰাইজ অধিক উপকৃত হ'ব পৰাৰ পদক্ষেপ গ্ৰহণ কৰিব বুলিও কয়। তদুপৰি, নিজে প্ৰতিদ্বন্দ্বিতা কৰা সমষ্টিটোত কেতবোৰ প্ৰশংসনীয় কাম কৰিব বুলিও প্ৰতিশ্ৰুতি দিয়ে। এই সমাবেশত অজাপৰ উপ-সভাপতি তথা প্ৰাক্তন অধ্যক্ষ ৰাণা চাংমা, মৃণাল সোণোৱাল, অভিনেত্ৰী মৈত্ৰী প্ৰিয়দৰ্শিনী, প্ৰাক্তন অধ্যক্ষ কিৰণ বৰা আদি উপস্থিত থাকে।

## শুৱালকুছিত 'হিমন্ত দাদা জিন্দাবাদ' অডিঅ' মুকলি

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২৪ মাৰ্চ ঃ** জালুকবাৰী সমষ্টিৰ অন্যতম শুৱালকুছিত আজি বিজেপিৰ প্ৰাৰ্থী তথা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অভিলেখসংখ্যক ভোটত জয়ী কৰাৰ উদ্দেশ্যে এটা সংগীত মধুৰ অডিঅ' এলবাম মুকলি কৰে। কলিতাপৰাত হিমন্ত বিশ্ব শৰ্মাৰ সমৰ্থক গ্ৰুপৰ নিৰ্বাচনী কাৰ্যালয়ত তদুপলক্ষে এখন প্ৰচাৰ সভা অনুষ্ঠিত হয়। মধ্য শুৱালকুছি মণ্ডল বিজেপিৰ মুখ্য নিৰ্বাচনী কাৰ্যকৰ্তা যশপাল কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত উক্ত সভাত 'হিমন্ত বিশ্ব জিন্দাবাদ' শীৰ্ষক অডিঅ' এলবামটোৰ কথা আৰু সুৰ অলক নাথ, মনজিৎ বৰুৱা আৰু পল্লবৰ। সংগীত সৌৰভ অলকৰ। কণ্ঠদান কৰিছে উদীয়মান শিল্পী অলক নাথে। ইতিমধ্যে উন্মোচনৰ পাছতে বিজেপিৰ প্ৰতিটো নিৰ্বাচনী কাৰ্যালয়ত জনপ্ৰিয় হোৱা গীতটোৱে ছ'চিয়েল মিডিয়াত জনপ্ৰিয় হ'ব বুলি আশা কৰে। এলবাম উন্মোচন উপলক্ষে অনুষ্ঠিত সভাত পুব শুৱালকুছি গাঁও পঞ্চায়তৰ সভাপতি দিগন্ত দাসে বক্তব্যত কয়, 'ৰাজ্যৰ তাৰকা প্ৰচাৰকজনক আমি প্ৰাৰ্থীৰূপে পোৱাটো ভাগ্যৰ কথা। ৰাজ্যত পুনৰবাৰ বিজেপিৰ নেতৃত্বত চৰকাৰ হোৱাটো এশ শতাংশ সত্য। সেয়ে আমাৰ বিধায়ক তথা প্ৰাৰ্থী দাদা হিমন্ত বিশ্ব শৰ্মাক নজিৰবিহীন ভোটেৰে জয়যুক্ত কৰাটো আমাৰ পণ।' সমৰ্থক গ্ৰুপৰ সভাপতি তাপস দাসে আঁত ধৰা সভাত মধ্য শুৱালকুছি পঞ্চায়তৰ সভাপতি মানৱ কলিতা, জ্যেষ্ঠ বিজেপি কৰ্মী পৰেশ কলিতা আদি উপস্থিত থাকে।



সৰুপথাৰত নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বুধবাৰে।

## বৰক্ষেত্ৰী-ধৰ্মপুৰ সমষ্টিৰ প্ৰাৰ্থীলৈ প্ৰতীক আৱণ্টন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৪ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ত অহা ছয় এপ্ৰিলত নলবাৰী জিলাৰ বৰক্ষেত্ৰী আৰু ধৰ্মপুৰ বিধানসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। সমষ্টি দুটাত মনোনয়ন দাখিল কৰা কোনো এজন প্ৰাৰ্থীয়ে মমেনানয়ন প্ৰত্যাহাৰ কৰা নাই। সেয়ে প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকললৈ দিয়া প্ৰতীক আৱণ্টন সন্দৰ্ভত নলবাৰী জিলা উপায়ুক্তৰ সভাকক্ষত যোৱা ২২ মাৰ্চত সভা অনুষ্ঠিত কৰা হয়। ধৰ্মপুৰ বিধানসবা সমষ্টিৰ প্ৰাৰ্থীসকলৰ ভিতৰত আছে ক্ৰমে চমন্দ্ৰমোহন পাটোৱাৰী (বিজেপি), ৰাতুল পাটোৱাৰী (আই এন চি), প্ৰমোদ চন্দ্ৰ ভাগৱতী (এছ ইউ চি আই), ড° শিখৰ কুমাৰ শৰ্মা (সম জাতীয় পৰিষদ) আৰু জ্যোতিৰ্ময় শৰ্মা (নিৰ্দলীয়)। ইয়াৰ ভিতৰত ৰাষ্ট্ৰীয় দল বিজেপিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা পাটোৱাৰীলৈ পদুম ফুলৰ ছবি, কংগ্ৰেছৰ প্ৰাৰ্থী ৰাতুল পাটোৱাৰীলৈ হাতৰ ছবি প্ৰতীক হিচাপে আৱণ্টন দিয়া হয়। এছ ইউ চি আইৰ প্ৰাৰ্থী প্ৰমোদ ভাগৱতীলৈ বেটাৰি টৰ্চ আৰু অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী ড° শিখৰ কুমাৰ শৰ্মাক জাহাজৰ ছবি প্ৰতীক হিবচাপে আৱণ্টন দিয়া হয়। নিৰ্দলীয় প্ৰাৰ্থী জ্যোতিৰ্ময় শৰ্মাক তেওঁৰ পছন্দ অনুসৰি কলহৰ ছবি আৱণ্টন দিয়া হয়। সেইদৰে বৰক্ষেত্ৰী সমষ্টিৰ এআইইউডিএফৰ প্ৰাৰ্থী চম্পক কলিতাক তলা-চাবিৰ ছবি, কংগ্ৰেছৰ প্ৰাৰ্থী দিগন্ত বৰ্মনক হাতৰ ছবি, বিজেপিৰ প্ৰাৰ্থী নাৰায়ণ ডেকাক পদুমফুলৰ ছবি, অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী পুলকেশ বৰুৱাক জাহাজ আৰু জনতা দল (ইউনাইটেড)ৰ প্ৰাৰ্থী শান্ত কলিতাক ধনু-কাঁড়ৰ ছবি আৱণ্টন দিয়া হয়। আনহাতে, নিৰ্দলীয় প্ৰাৰ্থী ভূপেন তালুকদাৰলৈ তেওঁৰ পছন্দ অনুসৰি কম্পিউটাৰৰ ছবি নিৰ্বাচনী প্ৰতীক হিচাপে আৱণ্টন দিয়া হয়।

## পলাশবাৰীত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২৪ মাৰ্চ ঃ** পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত মণিয়েৰী তিনিআলি ৰেলগেটৰ নিচেই কাষত কালি উদ্ধাৰ হয় এটা অচিনাক্ত যুৱকৰ মৃতদেহ। নীলা ৰঙৰ টেকছুট পেন পৰিধান কৰা, গাৰ বৰণ বগা, পাঁচ ফুট পাঁচ ইঞ্চি উচ্চতাৰ (ক্ষীণ) মৃতদেহটো স্থানীয় একাংশ লোকে প্ৰত্যক্ষ কৰি পলাশবাৰী আৰক্ষী থানাত খবৰ দিয়ে। ঘটনাস্থলীত পলাশবাৰী আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি থানালৈ লৈ আহে। মৃত যুৱকজনৰ বয়স প্ৰায় ২৫ বছৰ হ'ব বুলি আৰক্ষীয়ে ধাৰণা কৰিছে। মূৰৰ পিছফালে আৰু সোঁহাতত আঘাতৰ চিন থকা মৃতদেহটো পাছত আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে জি এম চি এইছলৈ প্ৰেৰণ কৰি চিনাক্তৰ বাবে মৰ্গত ৰখা হৈছে।

## বৰপেটাত বাৰাণ্ডাত পকী বেৰ নিৰ্মাণ কৰি ৰাজীৱ ভৱনত প্ৰৱেশ বন্ধ ক্ষুব্ধ নেতা-কৰ্মী

বিশেষ সংবাদদাতা

**বৰপেটা, ২৪ মাৰ্চ ঃ** পদূলিমুখত নিৰ্বাচন যদিও কংগ্ৰেছত গোপনে আৰু প্ৰকাশ্যে প্ৰাৰ্থিত্বকেন্দ্ৰিক সংঘাত অদ্যাপি তীব্ৰতৰ হৈ আছে। এনে সংঘাতৰ পৰিণতিত বৰপেটা কংগ্ৰেছত সংঘটিত হৈছে আজৱ এক কাণ্ড। সমষ্টিটোত প্ৰাৰ্থী বাছনিৰ ক্ষেত্ৰত নেতৃত্ব লোৱা একাংশ নেতাই নিকৃষ্ট সাম্প্ৰদায়িক কাম-কাজত লিপ্ত হোৱাৰ মুকলি অভিযোগ তুলি আজি ক্ষুব্ধ দলীয় কৰ্মীয়ে জিলা কংগ্ৰেছৰ কাৰ্যালয়টোত কোনেও প্ৰৱেশ কৰিব নোৱৰাকৈ কংক্ৰিটৰ বেৰ নিৰ্মাণ কৰি দিয়ে। এইসকল ক্ষুব্ধ কৰ্মীয়ে বিগত দিনকেইটাত কাৰ্যালয়টোৰ দুৱাৰত লোৰ শলাৰে তলা মাৰি বন্ধ কৰি দিয়াৰ লগতে তালৈ কোনেও যাব নোৱাৰাকৈ ধৰ্মঘটো অব্যাহত ৰাখিছিল। তাতে ক্ষান্ত নাথাকি আজি ৰাজমিস্ত্ৰিৰ জৰিয়তে পাঁচ ইঞ্চি বহলৰ পকী বেৰ নিৰ্মাণ কৰে। বৰপেটা বজাৰৰ মৰানদীৰ পাৰত অৱস্থিত ৰাজীৱ ভৱন নামৰ কাৰ্যালয়টোৰ বাৰাণ্ডাতে এই বেৰ নিৰ্মাণ কৰি দিয়া হয়। যাৰ বাবে বাৰাণ্ডাখন সম্পূৰ্ণৰূপে বন্ধ হৈ কাৰ্যালয়ত প্ৰৱেশৰ বাট ৰুদ্ধ হয়। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰা আৰু প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনৰ ধৰ্ম নিৰপেক্ষতাৰ সংজ্ঞা বিচাৰি বেনাৰ পৰ্যন্ত আঁৰি দিয়ে প্ৰতিবাদী কংগ্ৰেছ কৰ্মীসকলে।




উল্লেখ্য যে বৰপেটা সদৰ সমষ্টিত এইবাৰ কংগ্ৰেছৰ পৰা বহুকেইজন প্ৰাৰ্থিত্বৰ দাবীদাৰ আছিল। সেইসকলৰ ভিতৰত চৰ্চাত থকা নাম আছিল ডাঃ তাৰাপ্ৰসাদ দাস, আমছুৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সভাপতি আব্দুৰ ৰহিম আহমেদ আৰু প্ৰাক্তন বিধায়ক আব্দুৰ ৰহিম খান। অব্যাহত থকা চৰ্চা অনুসৰি ডাঃ তাৰাপ্ৰসাদ দাসৰ প্ৰাৰ্থিত্ব চূড়ান্ত হোৱাৰ সময়তে বৰপেটাৰ সাংসদ আব্দুল খালেকে সমষ্টিটোত অমুছলমানক প্ৰাৰ্থিত্ব দিব নালাগে বুলি শীৰ্ষ নেতৃত্বক দাবী উত্থাপন কৰে। যাৰ বাবে শেষ মুহূৰ্তত হাইকামাণ্ডে ডাঃ দাসৰ নাম কৰ্তন কৰি আব্দুৰ ৰহিম আহমেদক প্ৰাৰ্থিত্ব প্ৰদান কৰে। সাংসদজনৰ এনে হস্তক্ষেপৰ বাবে সমষ্টিটো এইবাৰো কংগ্ৰেছে হেৰুওৱাটো নিশ্চিত বুলি ডাঃ দাসৰ সমৰ্থকৰ লগতে বৰপেটা কংগ্ৰেছৰ আন বহু নেতা-কৰ্মীৰ মাজত সৰৱ চৰ্চা অব্যাহত আছে। সেইসকলেই কংগ্ৰেছৰ অভিধানত অমুছলমানৰ অৰ্থ কি বুলি প্ৰশ্ন উত্থাপন কৰে। তেওঁলোকে আজি এই প্ৰশ্নও কৰে যে বৰপেটা সমষ্টিত মুছলমান সম্প্ৰদায়ৰ প্ৰাৰ্থী দিবই লাগিব বুলি কংগ্ৰেছৰ সংবিধানৰ কোনটো অনুচ্ছেদত সন্নিবিষ্ট আছে? কংগ্ৰেছক কৌশলগতভাৱে ধ্বংসৰ গৰাহলৈ তথা ৰাইজৰ মাজত অপ্ৰিয় কৰাৰ এয়া সাংসদ খালেকৰ কূটকৌশল নেকি বুলিও ক্ষুব্ধ নেতা-কৰ্মীসকলে প্ৰশ্ন উত্থাপন কৰিছে। দলৰ বৰপেটা জিলাৰ অন্যান্য পিছপৰা শ্ৰেণী বিভাগৰ অধ্যক্ষ সীমান্ত দাসে কয়, 'যেতিয়ালৈকে বৰপেটাৰ সাংসদ আব্দুল খালেকে কংগ্ৰেছৰ অভিধানত অমুছলমানৰ অৰ্থ কি সেয়া বুজাবলৈ সক্ষম নহ'ব তেতিয়ালৈকে এই প্ৰতিবাদ চলিয়ে থাকিব।'

### ভাৰত-ভূটান সীমান্ত দেওশ্ৰীত মহিলা গোটৰ সভা

## চিদলীত ইউপিপিএলৰ প্ৰাৰ্থীৰ বিজয়ৰ দাবী

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২৪ মাৰ্চ ঃ** আসন্ন অসম বিধানসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগা ভোটগ্ৰহণৰ বাবে ৩১ নম্বৰ চিদলী জনজাতি সমষ্টিটোৰ ইউ পি পি এল কৰ্মীসকলৰ মাজত বৃদ্ধি পাইছে ৰাজনৈতিক তৎপৰতা। চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্ত দেওশ্ৰীত ইউ পি পি এলৰ দেওশ্ৰী মহিলা গোটৰ এখন কৰ্মীসভা আজি দেওশ্ৰীত অনুষ্ঠিত হয়। ইউ পি পি এলৰ দেওশ্ৰী প্ৰাথমিক কমিটীৰ সভাপতি যেমৰাজ গিৰিৰ সভাপতিত্বত অনুষ্ঠিত সভাত ইউ পি পি এলৰ মহিলা গোটৰ কেন্দ্ৰীয় কমিটীৰ উপ-সভানেত্ৰী সুশীলা ছেত্ৰী, ইউ পি পি এলৰ চিৰাং জিলা নিৰ্বাচনী কমিটীৰ সভাপতি ছাহজন আহমেদে কয় যে চিদলী সমষ্টিৰ পৰা ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰী সমাগত নিৰ্বাচনত অনায়াসে জয়ী হ'ব। ভাষণ প্ৰসংগত নেতাদ্বয়ে কয় যে প্ৰমোদ বড়ো নেতৃত্বাধীন ইউ পি পি এল চৰকাৰে গ্ৰহণ কৰা বিভিন্ন জনকল্যাণমূলক আঁচনিৰ বাবেই এতিয়া বি টি আৰৰ ৰাইজে ইউ পি পি এল চৰকাৰ বিচাৰে। সেয়ে ইউ পি পি এলৰ প্ৰাৰ্থীক জয়ী কৰাই নিয়াটো দলৰ কৰ্মকৰ্তাসকলৰ দায়িত্ব। নিৰ্বাচনত ঐক্যবদ্ধভাৱে আটাইবোৰে কাম কৰিব লাগিব আৰু বিৰোধীক নিৰ্মূল কৰাৰ সংকল্প লাগিব। ভাষণত নেতাদ্বয়ে সকলো কৰ্মকৰ্তাক দায়িত্বশীলভাৱে সাংগঠনিক কাম-কাজত সহযোগ কৰিবলৈ আহ্বান জনায়। উক্ত সভাত ব্লক মহিলা নেত্ৰী ৰঞ্জলি ব্ৰহ্ম, জিলা সভানেত্ৰী জেছমিনা নাৰ্জাৰী, জিলা নিৰ্বাচনী কমিটীৰ উপদেষ্টা সোমনাথ সুবেদী, দেওশ্ৰী প্ৰাথমিক কমিটীৰ সভাপতি তুলসা পোখৰেল, ইউ পি পি এলৰ নেতা অশোক শৰ্মা আৰু বিৰু ৰাণাৰ উপৰি শতাধিক লোক উপস্থিত থাকে।

## নগাঁৱত ড্ৰাই ডে ঘোষণা প্ৰশাসনৰ

বিশেষ সংবাদদাতা

**নগাঁও, ২৪ মাৰ্চ ঃ** নগাঁও জিলাৰ উপায়ুক্তই এক আদেশযোগে জিলাখনত অহা ২৭ মাৰ্চত প্ৰথম পৰ্যায় আৰু পহিলা এপ্ৰিলত দ্বিতীয় পৰ্যায়ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি ২৫ মাৰ্চৰ আবেলি ছয় বজাৰ পৰা ২৭ মাৰ্চৰ আবেলি ছয় বজালৈ আৰু ৩০ মাৰ্চৰ আবেলি ছয় বজাৰ পৰা পহিলা এপ্ৰিলৰ আবেলি ছয় বজালৈ আৰু দুই মে'ত হ'বলগীয়া ভোটগণনা আৰম্ভ হোৱাৰ পৰা ভোটগণনা শেষ নোহোৱা পৰ্যন্ত সমগ্ৰ জিলাখনতে ড্ৰাই ডে ঘোষণা কৰিছে। উক্ত দিনকেইটাত দেশীয় সুৰাৰ মহল, বণ্ডেড ওৱেৰ হাউছ, হোটেল, ক্লাব, ৰেষ্টুৰেণ্ট আদিত সুৰাৰ মজুত ৰখা, বিক্ৰী বা কঢ়িয়াই লৈ যোৱাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই আদেশ অমান্যকাৰীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## জিপেট' পৰীক্ষাত ৩০ সংখ্যক স্থান জি আই পি এছৰ ছাত্ৰৰ

**আজাৰা, ২৪ মাৰ্চ ঃ** আজাৰাস্থিত ফাৰ্মাচী শিক্ষাৰ গৌৰৱোজ্জ্বল ইতিহাসৰ সাক্ষী বহন কৰা গিৰিজানন্দ চৌধুৰী ইনষ্টিটিউট অৱ ফাৰ্মাচিউটিকেল ছায়েন্সৰ ছাত্ৰ অভিপিনৎ কলিতাই সদ্যঘোষিত ফাৰ্মাচী গ্ৰেজুৱেট এপটিটিউট টেষ্ট, ২০২১ (জিপেট') নামৰ সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাত অভিলেখ ৩০ সংখ্যক স্থানপ্ৰাপ্তিৰে ইতিহাস সৃষ্টিৰে উত্তৰ-পূৱ ভাৰতৰ ভিতৰতে প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ফাৰ্মাচী শিক্ষাৰ প্ৰথমখন ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানখনৰ ছাত্ৰজনে লাভ কৰা এই ঈৰ্ষণীয় সাফল্যই অসমৰ ফাৰ্মাচী শিক্ষাৰ ক্ষেত্ৰখনত এক নতুন ধাৰাৰ সূচনা কৰাৰ লগতে এক যুগান্তকাৰী ঘটনাৰূপে পৰিগণিত হ'ল। সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত হোৱা জিপেট' নামৰ প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তৰ-পূৱৰ কোনো শিক্ষাৰ্থীৰ দ্বাৰা লাভ কৰা এয়াই হৈছে সৰ্বোচ্চ স্থান। ইয়াৰ উপৰি প্ৰতিষ্ঠানখনৰ পূৰ্বৰ গৰিমা অটুট ৰাখি অন্য ছজনকৈ শিক্ষাৰ্থীয়েও এই প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ এক ঈৰ্ষণীয় সাফল্য কঢ়িয়াই আনে। উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ ভিতৰত অষ্টম যাণ্মাসিকৰ অজয় দাস (২৬৯ স্থান), বনজিৎ কলিতা (১১৭২ স্থান), নয়না ভূঞা (৪৫৬৮ স্থান), সোমনাথ মণ্ডল (৫২৯৯ স্থান), ফজিদ আলী (২৬২৫ স্থান) আৰু নিলয় দেউৰী (১৯৪৪ স্থান)।

### শ্ৰদ্ধাঞ্জলি

## পুষ্প শৰ্মাৰ



জোপোহাৰ মাজত থকা সুগন্ধি ফুলৰ সুবাসৰ উৎস বিচাৰি জোপোহা ফালি বিচাৰিলেহে পোৱা যায়, ফুলৰ অৱস্থিতি। দৃশ্যমান নোহোৱাকৈ নিজৰ পাৰদৰ্শিতাৰে আনৰ উপকাৰ সাধন কৰাৰ মানসিকতা খুব কম ব্যক্তিৰ ক্ষেত্ৰতহে দেখা যায়। পুষ্প শৰ্মাও তেনেকুৱা এজন প্ৰচাৰ-প্ৰসাৰ বিমুখ ব্যক্তি যি কেৱল বিলাব জানে জীৱনৰ শেষ মুহূৰ্তলৈকে জীৱন সংগ্ৰামৰ এজন সন্মুখৰ যোদ্ধা হৈ জীৱন পৰিক্ৰমা সম্পূৰ্ণ কৰিলে আৰু সৃষ্টিকৰ্তাৰ নিৰ্দেশ পালন কৰি ১৫ মাৰ্চত নশ্বৰদেহ ত্যাগ কৰি সৃষ্টিকৰ্তাৰ ওচৰলৈ যাত্ৰা আৰম্ভ কৰিলে। আজি আদ্যশ্ৰাদ্ধৰ দিনা সম্পূৰ্ণ বৈদিক নিয়ম-নীতিৰে সৃষ্টিকৰ্তাৰ ওচৰত এটা অনুৰোধ কৰিব বিচাৰো যাতে তেওঁৰ পুণ্য কৰ্ম আৰু সত্যবাদিতাৰ আধাৰত তেওঁক এটা পুণ্য আত্মা বুলি বিবেচনা কৰি স্বৰ্গত স্থান দিয়ে।

১৯৩০ৰ আগষ্টত পিতৃ-মাতৃৰ মৰমৰ চিন স্বৰূপে বৰপুত্ৰৰ স্বীকৃতি লৈ এই পৃথিৱীত প্ৰৱেশ কৰিছিল। শৈশৱৰ শিক্ষাগুৰু পিতৃ-মাতৃৰ সত্য আৰু প্ৰকৃতিপ্ৰেমৰ শিক্ষা লৈ জীৱন পৰিক্ৰমা আৰম্ভ কৰি গোটেই জীৱন অকনো বিচলিত নহৈ তাক দৃঢ়ভাৱে পালন কৰিলে। শিক্ষা জীৱন সাং কৰি তেওঁ এটা প্ৰতিষ্ঠানত কৰ্মজীৱন আৰম্ভ কৰিছিল আৰু সুখ্যাতিৰে অব্যাহতিও লৈছিল। নিজৰ তিনি ভ্ৰাতৃ আৰু দুই ভগ্নীৰ দায়িত্ব নিজৰ কান্ধত লৈ এজন সুস্থ আৰু বিবেচক অভিভাৱক হিচাপে সঠিক পথত আগুৱাই লৈ গৈছিল; কিন্তু তেওঁৰ এটা বিশেষত্ব আছিল যে গোটেই জন্মস্থানৰ সকলোকেই তেওঁ নিজৰ আত্মীয় বুলি বিবেচনা কৰিছিল আৰু আনৰ সমস্যাক নিজৰ সমস্যা বুলি বিবেচনা কৰি আগবাঢ়ি গৈছিল। আনক আপোন কৰিব পৰা এই গুণটো তেওঁৰ সাতোজনী জীয়ৰীৰ চৰিত্ৰত সম্পূৰ্ণৰূপে প্ৰতিফলিত হৈছে। তেওঁৰ জীয়ৰীকেইগৰাকীয়ে তেওঁলোকৰ পিতৃ-মাতৃৰ যুগ্ম জীৱনৰ এটা সুস্থ চানেকি বহন কৰিছিল। তেওঁৰ পত্নীয়ে তেওঁক সম্পূৰ্ণ সহযোগ কৰিছিল। তেওঁৰ মৃত্যুতহে আমি অৱগত হৈছিলো তেওঁৰ উপকাৰ-সোঁৱৰি তেওঁক শ্ৰদ্ধাঞ্জলি দিয়া ব্যক্তিৰ দীঘলীয়া তালিকাখন। সাহিত্য-সংস্কৃতিৰ প্ৰতিও তেওঁৰ অগাধ প্ৰেম আছিল। নিজৰ অঞ্চলৰ লগতে সমগ্ৰ ওচৰ-পাঁজৰৰ স্থানসমূহৰ নাট-ভাওনা আদিত বলিষ্ঠ ভাও দিয়াৰ লগতে সক্ৰিয় অংশগ্ৰহণ কৰিছিল। জামুগুৰিহাট অঞ্চলৰ বিখ্যাত পৰিচয় থকা বাৰেচহৰীয়া ভাওনাৰো এজন কৰ্মী আছিল। তেওঁ আলাপ-আলোচনাৰ মাজতে এদিন কৈছিল যে আজিৰ দিনৰ দৰে দ্ৰুত প্ৰচাৰৰ ব্যৱস্থা থকা হ'লে তেওঁ সংস্কৃতি জগতখনত এটা সন্মানজনক স্থান পাবলৈ সক্ষম হ'লহেঁতেন।

তেওঁ কৃষিকৰ্মৰ লগত গোটেইটো জীৱন ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। তেওঁৰ ভ্ৰাতৃকেইজনক সাৰথি হিচাপে লৈ কৃষিক্ষেত্ৰৰ পৰিসৰো যথেষ্ট বৃদ্ধি কৰি গৈছিল আৰু তাৰ উপযুক্ত ফলো পাইছিল। কিন্তু দুৰ্ভাগ্যৰ কথা যে তেওঁৰ এজন ভ্ৰাতৃ বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ এবছৰমান আগতে পৰলোকপ্ৰাপ্তি ঘটে।

জীৱনৰ শেষছোৱা তেওঁ নিজৰ ঘৰৰ পৰা কিছু নিলগত এটা নিজৰ সপোনৰ ঘৰ নিৰ্মাণ কৰি সহজ-সৰল, শৃংখলাবদ্ধ জীৱন-যাপন কৰিছিল। এই সময়ছোৱাত তেওঁ কে'বাবাৰো গুৰুতৰ ব্যাধিত আক্ৰান্ত হৈছিল কিন্তু দৃঢ় মনোবলেৰে এই যুদ্ধত জয়ী হৈছিল। শেষত তেওঁৰ আত্মাই সৃষ্টিকৰ্তাই বান্ধি দিয়া নিৰ্দিষ্ট সময়ত এই পুষ্প শৰ্মাৰ পৰিচয় ত্যাগ কৰিবলৈ বাধ্য হ'ল আৰু সৃষ্টিৰ নতুন যাত্ৰা আৰম্ভ কৰিলে বা স্বৰ্গৰ স্থায়ী বাসিন্দাৰ অনুমতি লাভ কৰিলে।

তেওঁৰ জীৱনেই আমাৰ আদৰ্শ আৰু এই আদৰ্শক লয়েই আমি আগুৱাই যাম।

**ৰাজীৱ কুমাৰ বৰুৱা**

# হাগ্ৰামা মহিলাৰী এতিয়া অচল পইচা

## বিটিচিৰ মুৰব্বী প্ৰমোদ বড়োৰ সভাত প্ৰশাসনৰ বাধা

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২৪ মাৰ্চ ঃ** 'বিপিএফে এখনো আসন বিক্ৰী নকৰে। কাৰণ এতিয়া বিটিআৰত চৰকাৰ আমাৰ। বিপিএফৰ ইমানেই দম যদি বিটিচিত পৰিষদ কিয় গঠন কৰিব নোৱাৰিলে? হাগ্ৰামা মহিলাৰী এতিয়া অচল পইচা। হাগ্ৰামাৰ মতে এতিয়া একো নচলে।' চিৰাং জিলাৰ কদমতলীত আজি সাংবাদিকৰ আগত এইদৰে কয় বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। কদমতলীত এখন দলীয় সভাত প্ৰশাসনৰ বাধাৰ সন্মুখীন হোৱাৰ ইউপিপিএলৰ সভাপতিজনে লগতে কয়, 'চন্দন ব্ৰহ্মৰো একো কাম নাই। মহাজোঁটৰ কোনো 'বেছ' নাই এতিয়া। কাৰো মুখ দেখি ভোট নিদিয়ে এতিয়া ভোটাৰে।' সভাখনত হোৱা খেলিমেলিৰ সন্দৰ্ভত বড়োৱে কয়, 'ৰাইজে বিচৰা বাবে মই আহিছিলো, কিন্তু সভাৰ অনুমতি সন্দৰ্ভত মই নাজানো।'

উল্লেখ্য যে ইউপিপিএলৰ যোগদান সভাখন আজি বিয়লি চাৰি বজাৰ পৰা অনুষ্ঠিত হোৱাৰ কথা আছিল। সেই অনুসৰি বিগত কিছুদিন ধৰি প্ৰস্তুতি চলিছিল। কিন্তু কালি হঠাৎ পৰিকল্পনা সলনি কৰি দিনৰ ১১ বজাৰ পৰা সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। কাৰণ ইউপিপিএলৰ সভাপতি বড়োৱে আজি পুৱা জিলাখনৰ ছাপাগুৰীত গোৰ্খা সমাজৰ এক অনুষ্ঠানত অংশ লোৱাৰ কথা আছিল। সেইবাবেই কদমতলীৰ সভাৰ সময়ো আগুৱাই দিয়া হয়। কিন্তু দিনৰ ১১ বজাৰ পৰা সভা আয়োজনৰ অনুমতি নথকাত জিলা প্ৰশাসনে বাধা প্ৰদান কৰে। ইফালে বড়োৱে হেলিকপ্টাৰ যোগে ছাপাগুৰীৰ পৰা আহি কদমতলীত উপস্থিত হয় যদিও প্ৰশাসনৰ অনুমতি নথকাত পুনৰ ছাপাগুৰীলৈ উভতি যাবলগীয়া হয়। পাছত বিয়লি দুই বজাত প্ৰশাসনৰ অনুমতি সাপেক্ষে সভা অনুষ্ঠিত হয়। এই সভাতে বিপিএফ আৰু বিএছইউৰ দ্বিশতাধিক লোকে ইউপিপিএলত অংশগ্ৰহণ কৰে।

# বিজেপি-হিমন্তৰ আঙুলিৰ নিৰ্দেশত চলিছে বি টি চি পৰিষদ

## জোঁটবন্ধন বিপিএফ মন্ত্ৰীসভা গঠনৰ দুঘণ্টা পাছতে বিটিচিত বিপিএফে গঠন কৰিব পৰিষদ ঃ বড়ো

**অগ্ৰদূত বাৰ্তা**
**বাগানপাৰা, ২৪ মাৰ্চ ঃ** অসম বিধানসভাৰ নিৰ্বাচনলৈ মাজত মাথোঁ কেইটামান দিন বাকী থকা অৱস্থাত আজি বাগানপাৰাত বিস্ফোৰক মন্তব্য আগবঢ়ায় বিপিএফৰ কেন্দ্ৰীয় সম্পাদক তথা বৰমা বিধানসভা সমষ্টিৰ প্ৰাৰ্থী প্ৰবীণ বড়োয়ে। তেওঁ কয় যে ইউপিপিএলে বিজেপি তথা মন্ত্ৰী হিমন্তৰ আঙুলিৰ নিৰ্দেশত চলাইছে বিটিচি পৰিষদ। এবছুৰে ইউপিপিএলক এক মিনিটৰ বাবে এৰি দিলে ইউপিপিএল নিঃচিহ্ন হৈ যাব। তেওঁ কয় যে এবছু হ'ল বড়োসকলৰ জাতীয় সংগঠন আৰু জাতীয় সংগঠনক লগত লৈ ইউপিপিএলে বড়ো জাতিটোৰ ক্ষতি কৰি আহিছে। সেয়েহে জাতিৰ স্বাৰ্থত সংগঠনটোক ৰাজনৈতিক কব্জাৰ পৰা ওলাই আহিবলৈ আহ্বান জনায়। ইপিনে, কংগ্ৰেছ, এআইইউডিএফ, চিপিএম, চিপিআইএল, আঞ্চলিক গণ মঞ্চ আৰু বিপিএফৰ মহাজোঁটবন্ধনে দিছপুৰত চৰকাৰ গঠন কৰি সাম্প্ৰদায়িক বিজেপিক উৎখাত কৰিম আৰু আমি চৰকাৰ গঠন কৰাটো নিশ্চিত বুলি কৈ চৰকাৰ গঠন কৰাৰ দুঘণ্টা পাছতে প্ৰমোদ বড়োয়ে বিটিচিৰ শাসনভাৰ এৰি বিপিএফৰ হাগ্ৰামাৰ হাতত অৰ্পণ কৰিব লাগিব বুলিও কয়। বিজেপিয়ে ধৰ্মক লৈ ৰাজনীতি কৰিছে, প্ৰতিটো জাতি-জনগোষ্ঠী, ভাষা-কৃষ্টি বিসৰ্জন দি তেওঁ হ'ব লাগিব কেৱল হিন্দু। এনেদৰে জাতি-জনগোষ্ঠীৰ মাজত বিভাজনৰ বীজ সিঁচি বিজেপিয়ে ভাগ ভাগ কৰা বুলি বড়োয়ে গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। বিপিএফৰ এটি নিৰ্বাচনী কাৰ্যালয় বাগানপাৰাত মুকলি কৰে বিপিএফৰ কেন্দ্ৰীয় সম্পাদক তথা প্ৰাৰ্থী বড়োৱে। বাগানপাৰা মণ্ডল বিপিএফৰ সভাপতি কিৰণ মুছাহাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত নিৰেণ স্বৈনাৰীকে ধৰি কে'বাগৰাকী নেতাই ভাষণ প্ৰদান কৰে।

# মিলনবাজাৰত বিপিএফৰ নিৰ্বাচনী কাৰ্যালয় মুকলি



**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২৪ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে তৎপৰ হৈ পৰিছে বিভিন্ন ৰাজনৈতিক দল। এই ক্ষেত্ৰত পিছ পৰি ৰোৱা নাই বিপিএফ। ২৯ নম্বৰ পশ্চিম কোকৰাঝাৰ জনজাতি সমষ্টিৰ অন্তৰ্গত মিলনবাজাৰত বিপিএফৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে আঠ নম্বৰ দোতমা সমষ্টিৰ এমচিএলএ প্ৰকাশ বসুমতাৰীয়ে। উক্ত অনুষ্ঠানত উপস্থিত থাকে মহিলা ব্ৰহ্ম, কাৰ্তিক চন্দ্ৰ ৰায়, দীননাথ বৰ্মনৰ লগতে বিপিএফৰ নেতা-কৰ্মীসকল। উক্ত অনুষ্ঠানত এমচিএলএ বসুমতাৰীয়ে কয়, 'ৰাইজৰ মাজত বিপিএফৰ ভেটি কোনেও দুৰ্বল কৰিব নোৱাৰে। এইবাৰ অসমত কংগ্ৰেছ, এআইইউডিএফ, বিপিএফ আদিৰ মহাজোঁটৰ চৰকাৰ হ'ব তাত কোনো সন্দেহ নাই। অসমৰ পৰা বিজেপিক উৎখাত কৰাৰ লগতে বিটিআৰৰ পৰা বিজেপি, ইউপিপিএল জিএছপি আদিৰ মিত্ৰজোঁটৰ চৰকাৰখন উৎখাত কৰিবলৈ ৰাইজ এতিয়াও বিপিএফৰ লগতে আছে।' তেওঁ পুনৰ কয়, 'বিজেপি হ'ল এটা সাম্প্ৰদায়িক দল, বিজেপিয়ে অসমত হিন্দু আৰু মুছলিমৰ মাজত বিভেদ আনিব বিচাৰিছে।'

# ইউপিপিএলৰ প্ৰাৰ্থী ইউজি ব্ৰহ্মৰ বিজয় কামনাৰে সমূহীয়া প্ৰাৰ্থনা

## নিৰ্বাচনৰ পাছতেই হাগ্ৰামাৰ বিপিএফ দল ভংগ হ'ব ঃ ইউজি



**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২৪ মাৰ্চ ঃ** চাপাগুৰি বিধানসভা সমষ্টিৰ ইউপিপিএলৰ প্ৰাৰ্থী উৰ্খাও গৌৰা ব্ৰহ্মৰ বিজয়ৰ বাবে সমষ্টিটোৰ ভিন্ন প্ৰান্তত ৰাইজে মন্দিৰে মন্দিৰে আৰম্ভ কৰিছে সমূহীয়া প্ৰাৰ্থনা, হোমযজ্ঞ। উল্লেখ্য যে আজি চাপাগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত চলচলিত অৱস্থিত সিদ্ধ যোগাশ্ৰমত অগণন ধৰ্মপ্ৰাণ ৰাইজে ব্ৰহ্মৰ গৌৰৱময় বিজয় কামনাৰে হোমযজ্ঞ আৰু প্ৰাৰ্থনা কৰে। ব্ৰহ্মৰ উপস্থিতিতে ৰাইজে হোমযজ্ঞ, সমূহীয়া উপাসনা কৰে পৰমব্ৰহ্মৰ ওচৰত। অনুষ্ঠানত প্ৰাৰ্থী ব্ৰহ্মৰ স'তে প্ৰাক্তন বিধায়ক টিজেন বসুমতাৰী, প্ৰাক্তন এমচিএলএ অনিপ বসুমতাৰী, শালবাৰী সমষ্টি টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মছাহাৰীৰ লগতে ইউপিপিএল, বিজেপি, জিএছপিৰ কে'বাজনো নেতা উপস্থিত থাকে। ব্ৰহ্মাই আজি ইউপিপিএল, বিজেপি, জিএছপিৰ বহুসংখ্যক নেতা-কৰ্মী-সমৰ্থকক লগত লৈ বৃহত্তৰ চাপাগুৰি বিধানসভা সমষ্টিৰ ভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ চৈবাৰী, বৰবৰী, বাথৌপুৰি আৰু বাংনাবাৰীত পৃথকে পৃথকে অনুষ্ঠিত প্ৰচাৰ সভাত ভাষণ দিয়ে। তেওঁ ডুমুনী বাগনত ইউপিপিএলৰ এটা নিৰ্বাচনী কাৰ্যালয় উদ্বোধন কৰি কয় যে অসমত বিজেপিৰ নেতৃত্বত মিত্ৰজোঁটৰ এখন শক্তিশালী চৰকাৰ গঠন হোৱাটো নিশ্চিত। ৰাইজে ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰিছে, মিত্ৰজোঁটৰ স্বতঃস্ফূৰ্তভাৱে ভোট দিবলৈ সাজু হৈছে। মহাজোঁটক ৰাইজে প্ৰত্যাখ্যান কৰিব। বিটিচিৰ আটাইবোৰ সমষ্টিতেই ইউপিপিএলৰ প্ৰাৰ্থীৰ বিজয়ৰ পৰিৱৰ্তে বিপিএফৰ এজনো প্ৰাৰ্থী জয়ী হ'ব নোৱাৰে বুলি ব্ৰহ্মাই কয়। এইবাৰ নিৰ্বাচনৰ পাছত বিপিএফ বিটিচি তথা ৰাজনৈতিক ক্ষেত্ৰৰ পৰা উৎখাত কৰা হ'ব বুলি তেওঁ কয়।

# ভৱানীপুৰ অগপ নিৰ্বাচনী সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**ভৱানীপুৰ, ২৪ মাৰ্চ ঃ** অসম আন্দোলনৰ প্ৰথম ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ গৃহ সমষ্টি ভৱানীপুৰ সমষ্টি এআইইউডিএফৰ দখলৰ পৰা উদ্ধাৰ কৰিবলৈ অধিক তৎপৰ হৈছে বিজেপি তথা মিত্ৰজোঁটে। এইবাৰ সমষ্টিটোত মিত্ৰজোঁটে অগপ প্ৰাৰ্থী ৰূপে প্ৰক্ষেপ কৰিছে ড° ৰণজিৎ ডেকাক। সমষ্টিটোৰ প্ৰচাৰসমূহ সুকলমে অনুষ্ঠিত কৰাৰ বাবে সমষ্টিটোৰ সৰুপেটা মিলন মন্দিৰ প্ৰাংগণত অনুষ্ঠিত এক সভাত মিত্ৰজোঁটৰ নিৰ্বাচনী সমিতি গঠন কৰা হয়। ভৱানীপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক মনোৰঞ্জন দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অগপ, বিজেপি আৰু ইউপিপিএলৰ নেতা-কৰ্মী-সমৰ্থকসকল উপস্থিত থাকে। উক্ত সভাত ড° মনোৰঞ্জন দাসক সভাপতিৰূপে লৈ মুঠ ৫৫ জনীয়া কমিটী গঠন কৰা হয়।

# পশ্চিম কোকৰাঝাৰ সমষ্টিত ইউপিপিএল'ৰ প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ তুংগত ঃ ব্ৰহ্ম

**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২৪ মাৰ্চ ঃ** ১৫ বছৰ বিপিএফৰ দখলত থকা ২৯ নম্বৰ পশ্চিম বিধানসভা সমষ্টিটো উদ্ধাৰৰ বাবে ইউপিপিএলৰ প্ৰাৰ্থী মনোৰঞ্জন ব্ৰহ্মাই প্ৰচাৰ অভিযান তীব্ৰতৰ কৰিছে। কালি গোসাঁইগাঁও মহকুমাৰ পশ্চিম বিধানসভা সমষ্টিটোৰ অন্তৰ্গত দুদুমাৰী, পানবাৰী, গেন্দ্ৰাবিল বজাৰ, পানীজানি, ভূমকা, শিঙিমাৰী, বল্লোমঝোৰা, চাকমা, বাৰখামবিলকে ধৰি কে'বাখনো গাঁৱত ইউপিপিএলৰ প্ৰাৰ্থী ব্ৰহ্মাই প্ৰাক্তন বিধায়ক হেমেন্দ্ৰ নাথ ব্ৰহ্মক লগত লৈ প্ৰচাৰ চলায়। পশ্চিম কোকৰাঝাৰ বিধানসভা সমষ্টিটোৰ অন্তৰ্গত ভূমকাস্থিত প্ৰয়াত হলিচৰণ বসুমতাৰী প্ৰতীক্ষালয়ত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত প্ৰাক্তন বিধায়ক ব্ৰহ্মাই সমষ্টিবাসীয়ে তেওঁক বিপুল ভোটত জয়যুক্ত কৰিবলৈ আহ্বান জনায়। তেওঁ ভাষণত কয় যে পূৰ্বে নিৰ্বাচনত ধন দি ভোট লোৱা ৰাজনীতি নাছিল। কিন্তু বিটিচি হোৱাৰ পাছতে নিৰ্বাচনত ধনবল বাহুবলৰ ৰাজনীতি আৰম্ভ হৈছে। তেওঁ সমষ্টিৰ উন্নয়নৰ বাবে এক পৰিৱৰ্তনকামী চৰকাৰ বিচাৰিছিল আৰু ৰাইজৰ প্ৰৱল জনসমৰ্থন লাভ কৰি এইবাৰ প্ৰমোদ বড়োৰ নেতৃত্বত বিটিআৰ চৰকাৰ গঠন কৰাতো সম্ভৱ হৈছে। হাগ্ৰামা মহিলাৰীৰ দুৰ্নীতি, অপশাসনৰ বিৰুদ্ধে এইবাৰ প্ৰৱল জনমত গঠন হৈছে আৰু বিটিআৰত বড়োৰ ঢৌ আহিছে বুলি তেওঁ উল্লেখ কৰি কয় যে প্ৰমোদ বড়োৰ চৰকাৰখনক ৰাইজে পাঁচ বছৰৰ বাবে দায়িত্ব দিছে আৰু এই পাঁচ বছৰত ইউপিপিএলে ৰাইজৰ হৈ কাম কৰিব। শতাধিক পুৰুষ-মহিলা উপস্থিত থকা নিৰ্বাচনী প্ৰচাৰ সভাখনত ইউপিপিএলৰ প্ৰাৰ্থী ব্ৰহ্মাই ৰাইজৰ সঁহাৰি লাভ কৰা বুলি কয়। আনহাতে, হাগ্ৰামা মহিলাৰীয়ে বিভিন্ন নিৰ্বাচনী সভাত তেওঁক মাফিয়া বুলি সম্বোধন কৰা কথাৰ প্ৰতিক্ৰিয়া জানিব বিচৰাত তেওঁ ৰাইজে সেয়া বিবেচনা কৰিব বুলি উল্লেখ কৰি কয় যে নিৰ্বাচনত ৰাইজে ৰজা। তেনে ক্ষেত্ৰত বিপিএফৰ মুৰব্বীৰূপে ৰাজনৈতিক পথাৰত তেওঁৰ বিৰুদ্ধে যিয়ে নকওক কিয় তাৰ বিবেচনা ৰাইজেই কৰিব বুলি উল্লেখ কৰে।

# কচুবাৰী গোপাল জগন্নাথ থান সত্ৰৰ ৫২১ বৰ্ষীয় গৰখীয়া সবাহ

## নিজ পিতৃ-মাতৃক সেৱা-ভক্তি কৰাজনে কেতিয়াও কাশী বৃন্দাবন যাব নালাগে ঃ দাস

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৪ মাৰ্চ ঃ** বাগ্‌সা জিলাৰ তামুলপুৰ মহকুমাৰ অন্তৰ্গত কচুবাৰীৰ ইতিহাস প্ৰসিদ্ধ মহাপ্ৰভু শ্ৰীশ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰৰ ৫২১ বৰ্ষীয় গৰখীয়া সবাহ মহোৎসৱখনি পাঁচ দিনীয়া কাৰ্যসূচীৰে আজিৰে পৰা আৰম্ভ হৈছে। আজি পুৱা ৮-৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰে গোপাল আৰু জগন্নাথ থান সত্ৰৰ জ্যেষ্ঠ কৰ্মী কমলেশ্বৰ দাসে। গৰখীয়া সবাহৰ মুখ্যদ্বাৰ মুকলি কৰে বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য দেৰেন বড়োৱে। থান সত্ৰৰ প্ৰাক্তন সভাপতি কামেশ্বৰ দাসে মন্দিৰৰ দ্বাৰ আৰু বন্তি প্ৰজ্বলন কৰাৰ পাছতেই ছহিদ তৰ্পণ, মূল ৰভা, বাণিজ্য মেলা, ভোজনালয় উন্মোচন কৰা হয়। দিনৰ ১২ বজাত থান সত্ৰ পৰিচালনা সমিতিৰ সভাপতি সুৰেন ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা গৰখীয়া সবাহ উদ্বোধন আৰু ধৰ্মালোচনী সভাখন উদ্বোধন কৰে বাৰ্তাপখিলীৰ সম্পাদক ব্ৰজেন্দ্ৰ নাথ ডেকাই। সবাহ উদ্বোধন কৰি ডেকাই কয়, ৫২১ বছৰীয়া ইতিহাস সমৃদ্ধ কচুবাৰীৰ মহাপ্ৰভু শ্ৰীশ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰখনি নামনি অসমৰ এখন উল্লেখযোগ্য ধৰ্মানুষ্ঠান। ইতিহাস সমৃদ্ধ গোপাল আৰু জগন্নাথ থান সত্ৰত সেৱা আৰু নৈবেদ্য আগবঢ়ালে ভক্তৰ মনোবাঞ্চা পূৰণ হোৱাৰ লগতে জাগ্ৰত ধৰ্মানুষ্ঠান বুলি লোক বিশ্বাস থকা এই অনুষ্ঠানখনে বছৰ বছৰ ধৰি বৃহত্তৰ তামুলপুৰ অঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীক সমন্বয় আৰু ভ্ৰাতৃত্ববোধৰ এনাজৰীৰে বান্ধি ৰাখিছে।' বাগ্‌সা জিলাৰ ভিতৰতে অতিকৈ পুৰণি ইতিহাস প্ৰসিদ্ধ গোপাল আৰু জগন্নাথ থান সত্ৰখন আন্তঃগাঁথনিৰ অধিক উন্নয়নৰ লগতে অনুষ্ঠানটিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ বাবে জনপ্ৰতিনিধি তথা প্ৰশাসনক আহ্বান জনায়। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণত শিক্ষাবিদ তথা চামতা সূত্ৰধৰ একাডেমীৰ প্ৰৱক্তা উৎপল দাসে কয়, 'বৰ্তমান সমাজত আধ্যাত্মিক চিন্তা চৰ্চা, মানৱতাবোধ, সৎ চিন্তা, অহিংসা নাইকিয়া হৈ গৈছে। মানুহৰ মনত ধৰ্ম আৰু জ্ঞানৰ অভাৱ বৃদ্ধি পোৱাৰ ফলত পৃথিৱীত শান্তি নোহোৱা হৈছে। পৃথিৱীত ধৰ্মানুষ্ঠান বাঢ়িছে, কিন্তু মানুহৰ মাজত অশান্তিও বৃদ্ধি পাইছে।আমি প্ৰকৃত মানুহ সৃষ্টি কৰিব পৰা নাই। আজিৰ সমাজত বহুতেই লোকক দেখুৱাবলৈ ধৰ্ম কৰে অন্তৰত কিন্তু অলপো আধ্যাত্মিকতা নাই। লোকক দেখুৱাই ধৰ্ম কৰাৰ নামত মানুহে বিভিন্ন মঠ-মন্দিৰ ঘূৰি ফুৰে। কিন্তু নিজৰ পিতৃ-মাতৃক সেৱা-ভক্তি কৰাজনে কেতিয়াও কাশী-বৃন্দাবন যাব নালাগে।' সভাত বিটিচিৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ণ দাস, বিশিষ্ট ব্যৱসায়ী, লেখক গোপাল জালান, গোপাল আৰু জগন্নাথ থান সত্ৰৰ প্ৰাক্তন সভাপতি কামেশ্বৰ দাসেও চমু বক্তব্য আগবঢ়ায়। গোপাল জগন্নাথ থান সত্ৰৰ প্ৰাক্তন সভাপতি হলধৰ দাসে আঁত ধৰা আৰু প্ৰাক্তন সভাপতি ধনেশ্বৰ দাসে উদ্দেশ্য ব্যাখ্যা কৰা আজিৰ গৰখীয়া সবাহ উদ্বোধন আৰু ধৰ্মালোচনী সভাত আছুৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকা, সমাজকৰ্মী ভদ্ৰেশ্বৰ বড়ো, দীনেশ মেধি, মেনকা ৰাভা, থান সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক দ্বীপেন দাস আদি উপস্থিত থাকে। আজিৰ সভাতেই অঞ্চলটোৰ কে'বাগৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

# শতাধিক মেট্ৰিক পৰীক্ষাৰ্থীক বিনামূলীয়া পাঠদানৰ পদক্ষেপ

**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২৪ মাৰ্চ ঃ** ক'ভিড প্ৰট'কলৰ বাবে শিক্ষাৰ পৰা বঞ্চিত শতাধিক মেট্ৰিক পৰীক্ষাৰ্থীৰ বাবে বিনামূলীয়া পাঠদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে ধুবুৰী জিলাৰ তামাৰহাটৰ এটা স্বেচ্ছাসেৱী সংগঠনে। উল্লেখ্য যে ক'ভিড-১৯ৰ ভয়াৱহ পৰিস্থিতিৰ ফলত বিদ্যালয়সমূহ বন্ধ হৈ পৰাত শিক্ষা জীৱনলৈ নামি আহিছিল ঘোৰ অমানিশা। প্ৰায় এটা শিক্ষা বৰ্ষ শিক্ষাৰ পৰা বঞ্চিত হয় দেশৰ ছাত্ৰ সমাজ। বিদ্যালয়সমূহত পাঠদান আৰম্ভ হ'ল যদিও মেট্ৰিক পৰীক্ষা সমাগত, কি হ'ব ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ জীৱন, তাকে লৈ চিন্তিত সকলোৱে। এনে সময়তে ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত কাছাৰী গাঁওস্থিত 'হৰ্টিকালছাৰ এণ্ড অৰ্গানিক ফাৰ্টিলাইজাৰ মাৰ্কেটিং ডেভেলপমেণ্ট ছ'চাইটি' নামৰ বেচৰকাৰী সংস্থাটোৱে শিক্ষাৰ পৰা বঞ্চিত অঞ্চলটোৰ শতাধিক ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া পাঠদান শিবিৰৰ ব্যৱস্থা কৰিছে। সংস্থাটোৱে বিভিন্ন সময়ত অঞ্চলটোৰ দৰিদ্ৰক সহায় কৰি আহিছে। ফেব্ৰুৱাৰীত আৰম্ভ হোৱা পাঠদান শিবিৰটো মেট্ৰিক পৰীক্ষাৰ আগলৈকে চলাই নিব বুলি সংস্থাটোৰ কৰ্তৃপক্ষই জানিবলৈ দিছে। শিবিৰটোত বিশেষকৈ ইংৰাজী, বিজ্ঞান, গণিত আৰু অসমীয়া বিষয়ত পাঠদান দিয়াৰ ব্যৱস্থা কৰিছে সংস্থাটোৱে। ইয়াৰ উপৰি বেচৰকাৰী সংস্থাটোৱে বিগত সময়ছোৱাত বৃক্ষৰোপণ আৰু কৃষিৰ ক্ষেত্ৰতো যথেষ্ট গুৰুত্ব আৰোপ কৰিছে।

# বিজেপিক ক্ষমতাচ্যুত কৰি ধৰ্মনিৰপেক্ষ চৰকাৰ গঠনৰ স্বাৰ্থত ভোট দিয়ক ঃ পপুলাৰ ফ্ৰণ্ট

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২৪ মাৰ্চ ঃ** পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াৰ অসম ৰাজ্যিক সমিতিৰ সভাপতি আবুশ্বামা আহমেদৰ উপস্থিতিত সংগঠনটোৰ বাগ্‌সা জিলাৰ নেতৃস্থানীয় কৰ্মীসকলক লৈ আজি জিলাখনৰ শালবাৰীৰ কালপানী বজাৰ প্ৰাংগণত এখন সাধাৰণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত সংগঠনটোৰ সভাপতি আহমেদে কয় যে সংগঠনটোৱে ক্ষমতাপন্ন ফেচিবাদী বিজেপি চৰকাৰক ক্ষমতাচ্যুত কৰাৰ স্বাৰ্থত ৰাজ্যখনৰ সকলো ধৰ্মনিৰপেক্ষ দল মিলি এটা মহাজোঁট বন্ধনৰ পোষকতা কৰি আহিছিল। আৰু এই সম্পৰ্কে সংগঠনটোৱে ৰাজ্যিক পৰ্যায়ত যোৱা ছয় মাৰ্চৰ বিবৃতিত বিস্তাৰিতভাৱে জনাইছে। অৱশেষত ন-পুৰণি আঠোটাকৈ দল মিলি মহাজোঁট গঠন হোৱা মহাজোঁটৰ প্ৰতি ইতিমধ্যে সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছে। ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদ সম্পৰ্কে সভাপতিজনে কয়, 'পপুলাৰ ফ্ৰণ্টে আচলতে এই দুটা দলকো মহাজোঁটৰ লগত থকাটোহে বিচাৰিছিল, যদিহে তেওঁলোকে মনে-প্ৰাণে বিজেপি পৰাভূত হোৱাটো বিচাৰিছিল। দল দুটাৰ শীৰ্ষ নেতৃত্বই মহাজোঁটৰ পৰা আঁতৰি থকা আৰু বিগত দিনৰ কিছু কাম-কাজ তথা সাম্প্ৰতিক কিছু বক্তব্যৰ বাবে সাধাৰণ ভোটাৰসকলে দল দুটাক বিশ্বাসত ল'ব পৰা নাই। তেওঁ আমাৰ সাতামপুৰুষীয়া মিলনভূমিৰ ঐতিহ্য আৰু অসমবাসীৰ অস্তিত্ব ৰক্ষা আৰু 'কা' বাতিলৰ স্বাৰ্থত এইবাৰৰ নিৰ্বাচনত কোনো কাৰণতে যাতে দল দুটাৰ প্ৰক্ষেপিত প্ৰাৰ্থীৰ ভোট বিভাজনে বিজেপিক জয়ী হোৱাত সহায় নকৰে তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ দল দুটাক সকীয়াই দিয়ে। অৱশ্যে দল দুটাই বিজেপিৰ বিভাজনবাদী নীতি, ঘৃণাৰ ৰাজনীতি, ধৰ্মীয় মেৰুকৰণ আদিৰ মুকলিকৈ বিৰোধ আৰু 'কা' বিৰোধী স্থিতিত অটল আছে। সেয়েহে যিবোৰ সমষ্টিত যোগ্যতা, গণ ভিত্তি, নিকা ভাবমূৰ্তি আদি কাৰণত মহাজোঁটৰ প্ৰাৰ্থীতকৈ তেওঁলোকৰ প্ৰাৰ্থী সবল বা বিজেপিৰ মূল প্ৰতিদ্বন্দ্বী হ'ব পাৰিছে, তেনে ক্ষেত্ৰত সেইসমূহ প্ৰাৰ্থী জয়ী হোৱাটো বিচাৰে আৰু নিৰ্বাচনৰ পাছত তেওঁলোকক মহাজোঁটৰ প্ৰতি সমৰ্থন দি এখন ধৰ্মনিৰপেক্ষ চৰকাৰ গঠন কৰিব বুলি সংগঠনটো আশাবাদী। আহমেদে পুনৰ কয় যে সৰভোগ সমষ্টিৰ মহাজোঁটৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰক জয়ী কৰাৰ বাবে ল'বলগীয়া কৰ্মপন্থা সম্পৰ্কে সংগঠনটোৱে আলোচনা কৰিছে।' একেদৰে বৰপেটাত আব্দুৰ ৰহিম আহমেদ বা ভৱানীপুৰত ফণী তালুকদাৰ আনকি বাগ্‌সা-বৰপেটাৰ সমষ্টিসমূহৰ উপৰি ৰাজ্যখনত সংগঠনটোৰ প্ৰভাৱ থকা সকলো সমষ্টিতে ৰাজ্যিক নেতৃত্বই মহাজোঁটৰ প্ৰাৰ্থী জয়ী কৰোৱাৰ বাবে এইধৰণৰ আলোচনা অব্যাহত ৰাখিছে। ইয়াৰ লগতে মহাজোঁটৰ নেতৃত্ব তথা প্ৰাৰ্থীসকলক দেশ আৰু নাগৰিকৰ স্বাৰ্থত সংগঠনটোৱে ৬৭টা দাবী সম্বলিত এখন দাবীপত্ৰও দাখিল কৰে। এইবাৰ নিশ্চিতভাৱে ৰাজ্যখনত বিজেপি ক্ষমতাচ্যুত হ'ব আৰু ধৰ্মনিৰপেক্ষ মহাজোঁটৰ এখন চৰকাৰ গঠন হ'ব বুলি আহমেদে দৃঢ়তাৰে কয়। সভাখনত পপুলাৰ ফ্ৰণ্টৰ বাগ্‌সা জিলা সভাপতি খলিলুৰ ৰহমান, সম্পাদক ময়নুল হককে ধৰি ভালেকেইজন নেতা-কৰ্মী উপস্থিত থাকে।

# বিপিএফৰ নিৰ্বাচনী কাৰ্যালয় উদ্বোধন বিধায়ক ৰবিৰাম নাৰ্জাৰীৰ

**অগ্ৰদূত বাৰ্তা**
**ফকিৰাগ্ৰাম ২৪ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰক মনোনয়ন পত্ৰ দাখিল কৰাৰ পাছতে ৰাজনৈতিক দল সমূহৰ তৎপৰতা বৃদ্ধি হৈছে। কালি ২৯ নম্বৰ কোকৰাঝাৰ পশ্চিম জনজাতি সমষ্টিৰ অধীনৰ সেৰফানগুৰী, নেপালপাৰা, ৰমনীআশ্ৰম আদি অঞ্চলত নিৰ্বাচন পৰিচালনা কৰিবলৈ নিৰ্বাচনী উপ-কাৰ্যালয়সমূহৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিপিএফৰ প্ৰাৰ্থী তথা বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে। সেৰফাংগুৰী নিৰ্বাচনী কাৰ্যালয়ৰ উদ্বোধন অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি, পুৱা বিপিএফৰ দলীয় পতাকা কৰে সেৰফাংগুৰী প্ৰাইমাৰী বিপিএফৰ সভাপতি সম্পাদক সৌৰাং নাৰ্জাৰী আৰু সৌৰাং ব্ৰহ্মই। ইয়াৰ পাছত শতাধিক সমৰ্থকৰ লগতে জ্যেষ্ঠ নাগৰিকৰ উপস্থিতিতেই কাৰ্যালয়টো উদ্বোধন কৰে প্ৰাৰ্থী নাৰ্জাৰীয়ে। উক্ত নিৰ্বাচনী প্ৰচাৰ সভাত সেৰফাংগুৰী অঞ্চলৰ জ্যেষ্ঠ ব্যক্তি মদাৰাম নাৰ্জাৰীৰ লগতে বকুল ব্ৰহ্ম, আজগৰ আলী, এম চি এল এল এ প্ৰকাশ বসুমতাৰীও উপস্থিত থাকি বিপিএফক ভোট প্ৰদান কৰিবলৈ আহ্বান জনায়।

# বিজেপি বিৰোধী শক্তিক একত্ৰিত হোৱাৰ আহ্বান দেৰহাছাং বসুমাতাৰীৰ

**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২৪ মাৰ্চ ঃ** আজি ফকিৰাগ্ৰাম ব্লক বিপিএফৰ অন্তৰ্গত চিথিলাত বিপিএফৰ কোকৰাঝাৰ জিলাৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য দেৰহাছাং বসুমাতাৰীয়ে দলীয় কৰ্মীসকলৰে এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত তেওঁ নিৰ্বাচনত দলীয় কৰ্মীসকলক সক্ৰিয়ভাৱে কাম কৰিবলৈ আহ্বান জনায়। বসুমাতাৰীয়ে অসমত বিজেপি বিৰোধী শক্তিক একত্ৰিত হ'বলৈ আহ্বান জনায়। অহা ২৫ মাৰ্চত চৌতাৰা ঘোঁৰামাৰা পথাৰত নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ এআইইউডিএফৰ সভাপতি বদৰুদ্দিন আজমল উপস্থিত হ'ব বুলি কয়।

# বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োক 'শান্তিৰ দূত' সন্মান গোৰ্খা সমাজৰ

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২৪ মাৰ্চ ঃ** বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক আজি বিটিআৰ গোৰ্খা সমাজে 'শান্তিৰ দূত' সন্মান প্ৰদান কৰে। চিৰাং জিলাৰ ছাপাগুৰিৰ হোটেল হিমালয়ত বিটিআৰ গোৰ্খা সমাজৰ বাৰ্ষিক কৰ্মশালা আজি দিনজোৰাকৈ অনুষ্ঠিত হয়। বিটিআৰ চুক্তিৰ জৰিয়তে বিটিচিত সকলো উগ্ৰপন্থী সমস্যাৰ সমাধান কৰি শান্তি প্ৰতিষ্ঠাৰে সকলো জাতি-জনগোষ্ঠীৰ মাজত বিগত সময়ত হৈ থকা বিভেদ আঁতৰাই ভ্ৰাতৃত্ববোধ গঢ়ি তোলাত ইউপিপিএলৰ সভাপতিজনক সমাজে আজি এই সন্মান প্ৰদান কৰে। অনুষ্ঠানত উপস্থিত থাকি তেওঁ কয় যে বিটিআৰত শান্তি আৰু সমৃদ্ধিৰে সমাজ গঢ়ি উঠিছে। বিটিআৰ গঠনত গোৰ্খাসকলৰ অৱদান অতুলনীয়। বিটিআৰত সকলো জাতি-জনগোষ্ঠীৰ সমান অধিকাৰ আছে আৰু ভৱিষ্যতেও থাকিব। কাৰণ সকলো জাতি-জনগোষ্ঠীৰ সহযোগত বিটিআৰ গঠন কৰা হৈছে। আনহাতে, গোৰ্খা ভাষাটোক বড়োলেণ্ডৰ ভাষাৰূপে জীয়াই ৰাখিব লাগিব বুলি তেওঁ কয়। তদুপৰি বিটিআৰ চুক্তিত উল্লেখ থকা অনুযায়ী গোৰ্খা ভাষা সংস্কৃতি গৱেষণা কেন্দ্ৰ আৰু গোৰ্খা উন্নয়ন ব'ৰ্ড গঠন কৰা হ'ব বুলি তেওঁ ঘোষণা কৰে।

# শালবাৰীত এন্‌ৰেগা আঁচনিত দুৰ্নীতি

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২৪ মাৰ্চ ঃ** বাগ্‌সা জিলাৰ শালবাৰীৰ বাৰাপেটা মুছলিম বস্তিস্থিত কবৰস্থানৰ কাষত এনৰেগা আঁচনিৰ অধীনত মাটি পেলোৱাৰ নামত দুৰ্নীতি সংঘটিত হোৱাত অভিযোগ উঠিছে। প্ৰায় আঠ লাখ টকা ব্যয় সাপেক্ষে উক্ত স্থানত মাটি পেলোৱা ফলক আঁৰি দিয়াৰ পাছতে জাঙুৰ খাই উঠিছে এবিএমছু আৰু স্থানীয় কবৰস্থান পৰিচালনা সমিতিয়ে। মাত্ৰ ১৫-২০ হেজাৰ টকাৰ মাটি পেলায়ে এই কাম কৰা বুলি অভিযোগ তুলি আজি এবিএমছুৰ নেতৃত্বত ৰাইজে বিভিন্ন শ্ল'গানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। ৰাইজে শীঘ্ৰে ইয়াৰ তদন্তৰ দাবী জনাইছে।

# ইউপিপিএল প্ৰাৰ্থীলৈ সমৰ্থন বিপিএফ নেতা বসুমতাৰীৰ

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৪ মাৰ্চ ঃ** ইউপিপিএলৰ তামুলপুৰ সমষ্টিৰ প্ৰাৰ্থী লেহোৰাম বড়োক মুকলি সমৰ্থন আগবঢ়াইছে বিপিএফ নেতা তথা প্ৰাক্তন বিধায়ক চণ্ডী বসুমতাৰীয়ে। আজি সন্ধিয়া সংবাদ মাধ্যমৰ আগত এই কথা সদৰী কৰে বসুমতাৰীয়ে। উল্লেখ্য যে বিপিএফৰ পৰা প্ৰাৰ্থিত্ব বিচাৰি আবেদন কৰিছিল যদিও প্ৰাৰ্থিত্ব নাপালে বসুমতাৰীয়ে। সেয়েহে ক্ষুব্ধ হৈ পৰা প্ৰাক্তন বিধায়কজনে কয় যে সমষ্টিটোত অৱতীৰ্ণ ১১ প্ৰাৰ্থীৰ ভিতৰত ইউপিপিএলৰ প্ৰাৰ্থীজনে তেওঁৰ দৃষ্টিত যোগ্য।

সেয়েহে মিত্ৰজোঁটৰ ইউপিপিএলৰ প্ৰাৰ্থীজনক মুকলি সমৰ্থন দি জিকাই নিয়াৰ স্বাৰ্থত আজিৰে পৰা নিৰ্বাচনী প্ৰচাৰত জড়িত হোৱাৰ কথাও সদৰী কৰে। বিপিএফৰ শীৰ্ষ নেতা হৈয়ো দলত্যাগ নকৰাকৈ ইউপিপিএলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলালে দলে কিবা অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিলেও তেওঁৰ আপত্তি নাই বুলি কয়। আনহাতে, ভৱিষ্যতত সক্ৰিয় ৰাজনীতি কৰিলেও নিৰ্বাচনী ৰণত নানামো বুলি সদৰী কৰি কয় যে ইতিমধ্যে তেওঁৰ ভৱিষ্যৎ ৰাজনৈতিক জীৱন সম্পৰ্কে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখ্য যে কিছুদিন ধৰি তামুলপুৰৰ প্ৰাক্তন বিধায়কজনৰ স'তে ইউপিপিএলৰ সভাপতি তথা বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ লগত গোপনে সম্পৰ্ক ৰক্ষা কৰি চলি আছিল যদিও আজি প্ৰকাশ্যে প্ৰমোদ বড়োৰ লগত মিলিত হয়।

# নিৰ্বাচনত বিজেপিক প্ৰত্যুত্তৰ দিব ৰাইজে

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২৪ মাৰ্চ ঃ** 'বিজেপি বিশ্বাসঘাতকৰ দল। এইবাৰ নিৰ্বাচনত বিজেপিক বিশ্বাসঘাতকতাৰ প্ৰত্যুত্তৰ দিব ভোটাৰ ৰাইজে।' এই হুংকাৰ বিপিএফ নেতা তথা চিদলী সমষ্টিৰ প্ৰাৰ্থী চন্দন ব্ৰহ্মৰ। আজি চিৰাং জিলাৰ গৰুভাষাত এখন যোগদান সভাত অংশগ্ৰহণ কৰি মন্ত্ৰী ব্ৰহ্মাই বিজেপিক কঠোৰ ভাষাৰে সমালোচনা কৰি কয় যে যি সময়ত নাগৰিকত্ব সংশোধনী আইনলৈ অগপই সমৰ্থন প্ৰত্যাহাৰ কৰিছিল সেই সময়ত বিপিএফে বিজেপিক ৰাজ্যত শাসন চলোৱাত সহায় কৰিছিল। কিন্তু তাৰ পাছতো বিজেপিয়ে দলটোক বিশ্বাসঘাতকতা কৰিছে। আনহাতে, এন এল এফ বি উগ্ৰপন্থী সংগঠনৰ স'তে চন্দন ব্ৰহ্মৰ কোনো সম্পৰ্ক নাই বুলি দাবী কৰি তেওঁ কয় যে অভিযোগকাৰীসকলে নিজেই সন্দেহৰ আৱৰ্তত। উগ্ৰপন্থী সংগঠন সৃষ্টি বিপিএফৰ কাম নহয়। আনহাতে, বিজেপিয়ে বিপিএফক নিঃশেষ কৰিব বিচাৰিছিল যদিও তাৰ প্ৰত্যুত্তৰ এইবাৰ নিৰ্বাচনত পাব বুলিও হুংকাৰ দিয়ে মন্ত্ৰীজনে। ইউপিপিএলক সমালোচনা কৰি তেওঁ কয় যে প্ৰাৰ্থিত্ব আৰু এবছুকেন্দ্ৰিক হোৱাত ইউপিপিএলৰ প্ৰতিষ্ঠাপক সদস্যসকলৰ মাজত সংঘাতৰ সৃষ্টি হৈছে। যাৰ বাবে সংখ্যালঘু কোষৰ কেন্দ্ৰীয় সভাপতি হানিফ আলীয়ে আজি বিপিএফত যোগদান কৰে। ইউপিপিএলৰ কাৰ্যকৰী সভাপতি ৰণগৌৰা নাৰ্জাৰীয়ে এইবাৰ দলটোৰ কোনো কাৰ্যসূচীত কিয় অংশগ্ৰহণ কৰা নাই বুলিও প্ৰশ্ন কৰে। উল্লেখ্য যে আজিৰ এই সভাত দুই শতাধিক ইউপিপিএল সমৰ্থকে বিপিএফত যোগদান কৰে।




## ৰং খেলো আহা ৰং ছটিয়াই

**তুলিকা দেৱী চৌধুৰী**

ৰং খেলো ৰং খেলো
জীৱনৰ ৰং ছটিয়াই
সেউজীয়া পথাৰ শুৱনি কৰি
আমি যে অকণি
নাই গাত তৰণি।

তিৰ্‌বিৰ্ তিৰ্‌বিৰ্ ৰ'দালি পুৱা
গীত গাই যাওঁ ওমলি
প্ৰেমৰ পাপৰিৰে
জীৱনৰ ডিঙা মেলি
আহা যাওঁ আগুৱাই
মেঘ-বৰষাৰ আঁৰে আঁৰে
লুকাভাকু খেলি...।

## ঘৰচিৰিকা

ঘৰচিৰিকা ভাই
ধান খাবি চিৰা খাবি
মোৰ ঘৰত থাকিবি
মোৰ ঘৰত বাহ সাজি
মোৰ লগৰী হবি।
ৰাতিপুৱাই উঠি
চিৰিক চিৰিক কৰি
গান গাবি তই
মোক জগাই দিবি
ফুৰিবলৈ যাবি
কিন্তু মনত ৰাখিবি
গধূলি হ'লে ভাই
ঘৰলৈ আকৌ আহিবি
বাট চাই থাকিম মই।

**সেউজ কলিতা**
ষ্টীলা মেৰিজ স্কুল, কঁহৰা

কবিতা

## নিৰ্বাচন

**প্ৰদীপ কুমাৰ বৰ্মন**

নিৰ্বাচন বুলি কঁকালত বান্ধে টঙালি
এচাম আকৌ চকুৰ পচাৰতে হয় কঙালী।
নিৰ্বাচনী বতৰত কিছুৰে খায় মাছ-মঙহ
জিকিব নোৱৰা সবৰ বিচ্ছিন্নৰ পথত বঙহ।
ক'লা টকাৰে উঠি পৰি লাগে হ'বলৈ ৰজা
জয়ৰ পাছত নকৰে কেৰেপ ভোটদাতা প্ৰজা।
দলীয় টিকট নাপাই বিৰোধীৰ দলত যোগ
আল্লা-ঈশ্বৰে খাব নিদিয়ে চৰকাৰী ভোগ।
পাঁচ বছৰৰ মূৰে মূৰে আহে সাধাৰণ নিৰ্বাচন
বিজয় মাল্য পিন্ধি বহু টকা-সম্পত্তি আহৰণ।
সভাই-সমিতিয়ে অবান্তৰ ভাষণৰ ফুলজাৰি
কামৰ বাবে দিছপুৰ গ'লেই কৰে দিগদাৰি।
নিৰ্বাচন আহিলে পুনৰ সমষ্টিত পদাৰ্পণ
চকুলো টুকি ভোটাৰক প্ৰতিশ্ৰুতি অৰ্পণ।
ভুৱা গেৰাণ্টিৰে নিৰ্বাচন আহে আৰু যায়
অৱশেষত অসম মুলুকৰ জকাটোহে ৰয়।




আমাৰ হিন্দু ধৰ্মত যিমান উৎসৱ আছে সকলো উৎসৱৰে একোটাকৈ কাহিনী জড়িত হৈ আছে। হোলী উৎসৱৰ প্ৰধান উদ্দেশ্য হ'ল একতাৰ উৎসৱ বা পৰ্ব। য'ত পুৰুষ নাৰী, শিশু, বুঢ়া-বুঢ়ী, জাতি-বৰ্ণ-ভেদা ভেদ নাৰাখি শত্ৰুজনকো আপোন কৰি ল'ব পৰা এটা পবিত্ৰ উৎসৱ। যাৰ নাম 'হোলী'।

# ৰঙৰ উৎসৱ হোলী

**জ্যোৎস্না কলিতা**

**মৰমৰ** অকণিহঁত, তোমালোকে কাহিনী শুনি নিশ্চয় ভাল পোৱা নহয়নে? সেয়েহে মই আজি তোমালোকক এটি 'পৌৰাণিক' কাহিনী কম বুলি ভাবিছো, অৰ্থাৎ ক'ব বিচাৰিছো। তোমালোকে মন দি শুনিবা দেই।

আমাৰ হিন্দু ধৰ্মত যিমান উৎসৱ আছে সকলো উৎসৱৰে একোটাকৈ কাহিনী জড়িত হৈ আছে। হোলী উৎসৱৰ প্ৰধান উদ্দেশ্য হ'ল একতাৰ উৎসৱ বা পৰ্ব। য'ত পুৰুষ নাৰী, শিশু, বুঢ়া-বুঢ়ী, জাতি-বৰ্ণ-ভেদা ভেদ নাৰাখি শত্ৰুজনকো আপোন কৰি ল'ব পৰা এটা পবিত্ৰ উৎসৱ। যাৰ নাম 'হোলী'।

হিন্দু শাস্ত্ৰ অনুযায়ী ফাগুনৰ পূৰ্ণিমাত হোলী উৎসৱ পালন কৰা হয়। এই উৎসৱৰ লগত বহুতো পৌৰাণিক কাহিনী জড়িত হৈ আছে। হিন্দু শাস্ত্ৰ মতে ফাগুনৰ পূৰ্ণিমাৰ দিনা শ্ৰীকৃষ্ণ আৰু ৰাধাই বৃন্দাবনত হোলী খেলিছিল। ইয়াৰ উপৰি হোলীৰ আগনিশা হোলীকা দাহন উৎসৱ পতা হয়।

ভক্ত প্ৰহ্লাদৰ পিতৃ ৰাক্ষসৰ ৰজা আছিল হিৰণ্যকশিপু। হিৰণ্যকশিপু এজন অত্যাচাৰী, অহংকাৰী আৰু ভগৱান বিষ্ণুৰ বিৰোধিতা কৰিছিল। তেওঁ নিজকে ভগৱান স্বৰূপ জ্ঞান কৰিছিল। হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদ আছিল ভগৱান বিষ্ণু ভক্ত। সেয়ে অহংকাৰী হিৰণ্যকশিপুৱে নিজৰ পুত্ৰক মাৰিবলৈ বহুতো চেষ্টা কৰিও যেতিয়া মাৰিব নোৱাৰিলে তেতিয়া তেওঁ নিজৰ ভগ্নী হোলিকাৰ সহায় বিচাৰিলে কাৰণ হোলিকাৰ বৰদান আছিল যে কোনোদিনে হোলিকা জুইত পুৰি নমৰে। কিন্তু যাৰ ভগৱান বিষ্ণু সহায় আছে তেওঁক কোনে মাৰিব পাৰে। হোলিকাই ভ্ৰাতৃ আজ্ঞা পালন কৰি প্ৰহ্লাদক কোলাত লৈ জুইৰ মাজত বহিল। হিৰণ্যকশিপুৱে ভাবিছিল যিহেতু হোলিকাক কোনোৱে মাৰিব নোৱাৰে গতিকে জুইৰ মাজৰ পৰা হোলিকাই জীয়াই বাহিৰ হ'ব পাৰিব আৰু পুত্ৰ প্ৰহ্লাদৰ মৃত্যু হ'ব। কিন্তু যাৰ ভগৱান সহায় আছে তেওঁক কোনে মাৰিব পাৰে। প্ৰহ্লাদক মাৰিব নোৱাৰিলে। হোলিকাহে জুইত ছাই হৈ গ'ল। অকণিহঁত কাহিনীটো শুনি নিশ্চয় ভাল লাগিল নহয়? কিন্তু এই কাহিনীটোৰ পৰা কিবা বুজি পালানে? এই কাহিনীৰ অৰ্থ এইটোৱেই যে সদায় কাকো হিংসা কৰিব নালাগে। যি মানুহে কাৰো অন্যায় নকৰে তেওঁক ভগৱানে সদায় সহায় কৰে। গতিকে তোমালোকেও সকলো বন্ধু-বান্ধৱীৰ লগতে ওচৰ-চুবুৰীয়া, আত্মীয়-স্বজনৰ লগত মিলাপ্ৰীতিৰে থাকিবা। পিতৃ-মাতৃ, শিক্ষাগুৰুৰ লগতে জ্যেষ্ঠজনক সদায় সন্মান কৰিবা। অ'! এটা কথা ক'বলৈ পাহৰিয়েই গৈছো, বৰ্তমান সকলো দেশতে ক'ভিড-১৯ অৰ্থাৎ কৰ'না ভাইৰাছবিধে দেশখনৰ বহুতো অনিষ্ট কৰাই নহয় বহুতো মানুহ মৰিল। এতিয়াও এই বিষাক্ত ভাইৰাছবিধৰ পৰা মুক্ত হ'ব পৰা নাই। গতিকে তোমালোকে হোলী খেলোতে সাৱধানে খেলিবা। বিশ্ব স্বাস্থ্য সংস্থাই দিয়া নিয়ম-নীতিবোৰ মানি চলিবলৈ নাপাহৰিবা। বিশেষকৈ মুখত মাস্ক পৰিধান কৰিবা। আজিলৈ এৰিলো পাছত আকৌ নতুন কাহিনী শুনাম দেই...।

# বিশ্বাসৰ মূল্য



**প্ৰসিদ্ধ** ৰসায়নবিদ প্ৰফুল্ল চন্দ্ৰ ৰায়ে মাত্ৰ আঠশ টকাৰ পুঁজিৰে ১৮৯২ত 'বেংগল কেমিলেছ' নামৰ নামী ঔষধ কোম্পানীটো আৰম্ভ কৰিছিল। দেশভক্ত ৰায় স্বাধীনতা আন্দোলনৰ স'তেও জড়িত আছিল। বহুতেই ভাবিছিল যে বিভিন্ন বিদেশী ঔষধ কোম্পানীৰ সন্মুখত বেংগল কেমিকেলছে প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিব। কিন্তু প্ৰফুল্ল চন্দ্ৰ ৰায়ে সংকল্প লৈছিল যে তেওঁৰ কোম্পানীত তৈয়াৰ কৰা দৰবৰ গুণ বিদেশী কোম্পানীৰ তুলনাত অকণো কম নহ'ব। সেই সংকল্পৰেই তেওঁ বেংগল কেমিকেলছক উত্তম ঔষধ উৎপাদন কৰা কোম্পানীত পৰিণত কৰিলে।

এদিন ঔষধ প্ৰস্তুত কৰি থকা অৱস্থাত কে'বাশ বটলত ৰসায়নৰ পৰিমাণত তাৰতম্য ঘটিল। তাকে দেখি কাৰখানাত এজন কৰ্মচাৰীয়ে ক'লে, 'অতি সামান্য তাৰতম্য ঘটিছে। কোনেও একো গম নাপাব। এই ঔষধ সহজে বিক্ৰী হ'ব। ঔষধৰ গুণতো কোনো তাৰতম্য নঘটে।' তেওঁক সমৰ্থন কৰি আন এজন কৰ্মচাৰীয়ে ক'লে, 'এতিয়া বেংগল কেমিকেলছ উত্তম ঔষধ প্ৰস্তুতকৰ্তা হিচাপে জনাজাত হৈ পৰিছে। গতিকে এই ঔষধ ক্ৰয় কৰিবলৈ কোনেও আশংকা প্ৰকাশ নকৰিব।' তেওঁলোকৰ কথা শুনি প্ৰফুল্ল চন্দ্ৰ ৰায় ক্ষুণ্ণ হৈ পৰিল। তেওঁ উষ্মাৰে ক'বলৈ ধৰিলে, 'কেতিয়াও হ'ব নোৱাৰে। এনে ঔষধেৰে আমাৰ ক্ষতি হ'ব। আমাৰ কোম্পানীও কলংকিত হ'ব। সামান্য পৰিমাণৰ ধনৰ লোকচানৰ কথা চিন্তা কৰিলে আমাৰ কোম্পানীৰ ভৱিষ্যতৰ প্ৰতি প্ৰশ্নচিহ্ন লাগি পৰিব। মই গ্ৰাহকৰ স'তে বিশ্বাসঘাতকতা কৰিব নোৱাৰো। যিকোনো কোম্পানীৰ সফলতা গ্ৰাহকৰ বিশ্বাসৰ ভিত্তিতে নিৰ্ণয় হয়। মই কোম্পানীৰ প্ৰতিষ্ঠা হানি হ'বলৈ নিদিও। তাৰ বাবে বিপুল পৰিমাণৰ লোকচান ভৰিবলৈকো মই সাজু আছো।' ইয়াৰ পাছত প্ৰফুল্ল চন্দ্ৰ ৰায়ে সেই ৰসায়ন পেলাই দিয়ালে আৰু নতুনকৈ ঔষধ প্ৰস্তুত কৰিলে। তেওঁৰ তেনে কাণ্ডই কোম্পানীৰ কৰ্মচাৰীসকলকো এক বিৰাট শিক্ষা দিলে।

# হোলী, ফাকুৱা বা দৌলযাত্ৰা



**বিজিত কলিতা**

**ফাকুৱা** বা হোলী ৰঙৰ উৎসৱ। ই বিশ্বৰ হিন্দু সমাজৰ অতি আদৰ আৰু মৰমৰ উৎসৱ। বসন্ত উৎসৱৰ থিক আগে আগে এই উৎসৱৰ আগমন হয়। ফাগুন-চ'ত মাহত ফল্গু বা ফাকু ব্যৱহাৰ কৰি এই উৎসৱ পালন কৰা হয় বাবে ইয়াক ফাকুৱা বুলি জনা যায়। দ্বিতীয়তে দ্বাপৰ যুগত শ্ৰীকৃষ্ণৰ ৰাধাসহ গোপীসকলৰ লগত ফাকুৱা খেলাৰ কথাও উল্লেখ আছে। ৰাধা অতি সুন্দৰী আৰু দেহৰ ৰং উজ্জ্বল বগা আছিল। মোহমতী ৰাধাৰ তুলনাত শ্ৰীকৃষ্ণ যথেষ্ট ক'লা বা শ্যাম বৰণীয়া আছিল। সেয়ে শ্ৰীকৃষ্ণৰ আখ্যান অনুসৰি হোলী বা ফাকুৱা 'হোলিকা' শব্দৰ পৰা অহা বুলি জনা যায়। নাৰায়ণ ভক্ত প্ৰহ্লাদক সৈমান কৰিব নোৱাৰি পিতৃ হিৰণ্যকশিপুৱে ভনীয়েক হোলিকাক প্ৰহ্লাদক পুৰি মাৰিবলৈ নিৰ্দেশ দিয়ে। হোলিকাৰ বিশেষত্ব আছিল যে হোলিকাই তীব্ৰ জুইৰ মাজত সোমাই পৰিলেও তাইক জুয়ে পুৰিব নোৱাৰে। ককায়েক হিৰণ্যকশিপুৰ নিৰ্দেশ মতে হোলিকাই শিশু প্ৰহ্লাদক কোচত তুলি বিশাল অগ্নিকুণ্ডৰ মাজত প্ৰৱেশ কৰে। এই অৱস্থাত প্ৰহ্লাদে প্ৰভু নাৰায়ণক স্তুতি কৰাত নাৰায়ণে নিজৰ বিশেষ শক্তি প্ৰয়োগ কৰাত জুইৰ মাজত থকা প্ৰহ্লাদৰ একো ক্ষতি নহ'ল, কিন্তু তাৰ পৰিবৰ্তে হোলিকাকহে পুৰি ছাই কৰি পেলালে। ইয়াতে সুখী হৈ জনসাধাৰণে ইজনে সিজনক ৰং সানি হোলিকাৰ নামত হোলী বা ফাকুৱা উৎসৱ পালন কৰে। আনহাতে, শ্ৰীকৃষ্ণক ভক্তবৃন্দই দৌলত প্ৰতিষ্ঠা কৰি পূজা কৰে আৰু পূজাৰ অন্তত ৰঙৰ গুৰি বা ৰঙীণ পানী ছটিয়াই আৰু তাৰ কিছু অংশ ইজনে-সিজনৰ দেহত সানি আনন্দ কৰে। এই ৰং বা আবিৰ সানিলে দেহত বসন্ত বা আন চৰ্ম ৰোগে দেখা দিব নোৱাৰে বুলি বিশ্বাস কৰা হয়। দৌলত বহুৱাই পূজা কৰি এই উৎসৱ পালন কৰে বাবে ইয়াক দৌলযাত্ৰা বুলিও জনা যায়। দেবাদিৰ মহাদেৱে এবাৰ ভীষণ তপস্যাত বহে। মহাদেৱৰ তপস্যা ভংগ কৰিবলৈ মদনে মহাদেৱৰ দেহত কামবাণ প্ৰয়োগ কৰে। ফলত ত্ৰিনয়নৰ ভয়ংকৰ খং উঠে আৰু মদন বা কামদেৱক ভস্ম কৰি পেলায়। আখ্যান মতে এই সময়তো হোলী বা ফাকুৱা খেলা হৈছিল বুলি জনা যায়।

যিয়েই নহওক ফাকুৱা আমাৰ মৰমৰ উৎসৱ তথা ঋতু বসন্তক আদৰাৰ এক প্ৰয়াস। ফাকুৱা বা হোলী হৈছে একতা আৰু সামাজিক বান্ধোন কটকটীয়াকৈ বন্ধাৰ বাবে প্ৰচেষ্টাকৃত এক ৰঙৰ উৎসৱ।





*নীলনয়নী ডেকা, চতুৰ্থ শ্ৰেণী, গুৰুকুল গ্ৰামাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল।*



*কৰবী বৰা বৰুৱা, শংকৰদেৱ সংঘ (নগাঁও সদৰ)*



*অন্বয় ভট্টাচাৰ্য, চতুৰ্থ শ্ৰেণী, পাইঅ'নীয়াৰ একাডেমী, পুঠিমাৰী।*



*অন্বেষ ভট্টাচাৰ্য, চতুৰ্থ শ্ৰেণী, পাইঅ'নীয়াৰ একাডেমী, পুঠিমাৰী।*



*সাংস্কৃতা ভট্টাচাৰ্য, নৱম শ্ৰেণী, জনতা হাইস্কুল, ডিমু।*

# দেশে-বিদেশে ফাকুৱাৰ ৰং



বিশ্বজুৰি উদযাপিত হয় ফাকুৱা। কিয়নো ফাকুৱা উৎসৱৰ কোনো সীমনা নাই। বাংলাদেশৰ পৰা আৰম্ভ কৰি নেপাল, আমেৰিকা, পাকিস্তান, ব্ৰিটেইন, দক্ষিণ আফ্ৰিকা আদি সকলোতে ফাকুৱাৰ ৰঙেৰে ৰঙীন হয় বিশ্ববাসী।

মুছলমান প্ৰধান দেশ হ'লেও বাংলাদেশত ফাকুৱাৰ এক বৰ্ণাঢ্য উৎসৱ পালিত হয়। ভাৰততকৈ এই ৰং কম হ'লেও আনন্দ-উৎসৱ নিশ্চয় হয়। একেদৰে দক্ষিণ আমেৰিকাৰ গুয়ানা নামৰ উপকূলীয় অঞ্চলতো বৃহৎ পৰিসৰত ফাকুৱা উৎসৱ পালন কৰা হয়। স্থানীয় বাসিন্দাসকলে এই উৎসৱক কয় ফাগুৱা বুলি। চাওতাল নামৰ বিশেষ সংগীত পৰিবেশনেৰে উদ্‌যাপিত হয় আনন্দ উৎসৱ। ফাকুৱাৰ বতৰৰ এমাহ পূৰ্বেই হোলিকা নামৰ এবিধ গছৰ পুলি ৰোপণ কৰাৰ পাছত আৰম্ভ হোৱা এই উৎসৱ অন্ত পৰে এমাহৰ পাছত। সেইদিনা হোলিকা পুলিটো পুৰি ফাকুৱাৰ আনন্দত মতলীয়া হয় গুয়ানাবাসী। দেশখনৰ জনসংখ্যাৰ ৩৩ শতাংশই হিন্দু।

একেদৰে ৬৩ শতাংশ হিন্দু ধৰ্মাৱলম্বী লোকৰ বসতিপ্ৰধান মৰিচাচত বৃহৎ ৰূপত ফাকুৱা উদ্‌যাপন কৰা হয়। সেইদিনা চৰকাৰী বন্ধ ঘোষণা কৰা হয়। একেদৰে চুবুৰীয়া নেপালতো এসপ্তাহজুৰি ফাকুৱাৰ ৰঙীন পানীত বুৰ যায় নেপালবাসী। পৰিয়াল-বন্ধুবৰ্গই একেলগে ভোজ-ভাত খায় আৰু পথৰ ওপৰত আনন্দত মতলীয়া হোৱা ৰাইজে ইজনে-সিজনৰ গালৈ ৰঙীন পানীৰ বেলুন আৰু ৰং দলিয়ায়। স্থানীয় ভাষাত এই বেলুনৰ নাম লোলা। চিৰ নামেৰে বিভূষিত বাঁহৰ খুঁটা পুতি আৰম্ভ কৰে এই উৎসৱ। ইয়াৰ গোঁঠা থাকে কাপোৰৰ টুকুৰা যি সৌভাগ্য কঢ়িয়াই আনে বুলি বিশ্বাস কৰা হয়। আনহাতে, চুবুৰীয়া পাকিস্তানতো উদ্‌যাপন কৰা হয় বসন্ত উৎসৱ ফাকুৱা। দক্ষিণ আফ্ৰিকাত বসবাস কৰিবলৈ লোৱা ভাৰতীয়সকলে তাত দৌল উৎসৱ পালন কৰে। ৰঙেৰে বুৰ যায় তেওঁলোক। সন্ধিয়া বিতৰণ কৰা হয় মিঠাই আৰু শুভেচ্ছাবাণী। ভাৰতীয় মূলৰ লোকসকলে বিশ্বাস কৰে যে নিজ দেশৰ পৰম্পৰাক এনেকৈয়ে তেওঁলোকে জীয়াই ৰাখিব লাগিব। ফাকুৱাই মানুহৰ সম্পৰ্ক ওচৰ চপাই আনে বুলি কয় এনে এজন প্ৰবাসী ভাৰতীয়ই। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাত বৃহৎ সংখ্যক ভাৰতীয় লোক আছে। দেশখনৰ পূৰ্বাঞ্চলত অধিকাংশ ভাৰতীয়ই বসবাস কৰে, ইয়াৰে ৬৫ শতাংশ হিন্দু, ১৫ শতাংশ মুছলমান আৰু ২০ শতাংশ খ্ৰীষ্টিয়ান লোক। আন এখন দেশ ছুৰিনামতো উদ্‌যাপিত হয় ফাকুৱা উৎসৱ। ভাৰতৰ দৰে একে পৰম্পৰাৰে ইয়াত ফাকুৱাৰ আনন্দ লয় প্ৰবাসী ভাৰতীয়ই। ত্ৰিনিদাদ আৰু টবেগু দ্বীপপুঞ্জত ফাগ্‌ৱা নামেৰে ফাকুৱা উৎসৱ পালন কৰা হয়। ১৮৪৫ৰে পৰাই ইয়াত প্ৰব্ৰজনকাৰী ভাৰতীয়ই এই উৎসৱ পালন কৰি আহিছে। উল্লেখ্য যে দেশখনৰ কুঁহিয়াৰ খেতিত বিহাৰৰ পৰা কাম কৰিবলৈ গৈছিল বহু ভাৰতীয়ই। একেদৰে ব্ৰিটেইন আৰু আমেৰিকাতো অতি বৰ্ণাঢ্য ৰূপত উদ্‌যাপন কৰা দৌল উৎসৱ। আমেৰিকালৈ ফাকুৱা খেলিবলৈ যায় বহু বলিউদৰ অভিনেতা-অভিনেত্ৰীয়ে।

## অলপ হাঁহো আহা

এজন ভিক্ষাৰীয়ে পুতেকৰ স'তে কথা পাতি আছে।

**ভিক্ষাৰী** ঃ বোপাই, মই লোৱা লটাৰীটোৰ পৰা যদি সাত লাখ টকা পাওঁ, তেন্তে প্ৰথমে এটা ঘৰ কিনিম। তাৰ পাছত আমাৰ সকলোলৈকে নতুন কাপোৰ কিনিম আৰু...।

**পুতেক** ঃ (দেউতাকৰ কথাৰ মাজতে মাত দিলে) ইয়াৰ উপৰি দেউতা, এখন গাড়ী কিনিবা। মই খোজকাঢ়ি খোজকাঢ়ি কেতিয়াবা ভাগৰি পৰো। সেয়ে আমি গাড়ীত উঠি ভিক্ষা কৰিবলৈ যাম।

●●●

ছান্তা সিং নিৰ্বাচনত পৰাস্ত হ'ল। নিৰ্বাচনৰ ফলাফল ওলোৱাৰ পাছতে সাংবাদিকে তেওঁক প্ৰশ্ন কৰিলে—'এই পৰাজয়ৰ কাৰণ আপুনি কি বুলি ভাবে?'

**ছান্তা সিং** ঃ মই চিকাৰ হ'লো।

**সাংবাদিক** ঃ কিহৰ চিকাৰ হ'ল? দলীয় মানুহৰ প্ৰতাৰণাৰ?

**ছান্তা সিং** ঃ নহয়। শুদ্ধ ভোট গণনাৰ।

গল্প

# নীলাক্ষিৰ বঁটা

**ৰীমা ৰহমান**

**সভাখনত** চাৰিওফালৰ পৰা জাউৰিয়ে জাউৰিয়ে হাত চাপৰি আহিব ধৰিলে। পুৰস্কাৰ পোৱা ল'ৰা-ছোৱালীবোৰৰ মুখত হাঁহিয়ে হাঁহি। কোনোবা কোনোবাই বোলে ১০ টাকৈও পুৰস্কাৰ পালে। উৎকণ্ঠিত হৈ নীলাক্ষি বহি আছে। কিজানি তাইৰ নামটো কিবা কাৰণত উচ্চাৰিত হয়েই। কিন্তু নাই এতিয়ালৈকে তাইৰ নাম এবাৰো উচ্চাৰিত হোৱা নাই। তথাপি মনত এক উৎকণ্ঠা লৈ তাই ভদ্ৰভাৱে বহি থাকিলে। কিন্তু নাই এইবাৰ আকৌ সভাৰ কাৰ্যসূচীত সমবেত সংগীতহে আছে। বঁটা অনুষ্ঠানটো পিছলৈ সামৰি থোৱা হ'ল। নীলাক্ষিৰ মনতো খুদুৱনি থাকিল। বাকীসকলে পোৱা ধুনীয়া ধুনীয়া সাধুকথা, কলম, কাঠ-পেঞ্চিল আৰু ফুলৰ থোপাবোৰ দেখি নীলাক্ষিৰ বাৰে বাৰে চকু পুৰস্কাৰৰ ফালেহে গৈ থাকিল।

বঁটা বিতৰণী সভাখন খুব সুন্দৰভাৱে চলি আছে। মধুপুৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়খনত আজি উখল-মাখল পৰিৱেশ। সকলো ল'ৰা-ছোৱালীৰ মুখত আনন্দই বিৰাজ কৰিছে। ১০ দিনমান আগৰ পৰাই সিহঁতে ৰিহাৰ্চেল কৰি আছে। গান, নাটক, নৃত্য আদিৰে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ প্ৰতিভা প্ৰদৰ্শিত কৰিব আজি। গান, নাচ খেলা-ধূলাত মধুপুৰ প্ৰাথমিক বিদ্যালয়ৰ এক বিশেষ নাম আগৰ পৰাই আছে। এসপ্তাহ ধৰি চলা বাৰ্ষিক খেলত পোৱা পুৰস্কাৰসমূহো আজি বিতৰণ কৰা হ'ব। ৰাতিপুৱা ন বজাতে পতাকা উত্তোলন কৰা হৈ গ'ল। তাৰ পাছত ক্ৰমানুসৰি আনবোৰ অনুষ্ঠান এটাৰ পাছত এটা চলি আছে। বিদ্যালয়ৰ প্ৰায় ল'ৰা-ছোৱালীয়েই কিবা নহয় কিবাত পুৰস্কাৰ পাবলৈ সক্ষম হৈছে। কোনোবাই যদি খেলত আকৌ কোনোবাই গানত, অইন কোনোবাই আকৌ চিত্ৰাংকনত। মুঠতে কোনোৱেও পিছ পৰি ৰোৱা নাই। কিন্তু পুৰস্কাৰ পোৱা নাই কেৱল নীলাক্ষিয়েহে। তাকে লৈ নীলাক্ষিৰ মনটো অলপ বেজাৰ।

আচলতে কেইদিনমান ধৰি জ্বৰ হৈ থাকিব লগা হোৱাত নীলাক্ষিয়ে এইবাৰ কোনো খেলতে অংশগ্ৰহণ কৰিব নোৱাৰিলে। গানৰ প্ৰতিযোগিতাৰ দিনা আকৌ তাইৰ কাহ হৈ মাত ভাঙি থকা বাবে তাতো অংশগ্ৰহণ কৰিব নোৱাৰিলে। তাকে লৈ নীলাক্ষিৰ মনত বেজাৰ। তাই মন মাৰি থকাঁতে মাকে তাইক সুধিছিল মাজনী তোমাৰ কি হৈছে? মনটো বেজাৰ কৰি আছা? মাকক কথাটো তাই কৈছিল। যে তাইৰ এইবাৰ বঁটা বিতৰণী সভালৈ যাবলৈ অলপো মন নাই। সকলোৱে পুৰস্কাৰ পালে। তাইহে একো এটা নাপালে। তাইৰ সৰু ভায়েক নিহাৰেও বহুকেইটা পুৰস্কাৰ পাবলৈ সক্ষম হৈছে। মনত বেজাৰ হৈ থকা কথাখিনি নীলাক্ষিয়ে মাকৰ আগত অৱগত কৰিলে। মাকে তাইক মৰম কৰি আলফুলকৈ কথাটো ধুনীয়াকৈ বুজাই দিলে। চোৱা মাজনী এনেকৈ এইবোৰ কথাত মন বেয়া কৰিব নাপায়! বঁটা, পুৰস্কাৰ এইবোৰ নাপালা বুলি তুমি মন বেয়া কৰিব নালাগে নহয়। বঁটা বাহন সদায় যে পাই থাকিবই লাগিব এনেকুৱা কোনো কথা নাই মাজনী। তুমি জীৱনত সৎভাৱে কৰ্ম কৰি কিমান মানুহৰ অন্তৰত ঠাই ল'ব পৰা সেইটোহে ডাঙৰ কথা। জীৱনত ভাল মানুহ হ'ব লাগিব। ভাল কাম কৰিব লাগিব। ভাল চিন্তা কৰিব লাগিব। আৰু কেতিয়াও কাৰোৰে প্ৰতি অহিত চিন্তা কৰিব নালাগিব। কাকো হিংসা কৰিব নালাগিব। তেতিয়াহে জীৱনত আগবাঢ়িব পাৰিব। ভাল মানুহ হ'ব পাৰিবা। তুমি বঁটা বাহন পোৱা কথা এদিন সকলোৱে পাহৰি যাব পাৰে। কিন্তু এজন ভাল সৎ মানুহ হ'লে তোমাক সকলোৱে মনত ৰাখিব। তোমাৰ আদৰ্শনীয় কামক সকলোৱে শ্ৰদ্ধা কৰিব। প্ৰথমে আমি ভাল মানুহ হ'বলৈহে যত্ন কৰা উচিত মাজনী। মাকৰ কথাখিনি নীলাক্ষিয়ে ধুনীয়াকৈ বুজি পালে। তাই বঁটা বিতৰণী অনুষ্ঠানলৈ গ'ল। আবেলি সিহঁতৰ ওচৰ চুবুৰীয়া সকলোৱে অভিভাৱকসকলৰ দৰে নীলাক্ষিৰ মাক-দেউতাকো বঁটা বিতৰণী অনুষ্ঠানলৈ গ'ল। অনুষ্ঠানত মুখ্য অতিথিয়ে সুন্দৰভাৱে ল'ৰা-ছোৱালীক উদ্দেশ্যি ভাষণ আগবঢ়াই আছিল। সন্মুখৰ আসনত নীলাক্ষিয়েও একাণপতীয়াকৈ ভাষণ শুনাত মগ্ন হৈ পৰিল। মুখ্য অতিথি মহোদয়ে এইবাৰ সকলোকে উদ্দেশি সুধিলে ভাল ল'ৰা-ছোৱালী হ'বলৈ হ'লে তোমালোকে কি কি কৰিব লাগিব? সকলোৱে দুই এষাৰ ক'বলৈ চেষ্টা কৰিলে যদিও কাৰো উত্তৰ সঠিক নহ'ল।

শেষত নীলাক্ষি উঠি মুখ্য অতিথি মহোদয়ক নমস্কাৰ জনাই ভাল ল'ৰা-ছোৱালী হ'বলৈ কি কৰিব লাগে সুন্দৰভাৱে বুজাই ক'লে। ৰাতিপুৱা মাকে কোৱা কথাখিনিয়ে তাইক এই ক্ষেত্ৰত কাম দিলে। নীলাক্ষিৰ সুন্দৰ কথাখিনি শুনি সকলোৱে তবধ মানিলে। মুখ্য অতিথি মহোদয়ে নীলাক্ষিক ওচৰলৈ মাতি নি আশীৰ্বাদেৰে উপচাই পেলালে আৰু ভূয়সী প্ৰশংসা কৰিলে। নীলাক্ষিৰ মাক-দেউতাককো প্ৰশংসা কৰিলে। শিক্ষক-শিক্ষয়িত্ৰীসকলৰো বৰ ভাল লাগিল। মুখ্য অতিথি মহোদয়ে নীলাক্ষিলৈ এথোপা ফুল আৰু এটা কলম আগবঢ়ালে। পুৰস্কাৰ পাই নীলাক্ষিৰ মুখত হাঁহি বিৰিঙি উঠিল আৰু জীৱনত তাই ভাল মানুহ হোৱাৰ সংকল্প ল'লে।



*ফোন ঃ ৮৬৩৮৬২৩০১০*

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ২৫ মাৰ্চ, ২০২১ বৃহস্পতিবাৰ পৃষ্ঠা ১৪

# বিজেপিয়ে মিছা কথাৰেই জনতাক আকাশৰ চন্দ্ৰও হাতত তুলি দিয়ে

*এক পৃষ্ঠাৰপৰা* সাধাৰণ সম্পাদক তথা অসম প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিঙে।

**দৈনিক অগ্ৰদূত ঃ** ২০২১ৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ অসমৰ ভাৰপ্ৰাপ্তৰূপে দায়িত্বভাৰ গ্ৰহণ কৰি প্ৰায় চাৰিমাহ পূৰ্বে অসমলৈ আহি কংগ্ৰেছ দলক আপুনি কি ৰূপত প্ৰত্যক্ষ কৰিছিল। সেই সময়ত বহুধা বিভক্ত কংগ্ৰেছ আৰু এতিয়া নিৰ্বাচনমুখী অসম কংগ্ৰেছক কিদৰে ব্যাখ্যা কৰিব। কি পৰিৱৰ্তন ঘটিছে।

**জিতেন্দ্ৰ সিং ঃ** কংগ্ৰেছ দলৰ বিষয়ে ক'বলৈ গ'লে সেয়া চাৰিমাহ, চাৰি বছৰ, ৪০ বছৰে নহওক কিয়, অসমৰ মানুহৰ কংগ্ৰেছ দলৰ প্ৰতি অগাধ বিশ্বাস, মৰম আৰু ভাল পোৱা আছে। কিয়নো কংগ্ৰেছে অসমক এনে এটা অৱস্থাত উপনীত কৰাইছে যাৰ বাবে অসমে কেৱল দেশৰ ভিতৰতে নহয়, আন্তৰ্জাতিক স্তৰতো স্বীকৃতি লাভ কৰিছে। কংগ্ৰেছৰ বাবে অসম শান্তি-প্ৰগতিৰ পথত আগবাঢ়িছিল। মোৰ মনত আছে কিদৰে অসম সমস্যাজৰ্জৰ আৰু অগ্নিগৰ্ভা আছিল। প্ৰধানমন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধীয়ে অসমৰ বাবে তেওঁৰ চৰকাৰ বলিদান দিছিল আৰু অসম চুক্তিত স্বাক্ষৰ কৰি ৰাজ্যখনত শান্তি-সম্প্ৰতি স্থাপন কৰিছিল। মই আন এজন পৰিৱৰ্তনকামী মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াৰ নাম ল'ব লাগিব। তেওঁ অসমত শান্তি আৰু উন্নয়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল আৰু ইয়াক আগুৱাই লৈ গৈছিল প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে। সেয়েহে কংগ্ৰেছ দলৰ প্ৰতি অসমৰ মানুহৰ মৰম আৰু সন্মান আছে।

বিগত চাৰিমাহত মই দেখিছো কিদৰে কংগ্ৰেছৰ ভিতৰত প্ৰচুৰ শক্তি আৰু প্ৰৱল উৎসাহ আছে। কংগ্ৰেছ নেতৃত্বই ৰাজ্যত অতিকৈ কঠোৰ শ্ৰম কৰিছে। অসম বচাওঁ অভিযানৰ জৰিয়তে ৰাজ্যত ৩০ হেজাৰ পথ অতিক্ৰম কৰি জনসংযোগ স্থাপন কৰা হৈছে। কংগ্ৰেছ দলৰ সৰ্ববৃহৎ শক্তি হৈছে ইয়াৰ তৃণমূল পৰ্যায়ৰ কৰ্মীসকল, সেয়া বুথ অথবা মণ্ডল পৰ্যায়ৰ কৰ্মী যিয়েই নহওক কিয়। সৰ্বোপৰি কংগ্ৰেছ দলৰ সৰ্ববৃহৎ শক্তি হৈছে অসমৰ ৰাইজ।

অসম বচাওঁ অভিযানৰ জৰিয়তে আমি ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিলৈ গৈছো। অসমবাসীৰ মৰমৰ বাবেই আজি আমি এই স্থানত উপনীত হৈছো। এই যাত্ৰাকালত আমি প্ৰত্যক্ষ কৰিছিলো যে ৰাজ্যখনত সৰ্ববৃহৎ সমস্যা হৈছে নিবনুৱা সমস্যা। একে সময়তে মূল্যবৃদ্ধিয়েও আন এক বৃহৎ ইছ্যু। অৱশ্যে আমি এই ক্ষেত্ৰত চাহ শ্ৰমিকৰ মজুৰি কথাও ক'ব লাগিব। দেশৰ ভিতৰতে অসমৰ চাহ শ্ৰমিকে ন্যূনতম মজুৰি লাভ কৰে। যাৰ বাবে আমি নিৰ্বাচনী ইস্তাহাৰত পাঁচটা গেৰাণ্টীৰ কথা কৈছো।

**দৈনিক অগ্ৰদূত ঃ** এই পাঁচটা গেৰাণ্টী কি? আৰু কিমান বাস্তৱসন্মত।

**জিতেন্দ্ৰ সিং ঃ** মই আপোনাক পাঁচটা গেৰাণ্টী ব্যাখ্যা কৰিব বিচাৰিছো। ইয়াৰ ভিতৰত আছে চাহ শ্ৰমিকলৈ ৩৬৫ টকা দৈনিক মজুৰি প্ৰদান। তদুপৰি আছে পাঁচ লাখ চৰকাৰী চাকৰিৰ গেৰাণ্টী। তদুপৰি বেচৰকাৰী খণ্ডত ২৫ লাখ চাকৰিৰ গেৰাণ্টী দিছো। আমি ইচ্ছা কৰিলে বৃহৎ সংখ্যাৰ আশ্বাস দিব পাৰিলোহেঁতেন। যিদৰে প্ৰধানমন্ত্ৰী মোদীয়ে দুই কোটি চাকৰি দিম বুলি কৈছে। কিন্তু আমি সিমানখিনি গেৰাণ্টী দিছো যিখিনি বাস্তৱ সন্মতভাৱে ৰূপায়ণ কৰা হ'ব। তদুপৰি আমি গৃহিণীসকলক মাহিলি দুহেজাৰ টকাকৈ দিম বুলি গেৰাণ্টী দিছো। এয়া কোনো ধৰণৰ পেঞ্চন নহয়। এগৰাকী মহিলা হিচাপে আপুনি নিশ্চয় এই কথা অনুধাৱন কৰিব যে খুব কমেহে গৃহিণীৰ ফৰ্ম শ্ৰমৰ স্বীকৃতি দিয়া হয়। এগৰাকী গৃহিণীয়ে তেওঁৰ স্বামী, পৰিয়ালৰ চোৱাচিতাৰ উপৰি বিভিন্ন কাম কৰি এখন ঘৰ সুকলমে পৰিচালনা কৰে যদিও তেওঁক স্বীকৃতি দিয়া নহয়। সেয়েহে আমি প্ৰথমবাৰৰ বাবে এগৰাকী গৃহিণীৰ মৰ্যাদা আৰু শ্ৰমৰ স্বীকৃতি দিম। আমি দুশ ইউনিটলৈ বিনামূলীয়া বিজুলীৰ গেৰাণ্টী দিছো যাৰ দ্বাৰা এটা পৰিয়ালৰ বাজেট মিলাবলৈ সহায়ক হ'ব। ইয়াৰ উপৰি 'কা' বাতিলৰ গেৰাণ্টী আছে। অসমত আমাৰ চৰকাৰ আহিলে 'কা' কেতিয়াও নহ'ব। এই গেৰাণ্টীসমূহ আমি উপৰুৱাকৈ দিয়া নাই, ইয়াৰ বাবে যথেষ্ট পৰিমাণে ক্ষেত্ৰ ভিত্তিক অধ্যয়ন কৰা হৈছে। বহু 'হোমৱৰ্ক' কৰিছো আমি। প্ৰত্যেকটো গেৰাণ্টী বিত্তীয় আৰু বাজেটৰ ক্ষেত্ৰত পাণ্ডিত্য অৰ্জন কৰা বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰা হৈছে। ৰাজ্যৰ ভিতৰতো আৰু বাহিৰতো বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰাইহে আমি গেৰাণ্টী দিছো, গতিকে এয়া যোল্লঅনাই বাস্তৱ সন্মত। প্ৰথমবাৰৰ বাবে ৰাজ্যত নিয়োগ সৃষ্টিৰ বাবে মন্ত্ৰণালয় স্থাপনৰ কথা আমি কৈছো। এয়া দেশত পূৰ্বতে হোৱা নাই, একমাত্ৰ অসমৰ যুৱকসকলৰ বাবে এনে এক মন্ত্ৰণালয় দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে স্থাপন কৰা হ'ব। এইসমূহ গেৰাণ্টী পূৰণৰ ক্ষেত্ৰত যি বিত্তীয় ব্যৱস্থাপনাৰ প্ৰয়োজন হ'ব সেয়া আমি স্থিৰ কৰিছো।

**দৈনিক অগ্ৰদূত ঃ** আপোনালোকে 'কা' বাতিলৰ কথা কৈছে। কালি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই দলীয় ইস্তাহাৰ মুকলি কৰি কৈছে যে কেন্দ্ৰত গৃহীত আইন ৰাজ্য চৰকাৰে নস্যাৎ কৰিব নোৱাৰে। তেওঁ কংগ্ৰেছ দলৰ অজ্ঞানতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে। আপুনি কি ক'ব?

**জিতেন্দ্ৰ সিং ঃ** সঁচা কথা ক'বলৈ গ'লে নড্ডাৰ বুদ্ধিমত্তাৰ ওপৰত মোৰ সন্দেহ আছে। তেওঁ কৈছে যে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় আইনখন নস্যাৎ কৰিব নোৱাৰে। তেওঁ যোৱা পহিলা জানুৱাৰীত বৰাক উপত্যকাত এক ভাষণত কৈছিল যে তেওঁৰ দলে অসমৰ ছয় জনগোষ্ঠীক সংৰক্ষণৰ মৰ্যাদা প্ৰদান কৰিছে। অথচ এয়া আজি পৰ্যন্ত হোৱা নাই যদিও তেওঁ তেতিয়াই হোৱা বুলি কৈছিল। এই প্ৰশ্নৰ উত্তৰ মই দুটা ভাগত দিব বিচাৰিছো। কিছুদিন পূৰ্বে অমিত শ্বাহে পশ্চিমবংগত সংবাদ মাধ্যমক কৈছিল যে বিজেপিয়ে চৰকাৰ গঠন কৰিলে প্ৰথমখন কেবিনেট বৈঠকতে 'কা' বলৱৎ কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত ল'ব। যদি বংগত ৰাজ্য চৰকাৰে কা সন্দৰ্ভত সিদ্ধান্ত ল'ব পাৰে তেন্তে অসমত নিজ সিদ্ধান্ত ল'বলৈ চৰকাৰ সমৰ্থন নহয় নেকি? তেওঁলোকে এই প্ৰশ্নৰ উত্তৰ দিয়ক? অসম চৰকাৰে কিয় নোৱাৰে।

আপুনি নিশ্চয় অৱগত যে বিজেপিয়ে তিনিখন কৃষক বিৰোধী আইন গ্ৰহণ কৰিছে। অলপতে ৰাজস্থান, চত্তিছগড়, ঝাৰখণ্ড, পঞ্জাৱ, কেৰালা আৰু কে'বাখনো ৰাজ্যৰ বিধানসভাত সিদ্ধান্ত লৈছে যে এই ক'লা আইন বলৱৎ কৰা নহ'ব। একেদৰেই অসমত কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটৰ চৰকাৰ গঠন হ'লে কা ৰূপায়ণ নকৰাৰ আইন গৃহীত কৰা হ'ব। ৰাজ্যৰ বিধানসভাৰ প্ৰথম অধিবেশনৰ প্ৰথম দিনাই কেন্দ্ৰৰ স্থিতি বিৰোধিতা কৰি আইন প্ৰণয়ন কৰিব। বিজেপিয়ে প্ৰণয়ন কৰা কা নস্যাৎ কৰা হ'ব। অসমৰ মানুহৰ আৱেগ-অনুভূতি ৰাজ্য চৰকাৰে সন্মান কৰিব লাগিব। অসমৰ মানুহে বিচৰা নাই যেতিয়া কা নহ'ব। বিজেপিয়ে অসমৰ মানুহক খাতিৰ নকৰে। অসমৰ মানুহে কা নিবিচাৰে। ইয়াৰ পাছতো তেওঁলোকে কিয় এই আইনখন অসমৰ ৰাইজৰ ডিঙিত ওলোমাবলৈ বিচাৰিছে? বলপূৰ্বক কিয় কা আনিব বিচাৰিছে? একেদৰে কৃষি আইন কৃষকে বিচৰা নাই যদিও একমাত্ৰ আদানী, আম্বানীৰ দৰে চাৰি-পাঁচটা কোম্পানীৰ বাবে আইন গ্ৰহণ কৰা হৈছে। এইদৰে বিজেপিয়ে চৰকাৰ চলায়। তেওঁলোকৰ তিনি-চাৰিজন বন্ধুক সহায় কৰাই একমাত্ৰ উদ্দেশ্যে।

**দৈনিক অগ্ৰদূত ঃ** নাগৰিকত্ব সংশোধনী আইন (কা)ৰ প্ৰভাৱ দৰাচলতে নিৰ্বাচনৰ ওপৰত পৰে বুলি আপুনি ভাবেনে? কিয়নো কা গৃহীত হোৱাৰ সময়ছোৱাত ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ চলি থকাকালীন বিজেপিয়ে কমেও দুটাকৈ নিৰ্বাচনত ৰাজ্যত অনায়াসে জয়যুক্ত হৈছে। কাৰ প্ৰৱল প্ৰতিবাদৰ সময়তো ৰাইজে ভোট দিছে।

**জিতেন্দ্ৰ সিং ঃ** এয়া কেৱল নিৰ্বাচন তথা ভোটৰ কথা নহয়। কংগ্ৰেছ দলে কিয় কাৰ বিৰোধিতা কৰিছে সেয়া মই ক'ব বিচাৰিছো। অসমৰ ঐতিহ্য, সংস্কৃতি, পৰিচয় বিনাশ কৰাৰ এপাত সঁজুলি হৈছে কা। বিজেপিয়ে অসমৰ মানুহৰ আৱেগক সম্পূৰ্ণৰূপে হত্যা কৰিবলৈ কা ব্যৱহাৰ কৰিছে। তেওঁলোকৰ মতাদৰ্শ অসমত আৰোপ কৰাৰ চেষ্টাৰে কা আনিছে। অসমৰ পৰিচয়, ঐতিহ্য, ভাষা আৰু ইতিহাস সুৰক্ষিত কৰিবলৈ কংগ্ৰেছে তাৰ বিৰোধিতা কৰে, ভোটৰ বাবে নহয়। আমি সংসদত সজোৰে কাৰ বিৰোধিতা কৰিছো আৰু তৃণমূলতো বিৰোধিতা কৰিছো। ৰাহুল গান্ধীও অসমলৈ আহি কা বিৰোধিতা কৰিছে।

**দৈনিক অগ্ৰদূত ঃ** ইস্তাহাৰ মুকলি কৰি কংগ্ৰেছে পাঁচ গেৰাণ্টীৰ লগতে অসমৰ ভাষা, সংস্কৃতি, ঐতিহ্য, পৰিচয়, ইতিহাস ৰক্ষাৰ পণৰ কথা কৈছে। বিজেপি দলেও কৈছে অসমৰ ভাষা-সংস্কৃতি, পৰিচয় ৰক্ষাৰ সংকল্পৰ কথা। একেসুৰীয়া দুইপক্ষৰ মাজত ৰাইজে কাৰ কথা বিশ্বাস কৰিব আৰু কিয় কৰিব। আপুনি কি কিয়?

**জিতেন্দ্ৰ সিং ঃ** অসমৰ মানুহে এইসমূহ প্ৰশ্নৰ উত্তৰ নিৰ্বাচনত দিব। বিজেপিয়ে যিসমূহ দাবী কৰিছে এই পৰিপ্ৰেক্ষিতত ক'ব বিচাৰো যে পাঁচ বছৰ ক্ষমতাত থকা বিজেপি দলে তেওঁলোকৰ এটাও প্ৰতিশ্ৰুতি পূৰণ কৰিব পাৰিলেনে? এটাও নোৱাৰিলে। তেওঁলোকে চাহ শ্ৰমিকক ৩৫১ টকা দৈনিক মজুৰি দিম বুলি কৈছিল, কিন্তু সেয়া ৰূপায়ণ কৰিব নোৱাৰিলে। তেওঁলোকে ৫০টকা মজুৰি পূৰ্বতকৈ এহাতে বৃদ্ধি কৰিলে আৰু আনহাতে চাহ উদ্যোগত থকা তেওঁলোকৰ বন্ধুসকলক ইয়াৰ বিৰুদ্ধে আদালতৰ ওচৰলৈ গৈ বিষয়টোৰ ৰূপায়ণ বন্ধ কৰিবলৈ পৰামৰ্শ দিলে। মুখ্যমন্ত্ৰী, ছুপাৰ চি এম, কে'বাজনো মন্ত্ৰীৰ চাহ বাগিচা আছে। সেই কাৰণে তেওঁলোকে নিজে মজুৰি বৃদ্ধিৰ বিষয়টো বন্ধ কৰিব বিচাৰিছে। কোনো প্ৰতিশ্ৰুতি ৰূপায়ণ কৰাৰ বাবে কেতিয়াও তেওঁলোকৰ উদ্দেশ্য নাছিল। তেওঁলোকে আকাশৰ চন্দ্ৰ হাতত তুলি দিয়াৰ প্ৰতিশ্ৰুতিও দিব পাৰে। কিন্তু ৰূপায়ণ একো নকৰে। আজি পৰ্যন্ত এটামান মেগা প্ৰকল্প বিজেপিয়ে নিজাববীয়াকৈ ল'ব পাৰিলেনে? নাই পৰা। আমি কৰা বিলাকৰ ওপৰতে তেওঁলোকে বাঃ বাঃ লৈছে। ইয়াৰ পৰিৱৰ্তে কংগ্ৰেছ দলৰ ৰেকৰ্ড আপুনি পৰীক্ষা কৰিব পাৰে। আমাৰ পাঁচটা গেৰাণ্টীৰ ক্ষেত্ৰতে ক'ব বিচাৰো যে কংগ্ৰেছে যি প্ৰতিশ্ৰুতি দিয়ে সেয়া পূৰণ কৰে। কংগ্ৰেছ দলে বিজেপিতকৈ কম প্ৰতিশ্ৰুতি দিব পাৰে কিয়নো নিশ্চিতভাৱে ৰূপায়ণ কৰে। ৰাজস্থান, মধ্যপ্ৰদেশ আৰু চত্তিছগড়ত আমি কৃষি ঋণ মকুবৰ প্ৰতিশ্ৰুতি দিছিলো। চৰকাৰ গঠনৰ কিছু ঘণ্টাৰ ভিতৰতে আমি এই প্ৰতিশ্ৰুতি পালন কৰিছিলো। সেয়েহে অসমতো আমি দৃঢ়তাৰে ক'ব পাৰো যে প্ৰতিটো গেৰাণ্টী ৰূপায়ণ কৰা হ'ব। যাৰ বাবে প্ৰতিটো গেৰাণ্টী প্ৰদানৰ পূৰ্বে আমি সম্পূৰ্ণৰূপে পৰীক্ষা-নিৰীক্ষা কৰিছো। আমি যি অংগীকাৰ দিওঁ, সেয়া পূৰণ কৰো।

**দৈনিক অগ্ৰদূত ঃ** নিয়োগ সৃষ্টিৰ বিষয়টোৰে অসমৰ তৰুণ প্ৰজন্মক আকৰ্ষিত কৰিব বুলি কংগ্ৰেছে আশা কৰিছে। ইয়াৰ বাহিৰে আন এনে কি কাৰক আছে যাৰ বাবে তৰুণসকলে কংগ্ৰেছক সমৰ্থন কৰিব। কিয়নো দেখা গৈছে যে তৰুণ প্ৰজন্মক আকৰ্ষণ কৰিব পৰাকৈ ডিজিটেল মাধ্যমেৰে বিজেপি বহুদূৰ আগুৱাই গৈছে।

**জিতেন্দ্ৰ সিং ঃ** বিজেপিক কোনেও বিশ্বাস নকৰে। তেওঁলোক মিছা কথাৰ ভঁৰাল। বিগত পাঁচ বছৰত তেওঁলোকে প্ৰদৰ্শন কৰিবলৈ সক্ষম নহ'ল। সেয়েহে মানুহৰ আস্থা ভংগ হৈছে। কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজ্য চৰকাৰ কোনো এখনে পাৰদৰ্শিতা দেখুৱাব নোৱাৰিলে। মূল্যবৃদ্ধি কিমান আকাশলংঘী হৈছে চাওক। প্ৰতিবাৰে এজন যুৱকে যেতিয়া মটৰ চাইকেলত তেল ভৰাবলৈ যায় তেতিয়া দেখে যে বিশ্বজুৰি তেলৰ দাম কমাৰ সময়ত ইয়াত তেলৰ দাম বাঢ়ি আছে। তদুপৰি বিজেপিয়ে ২৫ লাখ চাকৰিৰ প্ৰতিশ্ৰুতি দিছিল। মোৰ বোধেৰে ৫০ হেজাৰ চাকৰি দিবলৈও সক্ষম নহ'ল, এই মুহূৰ্তত সঠিক পৰিসংখ্যা মোৰ মনলৈ অহা নাই। সেয়েহে যুৱসকলৰ মনত বিজেপিৰ প্ৰতি আস্থা ভংগ হৈছে। আমি যুৱপ্ৰজন্মৰ উন্নয়নৰ কথা গুৰুত্ব সহকাৰে অনুধাৱন কৰিছো। মই অতি সুখী যে অসমৰ যুৱচাম ষ্টাৰ্টআপ, উৎপাদনশীলতাৰ প্ৰতি আগ্ৰহী। সেয়েহে আমি তেওঁলোকৰ এই আশংকাসমূহ আমাৰ দলীয় ইস্তাহাৰত সন্নিবিষ্ট কৰিছো। ভৌগোলিকভাৱে চাবলৈ গ'লে অসম দেশৰ এটা কোণত অৱস্থিত আৰু প্ৰায় প্ৰতিটো সামগ্ৰীয়ে বাহিৰৰ পৰা আমদানি কৰিব লাগে। অসম যাতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে উৎপাদনৰ ভাণ্ডাৰ হয় তাৰ প্ৰতি আমি সচেতন। এই কথাসমূহ আমাৰ ইস্তাহাৰত আছে।

**দৈনিক অগ্ৰদূত ঃ** প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত আপুনি কিমানখন আসনত কংগ্ৰেছ দল জয়ী হ'ব বুলি আশা কৰিছে।

**জিতেন্দ্ৰ সিং ঃ** মই আটাইকেইটা পৰ্যায়ৰ প্ৰতি লক্ষ্য ৰাখি ক'ব বিচাৰো যে কংগ্ৰেছ মহাজোঁটে ১০১+ আসন লাভ কৰিব।

**দৈনিক অগ্ৰদূত ঃ** আপুনি উল্লেখ কৰিছে যে প্ৰতিটো গেৰাণ্টী বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষিত। কিদৰে এইসমূহ বাস্তৱায়িত কৰিব বুলি ভাবিছে।

**জিতেন্দ্ৰ সিং ঃ** ইতিমধ্যে কিদৰে কাৰ বিৰুদ্ধে কংগ্ৰেছ মিত্ৰজোঁট চৰকাৰে স্থিতি গ্ৰহণ কৰিব এই কথা মই কৈছো। ইয়াৰ বিৰুদ্ধে ৰাজ্যত আইন প্ৰণয়ন কৰা হ'ব। চাহ শ্ৰমিকক ৩৬৫ টকা মজুৰিৰ বাবে আমি চাহ কোম্পানী অথবা চাহ বাগিচাসমূহক ক্ষতিৰ সন্মুখীন হ'বলৈ নিদিওঁ। কিয়নো তেওঁলোকৰ বিত্তীয় স্বাস্থ্য ভাল নহয়। আমি চাহ কোম্পানীসমূহৰ বিকাশৰ বাবে সহায় কৰিম। ৰাজ্য চৰকাৰৰ স'তে থকা বাগিচাসমূহক ৰাজ সাহায্য প্ৰদান কৰিম। তদুপৰি চাহৰ ব্যৱসায়ত থকা মধ্যভোগীসকলক সম্পূৰ্ণৰূপে নোহোৱা কৰাৰ প্ৰয়োজন আছে। এনে ব্যৱস্থাৱলীৰ জৰিয়তে মজুৰি প্ৰদান সম্ভৱ হ'ব। কেৰালাই যদি চাহ শ্ৰমিকক ৩৮০ টকা দৈনিক মজুৰি দিব পাৰে তেন্তে অসমে কিয় ৩৬৫ টকা দিব নোৱাৰিব। ইপিনে, বিদ্যুতৰ দুশ ইউনিট বিনামূলীয়া যোগানৰ গেৰাণ্টীৰ ক্ষেত্ৰত মই ক'ব বিচাৰো, আমাৰ অধ্যয়নত এই কথা পোহৰলৈ আহিছে যে অসমত বিদ্যুৎ পৰিষদ আৰু কোম্পানীসমূহ দুৰ্নীতিৰ ভাণ্ডাৰ। এই ক্ষেত্ৰত সংস্কাৰ আৰু নিয়ন্ত্ৰণৰ জৰিয়তে আমি লক্ষ্যত উপনীত হ'ব পাৰিম। চত্তিছগড়, মধ্যপ্ৰদেশ আৰু ৰাজস্থানৰ দৰে ইয়াতো অনায়াসে বিনামূলীয়া বিদ্যুৎ যোগান সম্ভৱ হ'ব। পঞ্জাৱতো আমি সংস্কাৰৰ জৰিয়তে এনে বিষয় বাস্তৱায়িত কৰিছো। গৃহিণীসকলৰ বাবে দুহেজাৰ টকা গায়পতি প্ৰদান একে সময়তে সম্ভৱপৰ। চাকৰিৰ ক্ষেত্ৰত ক'বলৈ গ'লে আমি অসমত দেখিছো যে চৰকাৰী ক্ষেত্ৰত ৭০ হেজাৰতকৈ অধিক খালী পদ এতিয়াও পূৰণ হোৱা নাই। প্ৰথমতে আমি এই খালী পদসমূহ পূৰণ কৰিম। বহু ক্ষেত্ৰত মই দেখিছো যে যিবোৰ কৰ্তব্য আৰক্ষীয়ে সম্পন্ন কৰিব পাৰে সেয়া চি আৰ পিয়ে কৰি আছে। সেয়েহে আৰক্ষী বাহিনী, আইন-শৃংখলা ৰক্ষাৰ বাবে চাৰি-পাঁচটা আই আৰ বেটেলিয়নৰ নিযুক্তিৰ প্ৰয়োজন আছে তথা কেন্দ্ৰীয় বাহিনী এনে স্থলত ওভতাই পঠিয়াব পৰা যায় বা ইয়াৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'ব পৰা যাব। এনে হ'লে স্থানীয় নিযুক্তি সম্ভৱ হ'ব। অসমৰ স্বাস্থ্য ক্ষেত্ৰত বৃহৎ পৰিমাণৰ ঘাটি আছে। বিশ্ব স্বাস্থ্য সংস্থাৰ স্বাস্থ্য সেৱা সম্পৰ্কীয় বিধিৰ তুলনাত অসম বহু পিছ পৰি আছে। এই ক্ষেত্ৰটো খালী পদ পূৰণ নোহোৱাকৈ আছে। একে সময়তে খালী পদ পূৰণ কৰাৰ লগতে নতুন পদৰ সৃষ্টি কৰিব লাগিব স্বাস্থ্য খণ্ডত। আন ৰাজ্যৰ স'তে তুলনা কৰিলে অসমত প্ৰশাসন যন্ত্ৰই মানৱ সম্পদৰ অভাৱতো প্ৰয়োজনীয় ধৰণে পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পৰা নাই। এই ক্ষেত্ৰটো পদৰ সৃষ্টি কৰিব লাগিব। একে সময়তে আমি অসমক উৎপাদন আৰু ষ্টাৰ্টআপৰ ভাণ্ডাৰৰূপে গঢ় দিবলৈ লক্ষ্য স্থিৰ কৰিছো যাতে যুৱ প্ৰজন্ম জড়িত হ'ব পাৰে। অসমৰ যুৱক-যুৱতীসকলে সুন্দৰ ইংৰাজী ক'ব পাৰে। গতিকে তেওঁলোকে উচ্চহাৰত ঘৰ ভাড়া দি গুৰগাঁৱৰ দৰে ঠাইত থকাৰ কি প্ৰয়োজন আছে যদিহে অসমতে বিপিঅ' স্থাপন কৰিব পাৰি। বিজেপিয়ে ক্ষমতালৈ আহি মাফিয়া, আণ্ডাৰগ্ৰাউণ্ড, ছিণ্ডিকেটৰ চৰকাৰ চলাব বিচাৰে।

**দৈনিক অগ্ৰদূত ঃ** কংগ্ৰেছ মহাজোঁটত বদৰুদ্দিন আজমল আৰু তেওঁৰ দল এআইইউডিএফৰ অন্তৰ্ভুক্তিক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সাম্প্ৰদায়িক শক্তিৰ স'তে কংগ্ৰেছে হাত মিলোৱা বুলি বিৰোধীয়ে কৈছে। আপোনালোকৰ চৰকাৰৰ মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈ এসময়ত হু ইজ বদৰুদ্দিন বুলি কৈছিল। ইয়াৰ পাছত কোনো তাগিদা অথবা প্ৰয়োজনীয়তাৰ বাবে এই মিত্ৰতা হ'ল?

**জিতেন্দ্ৰ সিং ঃ** আমি ১০টা দল একত্ৰিত হৈ মহাজোঁট গঠন কৰিছো। অসমৰ কলা-সংস্কৃতি ইতিহাস-পৰিচয় ৰক্ষাৰ বাবে আমি একত্ৰিত হৈ যুঁজিছো। আমাৰ সকলোৰে উমৈহতীয়া লক্ষ্য হৈছে অসমৰ প্ৰগতি আৰু অসমীয়া মানুহৰ বিৰোধিতা কৰা সকলৰ স'তে যুঁজ দিয়া। এটা মহাজোঁটৰ ভিতৰত কেৱল এটা দলৰ কথাই বাৰম্বাৰ কিয় কৈ থকা হৈছে? বিজেপিয়ে এনে ধৰণৰ অপপ্ৰচাৰ কৰিব বিচাৰে, কিয়নো তেওঁলোকৰ সফলতাৰ ছবি দেখুৱাবলৈ হাতত একো নাই।

**দৈনিক অগ্ৰদূত ঃ** অসমত নিৰ্বাচনী প্ৰচাৰৰ বাবে বিজেপিৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ শীৰ্ষ নেতৃত্বই বাৰম্বাৰ অহাৰ লগতে কে'বাজনো কেন্দ্ৰীয় মন্ত্ৰী বহু সময়ত বাহৰ পাতি আছে। এই ক্ষেত্ৰত কংগ্ৰেছ পিছ পৰি থকা যেন বোধ হয়। কংগ্ৰেছৰ এয়া কৌশল নে নেতাৰ অভাৱ হৈছে?

**জিতেন্দ্ৰ সিং ঃ** নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ এজন সাধাৰণ সম্পাদকৰূপে মই ক'ব বিচাৰো যে অসমৰ মানুহৰ স্বাভাৱিকতে নিজৰ স্থানীয় নেতাৰ ওপৰত বিশ্বাস আছে। ৰাজনাথ সিং, মোদীজী অথবা আন কোনো নেতা আহি কিবা এটা ক'লেই অসমৰ মানুহে বিশ্বাস নকৰে। কিয়নো কেৱল নিৰ্বাচনৰ সময়তহে আহে, বানপানীৰ সময়ত অথবা কাৰ বিৰুদ্ধে প্ৰতিবাদৰ ৰক্তাক্ত হওতে তেওঁলোক অহা নাছিল। কোনো সমস্যাৰ সময়ত তেওঁলোক নাহে। আমাৰ বাবে সকলোতকৈ ডাঙৰ ষ্টাৰ কেম্পেইনাৰ আৰু অসমৰ মানুহৰ হৃদয়ত স্থান লাভ কৰা গান্ধী পৰিয়ালৰ সদস্য ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী নিশ্চিতভাৱে ইয়ালৈ আহে। কিয়নো অসমৰ মানুহৰ মাজত তেওঁলোকৰ প্ৰতি প্ৰেম আৰু সন্মান আছে। অসমৰ অস্তিত্ব বচাইছে প্ৰয়াত জৱাহাৰলাল নেহৰু আৰু মহাত্মা গান্ধী, ৰাজীৱ গান্ধী অথবা ড° মনমোহন সিঙৰ ব্যক্তিত্বই। সেয়েহে অসমৰ ৰাইজৰ বিশ্বাস আছে। বাকীবোৰ 'আয়াৰাম-গয়াৰাম'।



**দৈনিক অগ্ৰদূত ঃ** হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফ দল পুনৰ কংগ্ৰেছৰ সহযোগী হোৱাত আপোনালোক কিদৰে উপকৃত হ'ব?

**জিতেন্দ্ৰ সিং ঃ** হাগ্ৰামা মহিলাৰী অসমৰ এজন অতি দক্ষ আৰু সন্মানীয় ৰাজনীতিক। আমি সুখী যে তেওঁ এতিয়া আমাৰ স'তে আছে, তেওঁ পূৰ্বতে আমাৰ লগতে আছিল। মই ক'ব বিচাৰো যে আমি আঞ্চলিক দলক মান-সন্মান দিওঁ। আমি তেওঁলোকক যথাযোগ্য স্থান দিওঁ। বিজেপিৰ চৰকাৰৰ মডেল এয়াই যে যি দলেই তেওঁলোকৰ সহযোগী হয় তাক ভাঙি পেলায়। অগপৰ স'তে তেওঁলোকে কি কৰিলে ৰাইজে দেখিছে। অগপই বিজেপিক চৰকাৰ গঠন কৰাত সহায় কৰিলে, অথচ দলটো ভাঙি বিজেপিয়ে থানবান কৰিলে। অধিকাংশ লোকক বিজেপিত যোগদান কৰালে। অসমৰ এক গুৰুত্বপূৰ্ণ ৰাজনৈতিক শক্তিক বিজেপিয়ে শেষ কৰি পেলালে। এই চেষ্টা হাগ্ৰামা মহিলাৰীৰ স'তেও কৰিছিল। বিপিএফে বিজেপিক সহায় কৰাৰ পাছত বিজেপিয়ে বিপিএফক দুফাল কৰিবলৈ চেষ্টা চলাইছিল। বিজেপিয়ে বিচাৰে যে কেৱল তেওঁলোকৰ দল আৰু মতাদৰ্শ বাহাল থাকক। আঞ্চলিক দল থাকিব নালাগে। এই বিচাৰধাৰাৰ সম্পূৰ্ণ বিপৰীত আমাৰ চিন্তাধাৰা। আমি আঞ্চলিক দল-ভাবাবেগক আদৰণি জনাওঁ।

**দৈনিক অগ্ৰদূত ঃ** এই নিৰ্বাচনত আপোনালোকৰ সন্মুখত সৰ্ববৃহৎ প্ৰত্যাহ্বান কি?

**জিতেন্দ্ৰ সিং ঃ** আমাৰ সন্মুখত কোনো প্ৰত্যাহ্বান নাই। অসমৰ ৰাইজে ইতিমধ্যে স্থিৰ কৰিছে যে বিজেপিক অসম আৰু উত্তৰ-পূৰ্বৰ বাহিৰলৈ প্ৰেৰণ কৰিব লাগিব। ইতিমধ্যে প্ৰধানমন্ত্ৰী মোদীয়ে আমাৰ গেৰাণ্টীৰ কথা সভাত ক'বলৈ ধৰিছে। ইয়াৰ দ্বাৰা বুজিব পাৰি যে বিজেপিয়ে ইতিমধ্যে পৰাজয় স্বীকাৰ কৰিছে।

**দৈনিক অগ্ৰদূত ঃ** কংগ্ৰেছ মহাজোঁটৰ চৰকাৰ হ'লে কোন হ'ব মুখ্যমন্ত্ৰী?

**জিতেন্দ্ৰ সিং ঃ** অসমৰ ৰাইজে গ্ৰহণ কৰা ভূমিপুত্ৰ হ'ব অসমৰ মুখ্যমন্ত্ৰী। আমাৰ বিধায়কসকলে ইয়াক স্থিৰ কৰিব। বিজেপিয়ে পুতলা মুখ্যমন্ত্ৰী নিয়োগ কৰে। হাৰিয়ানা, মধ্যপ্ৰদেশ, কৰ্ণাটক, উত্তৰাখণ্ড সকলোতে একে ছবি।

**দৈনিক অগ্ৰদূত ঃ** অসম আৰু আপোনাৰ ৰাজ্য ৰাজস্থানৰ মাজত কি পাৰ্থক্য দেখে?

**জিতেন্দ্ৰ সিং ঃ** অসমৰ মানুহ অতি সহজ-সৰল, নিষ্ঠাৱান। অসমৰ মানুহে আমাক বহুত মৰম দিছে। ৰাজস্থান আৰু অসমৰ সংস্কৃতিৰ মাজত বহু সাদৃশ্য আছে। অসমৰ মানুহৰ বাবে যিমান পাৰি ভাল কৰিবলৈ চেষ্টা কৰিম।

**দৈনিক অগ্ৰদূত ঃ** সৰ্বশেষত কংগ্ৰেছ এতিয়া একত্ৰিত বুলি ক'ব পাৰেনে?

**জিতেন্দ্ৰ সিং ঃ** অসম বচাওঁ অভিযানত আমি সকলোৱে একেলগে আগবাঢ়িছো। কংগ্ৰেছত কোনো বিভাজন নাই। বিভাজন তেতিয়াহে হয় যেতিয়া ৰাজনৈতিক স্থান লাভ নকৰে। আমি সকলো ৰাজনৈতিক নেতাকে যথাযোগ্য স্থান দিছো, কাম কৰাৰ সুযোগ দিছো। অসমৰ কংগ্ৰেছ নেতাসকল সুদক্ষ, কঠোৰ পৰিশ্ৰমী।









**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com